
● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

দিগ্‌দৰ্শন



একো নকৰাকৈ জীয়াই থকা এটি জীৱনতকৈ বিভিন্ন ভুল কৰি পাৰ কৰা এটি জীৱন কেৱল সন্মানজনকেই নহয়, বৰঞ্চ কাৰ্যকৰীও।

জৰ্জ বাৰ্ণাৰ্ড শ্ব'
*আইৰিছ নাট্যকাৰ*

www.dainikagradoot.in

৭ কৰ'নাৰ ত্ৰাসৰ মাজতে ফ্ল'ৰ'নাৰ আগমন
১৫ বিৰাট বাহিনীৰ ইতিহাস সৃষ্টিৰ সম্ভাৱনা
৪ দুখীয়াক অধিক দুখীয়া কৰা অৰ্থনীতি

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৮৮তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১৮ পুহ ১৪২৮ ভাস্কৰাব্দ ৩ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 3 January 2022 মূল্য ঃ ৯.০০ টকা

## অসমীয়া চাহাবৰ ভণ্ডামি

■ প্ৰাঞ্জলসেন ডেকা

**ৰাজ্য** চৰকাৰৰ নতুন মুখ্য সচিবৰ নাম ঘোষণা হওঁ হওঁ। স্বাভাৱিকতে ৰাজ্য প্ৰশাসনৰ এই শীৰ্ষ পদৰ বাবে একাধিক শক্তিশালী প্ৰাৰ্থী থাকেই। গতিকে পদপ্ৰাৰ্থীসকলে সম্ভৱপৰ কোনো চেষ্টা এৰি নিদিয়ে। অৱশেষত যিজনৰ নিযুক্তি নিশ্চিত হ'ল, তেওঁ নিজৰ সপক্ষে যুক্তি দিবলৈ তৎপৰ হ'ল। সাধাৰণতে এনে নিযুক্তিৰ সময়ত অসমীয়া, অনা-অসমীয়া ছেণ্টিমেণ্ট এটাৰ সৃষ্টি কৰা হয় বিভিন্ন মাধ্যমৰ জৰিয়তে। যদিহে মূল দাবীদাৰসকল অসমীয়া হয়, তেন্তে *১০ পৃষ্ঠাত চাওক*

■ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰসংগত মুখ্যমন্ত্ৰীৰ ভাষ্যৰ প্ৰতিক্ৰিয়া ■ প্ৰতিবাদত অৱস্থান ধৰ্মঘটৰ আহ্বান কোচ ৰাজবংশী জাতীয় পৰিষদৰ ■ মন্ত্ৰী গোটৰ ভূমিকাক লৈও ক্ষোভ প্ৰকাশ

# প্ৰকাৰান্তৰে জনজাতিকৰণ নস্যাৎ!

অগ্ৰদূত ব্যুৰ'
**বঙাইগাঁও, ২ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাৰান্তৰে কোচ ৰাজবংশীকে ধৰি অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোক জনজাতি সংগঠনৰ বিৰোধিতাৰ অজুহাত দি নস্যাৎ কৰিব বিচাৰিছে বুলি কোচ ৰাজবংশী জাতীয় পৰিষদে অভিযোগ কৰিছে। আজি এক বিবৃতিত কোচ ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি বিমল কুমাৰ বৰ্মন আৰু সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায়ে ক্ষোভ প্ৰকাশ কৰি কয় যে বিগত কালছোৱাত বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° শৰ্মা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল মন্ত্ৰীসভাৰ শিক্ষা, বিত্ত আৰু স্বাস্থ্যমন্ত্ৰী তথা ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে গঠিত মন্ত্ৰীগোটৰ অধ্যক্ষৰূপে জনজাতিকৰণৰ বিষয়টো সন্দৰ্ভত সকলো জনগোষ্ঠীয় সংগঠনৰ লগত আলোচনা কৰি জনজাতিকৰণৰ এক সৰ্বসন্মত ঐক্যমত উদ্ভাৱন কৰি বিষয়টো সন্দৰ্ভত অতি সোনকালে কেন্দ্ৰীয় চৰকাৰক প্ৰতিবেদন দাখিলৰ প্ৰতিশ্ৰুতি দিছিল; কিন্তু নতুন বৰ্ষৰ প্ৰথমটো দিনাই জনজাতিকৰণৰ বিষয়টোক উলাই কৰাটো কোচ ৰাজবংশী জনগোষ্ঠীটোৰ বাবে দুৰ্ভাগ্যজনক বুলি নেতাদ্বয়ে কয়। জাতীয় পৰিষদৰ নেতাদ্বয়ে কয় যে পূৰ্বৰ সিদ্ধান্ত অনুসৰি অবিভক্ত গোৱালপাৰা জিলাৰ কোচ ৰাজবংশীসকলক *আঠ পৃষ্ঠাত চাওক*



বিশ্বনাথ-ধেমাজিত মাইক্ৰ'ফাইনেন্স উদগনিৰ চেক বিতৰণ মুখ্যমন্ত্ৰীৰ

■ মিজোৰামত কোটি কোটি টকাৰ চুপাৰি মজুত কৰি প্ৰেৰণ কৰে অসমলৈ ■ ভাইৰেণ্টেৰ পৰা অব্যাহত আছে সৰবৰাহ ■ চৰকাৰৰ এছঅ'পিলৈ অপেক্ষা বৰাকৰ ব্যৱসায়ী-ৰাজনীতিকৰ

## অসমৰ সীমান্ততে বাৰ্মিজ চুপাৰি মজুত

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২ জানুৱাৰী ঃ** বৰাকক মুখ্য কৰি অসমৰ বিভিন্ন প্ৰান্তত সঘনে অবৈধ বাৰ্মিজ চুপাৰি জব্দ হৈ আহিছে। লাখ লাখ টকা মূল্যৰ এনেদৰে চুপাৰি জব্দ হৈ থকা সত্বেও চোৰাং ব্যৱসায়ীৰ তৎপৰতা হ্ৰাস পোৱা নাই। কাৰণ গোপন বজাৰখনৰ নামমাত্ৰ এটা অংশহে জব্দ হৈছে। বাকী বৃহৎ অংশই বজাৰত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। ৰাজনৈতিক নেতা, আৰক্ষী আদিক মেনেজ কৰি এনে সৰবৰাহ অব্যাহত থকা হেতুকে ম্যানমাৰৰ পৰা যোগানো ৰুদ্ধ হোৱা নাই। তেনে চুপাৰিক লৈ অসম-মিজোৰাম সীমান্তৰ মিজোৰামৰ ভাইৰেণ্টেত গঢ়ি উঠিছে বৃহৎ বৃহৎ গুদাম। মিজোৰাম প্ৰশাসনৰ সহযোগিতাতে এনে গুদামবোৰ গঢ়ি উঠাৰ অভিযোগ উত্থাপিত হৈছে। এই গুদামবোৰত অসমৰ কমেও দুকুৰি চোৰাং ব্যৱসায়ীয়ে মজুত ৰাখিছে ম্যানমাৰৰ চুপাৰি। ইয়াৰ মাজতে হাহাকাৰ লাগিছে একাংশ ৰাজনৈতিক নেতাৰ মাজত। কাৰণ ম্যানমাৰৰ চুপাৰিৰ পৰিবহণ বন্ধ কৰাৰ ব্যৱস্থাৰ অংশৰূপে বন্ধ কৰি দিয়া হৈছে বৰাকৰ চুপাৰিৰ গুদামসমূহ। তাৰে একাংশ গুদামত স্থানীয় চুপাৰিতকৈ বাৰ্মিজ চুপাৰি গোপনে মজুত কৰা হয়। *১০ পৃষ্ঠাত চাওক*

## সোণাৰিত যুৱ ব্যৱসায়ীক কটাৰিৰে আঘাত কৰি হত্যা



অগ্ৰদূত বাৰ্তা
**সোণাৰি, ২ জানুৱাৰী ঃ** যোৱা নিশা ন বজাত চৰাইদেউ জিলাৰ সোণাৰি নগৰৰ সমীপত বেঙেনাবাৰীত এক নৃশংস হত্যাকাণ্ড সংঘটিত হয়। বেঙেনাবাৰীৰ যুৱ *আঠ পৃষ্ঠাত চাওক*

■ ড্ৰাগছৰ দৰে জুৱা খেলৰ বিৰুদ্ধেও ৰাজ্যজুৰি তৎপৰ হ'ব চৰকাৰ

## ভোগালীৰ উৰুকাৰ নিশাও সুৰাপান কৰি বাহন চলোৱাৰ বিৰুদ্ধে অভিযান

অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি/ধেমাজি, ২ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিশ্বনাথত আয়োজিত এক কাৰ্যসূচীত অসম মাইক্ৰ'ফাইনেন্স উদগণি আৰু সকাহ আঁচনি ২০২১ৰ দ্বিতীয় পৰ্যায়ৰ সকাহ প্ৰদান কাৰ্যসূচী মুকলি কৰে। উল্লেখ্য যে নিয়মীয়া পৰিশোধকাৰী হিতাধিকাৰীৰ বাবে এই আঁচনিখনৰ প্ৰথম পৰ্যায় যোৱা ২৮ নৱেম্বৰত শোণিতপুৰ জিলাত মুকলি কৰা হৈছিল। ইয়াৰ জৰিয়তে আঠখন জিলাৰ হিতাধিকাৰীলৈ প্ৰথম পৰ্যায়ত ধনৰাশিৰ চেক বিতৰণ কৰা হৈছিল। দ্বিতীয় পৰ্যায়ত বিশ্বনাথ, ধেমাজি আৰু ডিব্ৰুগড় জিলাৰ হিতাধিকাৰীলৈ সকাহৰ ধনৰাশিৰ চেক প্ৰদানৰ পদক্ষেপ লোৱা হৈছে। আজি বিশ্বনাথ জিলাৰ গহপুৰ, বিহালী, চতিয়া আৰু বিশ্বনাথ বিধানসভা সমষ্টিৰ সৰ্বমুঠ ৫০২৪ গৰাকী হিতাধিকাৰীলৈ সকাহৰ ধনৰাশিৰ চেক প্ৰদান কৰা হয়। উল্লেখ্য যে দ্বিতীয় পৰ্যায়ত বিশ্বনাথ জিলাৰ সৰ্বমুঠ ১২,৫৯০ গৰাকী প্ৰথম শ্ৰেণীৰ (নিয়মীয়া পৰিশোধকাৰীয়ে) এই ধনৰাশিৰ চেক *১০ পৃষ্ঠাত চাওক*

তামিলনাডুৰ মন্দিৰৰ পৰা চুৰিৰ সন্দেহ

## পাঁচশ কোটি টকা মূল্যৰ শিৱলিংগ জব্দ বেংক লকাৰত




■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২ জানুৱাৰী ঃ** বিভাগে চেন্নাইৰ থাঞ্জাভুৰৰ এজন লোকৰ বেংকৰ লকাৰৰ পৰা উদ্ধাৰ কৰে এটা প্ৰাচীন শিৱ লিংগ। ইয়াকে লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। উদ্ধাৰ হোৱা এই *আঠ পৃষ্ঠাত চাওক*

■ ছাগলী চুৰিৰ সন্দেহত গছত বান্ধি অত্যাচাৰ ঃ দুজনক গ্ৰেপ্তাৰ

## দেৰগাঁৱত পুনৰ সুৰামত্ত যুৱকৰ দলৰ নৃশংস প্ৰহাৰত প্ৰাণ গ'ল এজনৰ

**দেৰগাঁও, ২ জানুৱাৰী ঃ** সমগ্ৰ ৰাজ্য কঁপাই যোৱা দেৰগাঁৰৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ ছাত্ৰ নেতা অনিমেষ ভূঞাৰ হত্যাকাণ্ডৰ প্ৰতিক্ৰিয়া মাৰ নৌযাওঁতেই নতুন বছৰৰ প্ৰথম দিনটোতে পুনৰ একেটা অঞ্চলৰ এজন লোকে গণ প্ৰহাৰত প্ৰাণ হেৰুৱালে। উল্লেখ্য যে কালি সন্ধিয়া দৈনিক হাজিৰা কৰা তথা শাক-পাচলিৰ ব্যৱসায় কৰি কোনোমতে পৰিয়ালক *১০ পৃষ্ঠাত চাওক*





## মানকাচৰত কিশোৰ-কিশোৰীৰ বিহ পান কৰি আত্মহত্যা

**মানকাচৰ, ২ জানুৱাৰী ঃ** দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ মানকাচৰ আৰক্ষী থানাৰ অন্তৰ্গত ফুটামাৰি গাঁৱত যোৱা নিশা এজন কিশোৰ আৰু এগৰাকী কিশোৰীয়ে বিহ পান কৰি আত্মহত্যা কৰে। ফুটামাৰিগাঁৰৰ তফুজ্জুল হকৰ পুত্ৰ আশ্ৰাফুল *১০ পৃষ্ঠাত চাওক*

আবেদন নকৰা বাবে স্বীকৃতি বাতিল ঃ কেন্দ্ৰ

তালিকাত মাদাৰ টেৰেছাৰ সংস্থাৰ পৰা ইন্দিৰা গান্ধী চেণ্টাৰ ফৰ আৰ্টছ-জামিয়া মিলিয়া-অক্সফামো

## দেশৰ ছয় সহস্ৰাধিক স্বেচ্ছাসেৱী সংস্থাৰ বিদেশী অনুদান অহাৰ পথ বন্ধ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২ জানুৱাৰী ঃ** দেশৰ ছহেজাৰৰ অধিক স্বেচ্ছাসেৱী সংস্থাই বিদেশী অনুদান লাভৰ পথ ৰুদ্ধ হ'ল। কেন্দ্ৰীয় চৰকাৰৰ নিয়ম অনুসৰি এইসমূহ সংস্থাই লাভ নকৰে অনুদান। কলকাতাত মাদাৰ টেৰেছাৰ মিছনেৰীজ অব চেৰিটিৰ অনুদান বন্ধ কৰাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল শেহতীয়াভাৱে। এই সংস্থাটোৰে জনোৱা মতে, ৩১ ডিচেম্বৰ পৰ্যন্ত ম্যাদ বৃদ্ধি কৰাৰ পাছত বিদেশী অনুদান অহাৰ পথ বন্ধ হয়। ইয়াৰ পাছতে প্ৰকাশিত তথ্য অনুসৰি ছহেজাৰৰ অধিক বেচৰকাৰী সংস্থাৰ বিদেশী অনুদান (নিয়ন্ত্ৰণ) আইনৰ পঞ্জীয়ন সম্প্ৰতি বাতিল হৈছে। এই সংস্থাসমূহে *১০ পৃষ্ঠাত চাওক*

## নগাঁৱত শূন্যলৈ গুলিবৰ্ষণ, হেৰ'ইনসহ গ্ৰেপ্তাৰ চাৰি

বিশেষ সংবাদদাতা
**নগাঁও, ২ জানুৱাৰী ঃ** যোৱা নিশা নগাঁও আৰক্ষীয়ে চাৰিজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। নগাঁও চহৰৰ সমীপৰ কদমতলত নগাঁও সদৰ আৰক্ষীয়ে মাদকদ্ৰব্য বিৰোধী কোষৰ সহযোগত অভিযান চলাই চাৰিজন ড্ৰাগছ সৰবৰাহকৰীয়ে ড্ৰাগছ বিক্ৰী কৰাৰ বাবে যো-জা চলাই থকাৰ সময়তেই গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে দুজন ড্ৰাগছ সৰবৰাহকাৰীক হেৰ'ইনসহ *১০ পৃষ্ঠাত চাওক*

■ বিভ্ৰান্তিকৰ তথ্যৰে ভৰি আছে অধিকাংশ বুৰঞ্জীমূলক গ্ৰন্থ ঃ ড° পাঠক
■ গ্ৰন্থমেলাত 'ইতিহাস ঃ প্ৰক্ষেপ আৰু বিশুদ্ধতা' শীৰ্ষক আলোচনা

## এহেজাৰৰো অধিক সত্ৰাধিকাৰৰ শিৰশ্ছেদ কৰিছিল গদাধৰ সিংহই



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২ জানুৱাৰী ঃ** প্ৰকৃত তথ্যৰ বিপৰীতে বিভ্ৰান্তিকৰ তথ্যৰে ভৰি আছে অসমৰ ইতিহাসৰ আধাৰত প্ৰকাশিত গৰিষ্ঠসংখ্যক গ্ৰন্থ। ভিন্ন লেখকৰ বুৰঞ্জীমূলক গ্ৰন্থসমূহত একেটা বিষয়ৰ সন্দৰ্ভত ভিন্ন মত আৰু তথ্য উল্লেখ থকাৰ ফলত *আঠ পৃষ্ঠাত চাওক*

## চামগুৰিত ৰেলৰ খুন্দাত মখনা হাতীৰ থিতাতে মৃত্যু

অগ্ৰদূত বাৰ্তা
**চামগুৰি, ২ জানুৱাৰী ঃ** ৰেল বিভাগৰ অৱহেলাৰ বাবে ইংৰাজী বৰ্ষৰ প্ৰথম নিশাটোতে নগাঁও জিলাৰ চামগুৰিৰ শিঙিয়া ফুকনাখাটত ৰেলৰ খুন্দাত এটা বনৰীয়া হাতী ঘটনাস্থলীতে নিহত হয়। যোৱা নিশা ৮-১৫ বজাত শিলঘাট-চাপৰমুখ *১০ পৃষ্ঠাত চাওক*

## মুখ্যমন্ত্ৰীৰ কনভয়ত বাহনৰ সংখ্যা আঠখনলৈ হ্ৰাস

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২ জানুৱাৰী ঃ** অসম চৰকাৰৰ কালিৰ কেবিনেট বৈঠকৰ সিদ্ধান্তৰ পাছতে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কনভয়ৰ বাহনৰ সংখ্যা হ্ৰাস পায়। মুখ্যমন্ত্ৰীয়ে আজি পুৱা চৰকাৰী কাৰ্যসূচী লৈ বিশ্বনাথ চাৰিআলিলৈ যায়। সেই উদ্দেশ্যে চৰকাৰী বাসভৱনৰ পৰা খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ হেলিপেডলৈ যোৱাৰ সময়ত মুখ্যমন্ত্ৰীৰ কনভয়ত আজি আঠখন বাহন থাকে। ইয়াৰ পূৰ্বে কনভয়ত থকা বাহনৰ সংখ্যা আছিল কমেও ২২ খন। উল্লেখ্য যে ন্যায় ব্যৱস্থাৰ *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ১২° |
| ডিব্ৰুগড় | ২৫° | ১১° |
| দিল্লী | ১৯° | ০৮° |
| কলকাতা | ২২° | ১৪° |
| মুম্বাই | ৩২° | ২৩° |
| চেন্নাই | ২৯° | ২৪° |
| বাংগালুৰু | ২৭° | ১৬° |
| শ্বিলং | ১৮° | ০৬° |

*২ জানুৱাৰী, ২০২২*

চৰকাৰৰ উপাৰ্জনৰ একমাত্ৰ উৎস মদৰ দোকান আৰু ইয়াৰ গ্ৰাহক

## মূল্যবৃদ্ধি ২০২২, নৱবৰ্ষৰ উপহাৰ দিলে মোদীয়ে ঃ কটাক্ষ কংগ্ৰেছৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২ জানুৱাৰী ঃ** ২০২২ৰ প্ৰথম দিনটোতে 'মূল্যবৃদ্ধি ২০২২'ৰ ৰূপত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে দেশৰ ৰাইজলৈ আগবঢ়াইছে নতুন বছৰৰ উপহাৰ। বিগত বছৰটোৰ সৰহভাগ সময় একেৰাহে নিবনুৱা বৃদ্ধিৰ হাৰ আছিল ৭.৫ শতাংশৰো অধিক।




এতিয়া এই নতুন মূল্যবৃদ্ধিৰ ভয়ংকৰ ৰূপক নিবনুৱাৰ হাৰৰ স'তে সংমিশ্ৰণ ঘটাই দেশবাসীক উপহাৰ দিছে মোদী চৰকাৰে। এই মন্তব্য ৰাজ্যসভাৰ সাংসদ তথা কংগ্ৰেছী নেত্ৰী আৰ্মী য়াজনিকৰৰ। প্ৰদেশ কংগ্ৰেছৰ মুখ্য কাৰ্যালয় ৰাজীৱ ভৱনত আজি এক সংবাদমেলত সাংসদ য়াজনিকৰে কয় যে মোদী আৰু *১০ পৃষ্ঠাত চাওক*

বন বিভাগে উদ্ধাৰ কৰাৰ পাছতে মৃত্যু

## বিজনীৰ লক্ষীঝোৰাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ভালুক উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
**কাজলগাঁও, ২ জানুৱাৰী ঃ** চিৰাঙৰ বিজনীৰ ভাৰত-ভূটান সীমান্তৰ দুই নম্বৰ লক্ষীঝোৰাত এটা ক'লা ভালুক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত অৱস্থাত উদ্ধাৰ হয়। লক্ষীঝোৰাৰ খেতিপথাৰত উদ্ধাৰ হয় ভালুকটো। বিয়লি চাৰি বজাত স্থানীয় লোকে পথাৰত ভালুকটো পৰি থকা প্ৰত্যক্ষ কৰি বন বিভাগক খবৰ দিয়ে। ঘটনাস্থলীত উপস্থিত হয় বন বিভাগৰ বিষ্ণুপুৰ বীট কাৰ্যালয়ৰ বনকৰ্মী, ৱাইল্ড লাইফসহ ডব্লিউটিআই *আঠ পৃষ্ঠাত চাওক*

দুখনকৈ ট্ৰাকসহ চাৰিজনক গ্ৰেপ্তাৰ আৰক্ষীৰ

## ইংলণ্ড-আমেৰিকাৰ কোটি টকাৰ চিগাৰেট জব্দ

অগ্ৰদূত বাৰ্তা
**গোসাঁইগাঁও/শ্ৰীৰামপুৰ, ২ জানুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ শ্ৰীৰামপুৰ আৰু তেলিপাৰাত আৰক্ষীয়ে পৃথক অভিযানত এক কোটি ৩০ লাখ টকা মূল্যৰ বিদেশী চিগাৰেট জব্দ কৰাৰ লগতে দুখন ট্ৰাকসহ চাৰিজন লোকক গ্ৰেপ্তাৰ কৰে। শিমুলটাপু আৰক্ষী চকীৰ আৰক্ষীয়ে শ্ৰীৰামপুৰত যোৱা নিশা ন বজাত ৩১ নম্বৰ (গ) ঘাইপথত *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*ৰাইজৰ বাবে দিনে-নিশাই ইমান কাম কৰিলো, সেইবোৰ ক'বলৈ গ'লে মহাভাৰত হ'ব! গতিকে একো নকওঁৰেই দিয়ক!*

■ নিচুকনি গীত-বতাহ-নৈৰ শব্দ-বাদ্যযন্ত্ৰ আৰু মিউজিক থেৰাপিৰ সম্পৰ্কত গ্ৰন্থ ৰচনা

## মেগনিফায়িং মিউজিক ঃ যুৱ শিল্পীলৈ সন্মান




■ তেজপুৰৰ ড° দেৱৰাজ বৰালৈ ভাৰত গৌৰৱশ্ৰী বঁটা

■ অৰূপ কলিতা
**তেজপুৰ, ২ জানুৱাৰী ঃ** ভৌগোলিক পৰিসীমাভেদে সলনি হয় সংগীতৰ সুৰ আৰু ধৰণ। একেদৰে প্ৰাকৃতিক পৰিৱেশৰ ভিত্তিত সৃষ্টি তথা ব্যৱহাৰ হয় বাদ্যযন্ত্ৰৰ। শেহতীয়াকৈ তেজপুৰৰ যুৱ-শিল্পী ড° দেৱাশীষ বৰাৰ দীৰ্ঘদিনীয়া অধ্যয়নত প্ৰকাশ পাইছে সংগীত সন্দৰ্ভত বহু গুৰুত্বপূৰ্ণ তথ্য। তদুপৰি সম্প্ৰতি বিশ্বজুৰি বহু চিকিৎসকে ব্যৱহাৰ কৰা সংগীত থেৰাপিৰ বিষয়েও তথ্য সংযোজনৰে যুৱ-শিল্পীজনৰ এখন গৱেষণামূলক গ্ৰন্থ প্ৰকাশ পাইছে। শেহতীয়াকৈ প্ৰকাশ পোৱা ড° দেৱাশীষ বৰা ওৰফে দেৱৰাজৰ *১০ পৃষ্ঠাত চাওক*





*গুৱাহাটীৰ পদপথত দৃষ্টিহীন শিল্পীৰ সংগীত পৰিৱেশন, দেওবাৰে।*

# বিশ্বনাথত ৩৭ হেজাৰ বিঘাৰো অধিক ভূমি বেদখল

**বেদখলমুক্তৰ দাবীত মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰ খিলঞ্জীয়া সুৰক্ষা ঐক্য মঞ্চৰ**

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২ জানুৱাৰী ঃ** বিশ্বনাথত ৰাজহ চক্ৰৰ ৩৭ হেজাৰ বিঘাতকৈও অধিক ভূমি অবৈধ বেদখলকাৰী কবলত থকা তথ্য লাভ কৰা হৈছে তথ্য জ্ঞানৰ অধিকাৰৰ জৰিয়তে। *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত

গুৱাহাটী, ৩ জানুৱাৰী, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

## সোঁতৰ বিপৰীতে



# জনজাতিকৰণক লৈ মুখ্যমন্ত্ৰী শৰ্মাৰ দায়সৰা মন্তব্য ঃ তীব্ৰ বিৰোধিতা আছাৰ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২ জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নৱবৰ্ষৰ প্ৰথম দিনটোতে আদিবাসীকে ধৰি ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো লৈ পুনৰবাৰ দায়সৰা তথা মিছলীয়া মন্তব্য প্ৰদান কৰাটো দুৰ্ভাগ্যজনক বুলি সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ সাধাৰণ সম্পদক দেবেন উৰাং আৰু সাংগঠনিক সম্পাদক অমৰজ্যোতি চুৰিণে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ আদিবাসীৰ লগতে ছয় জনগোষ্ঠী জনজাতিকৰণ কৰাৰ অকণো সদিচ্ছা নাই বুলিও তেওঁলোকে কয়। মুখ্যমন্ত্ৰীজনৰ এই বিষয়ত সম্পূৰ্ণ বিপৰীত মন্তব্য ২০১৬ আৰু ২০২১ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজহুৱাভাৱে কৰি অসমৰ আদিবাসী ৰাইজক জনজাতিকৰণ অৰ্থাৎ অনুসূচীকৰণ সন্দৰ্ভত আশ্বস্ত কৰি ভোট লাভ কৰিছিল বুলি ক্ষোভ প্ৰকাশ কৰে সংগঠনটোৱে। বৰ্তমানৰ জনজাতি আৰু জনজাতিৰ মৰ্যাদাৰ বাবে আন্দোলনৰত জনগোষ্ঠী বিলাকৰ মাজত শত্ৰুতা সৃষ্টিৰ বাবেহে এনে মন্তব্য মুখ্যমন্ত্ৰীয়ে কৰিছে। বৰ্তমানৰ জনজাতিসকলে বিৰোধিতা কৰা বাবে আদিবাসী আৰু ছয় জনগোষ্ঠীৰ জনজাতিকৰণ বা অনুসূচীকৰণ নোহোৱা বুলি কোৱাটো হাস্যাস্পদ বুলি মন্তব্য কৰে তেওঁলোকে। অসমৰ সৰ্বস্তৰৰ ৰাইজে কিদৰে 'কা' প্ৰযোজ্য হ'ল আৰু এসময়ত বৃহৎ নদী বান্ধৰ বিৰোধিতা কৰা দলৰ চৰকাৰৰ শাসন কালত কিদৰে যুদ্ধকালীন ক্ষিপ্ৰতাৰে নদীবান্ধৰ কাম আগবাঢ়ি গৈছে এই বিষয়তো প্ৰশ্ন উত্থাপন কৰে আছাই। মুখ্যমন্ত্ৰীয়ে আৰ জি আইৰ তথ্য আৰু অন্যান্য আইন অনুসৰি প্ৰাপ্য অধিকাৰ প্ৰাপ্য জনতাক প্ৰদান কৰাৰ ক্ষেত্ৰত উচিত পদক্ষেপ গ্ৰহণ নকৰি *ছয় পৃষ্ঠাত চাওক*

# নৱবৰ্ষৰ প্ৰথম দিনটোতে ১৩৭ ছাত্ৰ-ছাত্ৰীৰ হাতত গ্ৰন্থ তুলি দিলে 'আনয়ন'-এ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২ জানুৱাৰী ঃ** ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোতেই নৱপ্ৰজন্মৰ মাজত গ্ৰন্থ উপহাৰ প্ৰদানৰ লগতে অসমীয়া ভাষা বিষয়ক এটি বক্তৃতানুষ্ঠান আয়োজনেৰে বছৰটোৰ কাৰ্যসূচী আৰম্ভ কৰিলে 'আনয়ন ঃ দ্য হেবিট' চমুকৈ 'আনয়ন' নামৰ ডিব্ৰুগড়ৰ স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে। 'পথ দুৰ্ঘটনা ৰোধৰ সজাগতা আৰু নৱপ্ৰজন্মৰ মাজত গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ গঠন'ৰ কামত ২০১৭ৰ পৰা কাম কৰি অহা এই সংগঠনটিয়ে প্ৰত্যেক বছৰে আয়োজন কৰি অহা কাৰ্যসূচীৰ এক অংশ হিচাপে কালি জিলাখনৰ টেঙাখাত অঞ্চলৰ শিক্ষানুষ্ঠান সৰস্বতী দেৱী বাগ্ৰদিয়া উচ্চ মাধ্যমিক বিদ্যালয়ত আয়োজন কৰে 'নৱপ্ৰজন্মক গ্ৰন্থ উপহাৰ প্ৰদান আৰু বক্তৃতানুষ্ঠান।' *ছয় পৃষ্ঠাত চাওক*

## ■ ভূমিদাতাই বিটিচি সচিবালয়ৰ পৰা ওভতাই বিচাৰিলে আপত্তিবিহীন পত্ৰ নথকা ভূমি

# বড়োলেণ্ড অতিথিশালাৰ ভূমিক লৈ বিতৰ্ক



*উত্তৰ-পূব গ্ৰন্থমেলাত গিৰীপদ দেৱচৌধুৰীক স্মৰণ, দেওবাৰে।*

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২ জানুৱাৰী ঃ** বিটিআৰৰ সদৰ কোকৰাঝাৰ চহৰৰ কদমতোলাৰ পাগলাবাবাস্থিত বড়োলেণ্ড অতিথিশালাৰ ভূমিখণ্ডক লৈ বিতৰ্কৰ সৃষ্টি হৈছে। ফলত ভূমিদাতাৰ পৰিয়ালে বড়োলেণ্ড অতিথিশালা নিৰ্মাণ কৰা ভূমিভাগ পুনৰ ওভতাই বিচাৰিছে। আজি কোকৰাঝাৰ চহৰৰ শুভাষপল্লীস্থিত নিজ বাসভৱনত আয়োজন কৰা এক সংবাদমেলত বিটিচি কৰ্তৃপক্ষৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি ভূমিখণ্ডৰ উত্তৰাধিকাৰী প্ৰয়াত সহনলাল শৰ্মাৰ পুত্ৰ ভৰত শৰ্মাই কয় যে যি খণ্ড ভূমিত বড়োলেণ্ড অতিথিশালা নিৰ্মাণ কৰা হৈছে উক্ত ভূমিত কোকৰাঝাৰত কৃষকসকলৰ শীতল ভঁৰাল নিৰ্মাণ কৰিববলৈহে ১৯৯৯ত ডিআৰডিএক দান কৰিছিল; কিন্তু তাৰ মাজতে ২০০৩ত বিটিচি চুক্তি স্বাক্ষৰ হোৱাৰ পাছত উক্ত ভূমিখণ্ডত ডিআৰডিএ কৰ্তৃপক্ষই শীতল ভঁৰাল নিৰ্মাণ নকৰাকৈ থকা অৱস্থাত নতুন বিটিচিৰ পৰিষদীয় চৰকাৰৰ দিনত বড়োলেণ্ড অতিথিশালা নিৰ্মাণ কৰা হয়। সংবাদমেলখনত শৰ্মাই আত্মপক্ষক সমৰ্থন কৰি কয় যে চৰকাৰে যিকোনো ধৰণৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰাৰ পূৰ্বে ভূমিদাতা পৰিয়ালৰ পৰা আপত্তিবিহীন প্ৰমাণপত্ৰ লোৱাটো জৰুৰী। অথচ শৰ্মা পৰিয়ালৰ ভূমিখণ্ডত বড়োলেণ্ড অতিথিশালা নিৰ্মাণৰ পূৰ্বে বিটিচিৰ কোনো আমোলা বিষয়াই আপত্তিববিহীন প্ৰমাণপত্ৰ ল'ব লাগে বুলি প্ৰয়োজনবোধ নকৰিলে। তাৰ পৰিৱৰ্তে পৰিয়ালটোক অন্ধকাৰত ৰাখি দুই বিঘা চাৰিকঠা ১৮ লেচা মাটিত বড়োলেণ্ড অতিথিশালাৰ প্ৰকাণ্ড অট্টালিকা নিৰ্মাণ কৰি উলিয়ালে। কোকৰাঝাৰ ৰাজহ চক্ৰৰ অধীনস্থ উক্ত ভূমিভাগ দাগ নম্বৰ - ৩১২, খতিয়ান নং-১৩৪ৰ অন্তৰ্গত এক বিঘা দুই কঠা ১৮ লেচা আৰু আনটোভাগ দাগ নম্বৰ- ২০৯, খতিয়ান নম্বৰ ৮৮ৰ অধীনত এক বিঘা দুই কঠা মাটি আছে। তদুপৰি শৰ্মাৰ পৰিয়ালে উক্ত ভূমিখণ্ডক লৈ অব্যাহত থকা হস্তান্তৰৰ লগতে দান দিয়াৰ খেলিমেলি দূৰ কৰাৰ বাবে পূৰ্বৰ হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন পৰিষদীয়ৰ লগতে বৰ্তমানৰ প্ৰমোদ বড়ো নেতৃত্বাধীন ইউপিপিএল, বিজেপি আৰু জিএচপিৰ সন্মিলীত *ছয় পৃষ্ঠাত চাওক*

## শ্ৰীৰামপুৰত চিপ লৈ যুৱকৰ আত্মহনন

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২ জানুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-পশ্চিমবংগ সীমান্তৰ শ্ৰীৰামপুৰৰ সমীপৱৰ্তী দামৰাপাৰা গাঁৱত যোৱা নিশা এজন যুৱকে চিপ লৈ আত্মহত্যা কৰে। উক্ত গাঁৱৰ বাসিন্দা লুক টুডুৰ পুত্ৰ সবেশ টুডু (২৪)-এ নিজ গৃহৰ শৌচাগাৰত চিপ লৈ আত্মহত্যা কৰা প্ৰত্যক্ষ কৰি শিমুলটাপু আৰক্ষী চকীত খবৰ দিয়ে। আৰক্ষীয়ে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰে। যুৱকজন বিভিন্ন ধৰণৰ ৰোগত ৰোগাক্ৰান্ত আছিল বুলি পৰিয়ালৰ লোকে আৰক্ষীক জানিব দিয়ে।

## ডুমডুমাত আৰক্ষীৰ অভিযানত তিনি মটৰ চাইকেল, ১৫ চাইকেল জব্দ

**ডুমডুমা, ২ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা অঞ্চলত বৃদ্ধি পাইছে মদ-জুৱাৰ আড্ডা। দিন দুপৰতে মদ-জুৱাৰ আড্ডা বহিঃ পৰিৱেশ বিনষ্ট কৰি আহিছে। 'আখৰা' নামৰ মদ-জুৱাৰ আড্ডাই সকলোফালে ছানি ধৰিছে। এই ক্ষেত্ৰত তিনিচুকীয়া জিলা প্ৰশাসনে ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবেই অধিক হ'ব ধৰিছে। মদ-জুৱাৰ আড্ডা বৃদ্ধি পোৱাৰ সময়তে আজি ডুমডুমা আৰক্ষীয়ে দৈমুখীয়া চাহ বাগিচা অঞ্চলত অভিযান চলায়। ডুমডুমা আৰক্ষীৰ অভিযানত তিনিখন মটৰ চাইকেল, ১৫ খন চাইকেল জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে তিনিচুকীয়া জিলাৰ গ্ৰামাঞ্চল, চাহ বাগিচা অঞ্চলত এতিয়া মদ, জুৱা, ডাইছ জুৱা আদিৰে ভৰি পৰিছে। এই ক্ষেত্ৰত শীঘ্ৰে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰাটো ৰাইজে কামনা কৰিছে।

## গোৰেশ্বৰত ড্ৰাগছ আসক্ত যুৱক আটক

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২ জানুৱাৰী ঃ** বাগ্‌সা জিলাৰ গোৰেশ্বৰ আৰক্ষী থানাৰ অন্তৰ্গত ছিস্কীঝাৰ গাৰোগাঁৱত ৩০ ডিচেম্বৰত এজন ড্ৰাগছ আসক্তক আটক কৰে স্থানীয় ৰাইজে। ৰাজ্যজুৰি ড্ৰাগছ বিৰোধী অভিযান অব্যাহত থকাৰ সময়তে এইবাৰ বজৰং দলৰ সহযোগত ৰাইজে খেদি খেদি আটক কৰে ড্ৰাগছ আসক্ত যুৱকক। উল্লেখ্য যে বৃহত্তৰ অঞ্চলটোত একাংশ ড্ৰাগছ আসক্ত যুৱকে পৰিৱেশ বিনষ্ট কৰি অহাত ৰাইজ অতিষ্ঠ হৈ ৰাইজে ড্ৰাগছসহ হাতে-লোটে আটক কৰে। উক্ত যুৱকজনৰ নাম কামৰূপ গ্ৰাম্য জিলাৰ ইচাৰকেম্পৰ *ছয় পৃষ্ঠাত চাওক*

## লালুকত পথ দুৰ্ঘটনাত কিশোৰী নিহত

অগ্ৰদূত বাৰ্তা

**লালুক, ২ জানুৱাৰী ঃ** নৱবৰ্ষৰ দ্বিতীয় দিনটোতে লালুক ৰাণাবাৰীত এক পথ দুৰ্ঘটনাত আজি সন্ধিয়া এগৰাকী কিশোৰীৰ মৃত্যু হয়। উল্লেখ্য যে আজি সন্ধিয়া উত্তৰ লখিমপুৰ দিশৰ পৰা নকাৰী গাৱঁৰ নৱ শইকীয়া নামৰ লোকজনে কন্যা দিছা দত্ত (১৫)ৰ স'তে নিজা বাহনেৰে অৰুণাচললৈ গৈ থাকোতে *ছয় পৃষ্ঠাত চাওক*

## নকছাৰীত পথ দুৰ্ঘটনাত ছাত্ৰ নেতাৰ মৃত্যু শোক প্ৰকাশ

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২ জানুৱাৰী ঃ** মৰিয়নিৰ সমীপৰ দেবেৰাপাৰ আৰক্ষী চকীৰ অন্তৰ্গত নকছাৰী খেজুৰিগুৰিত কালি ৰাতি সংঘটিত এক পথ দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হয়। মৃত যুৱকজন লুখুৰাখন গাঁৱৰ দুৰ্লভ ফুকন (২২) বছৰ বুলি জানিব পৰা গৈছে। মৰিয়নি -আমগুৰি ধোদৰ আলিত কালি ৰাতি প্ৰায় ৭-৪৫ মান বজাত এই দুৰ্ঘটনা সংঘটিত হয়। ঘটনাৰ সম্পৰ্কত দেবেৰাপাৰ আৰক্ষীয়ে জানিবলৈ দিয়া মতে, কালি ৰাতি *ছয় পৃষ্ঠাত চাওক*

## ভৱানীপুৰত উন্নয়ন খণ্ডৰ কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী দাস

# পঞ্চায়তৰ প্ৰতিনিধিয়ে দুৰ্নীতি কৰিলে প্ৰশাসনিকভাৱে এজাহাৰ দাখিল কৰক



বিশেষ সংবাদদাতা/ অগ্ৰদূত বাৰ্তা

**পাঠশালা/সৰুপেটা, ২ ডিচেম্বৰ ঃ** 'অসমত পঞ্চায়ত, গ্ৰামোন্নয়ন বিভাগ সম্পূৰ্ণ দুৰ্নীতিমুক্ত হ'বলৈ গৈ আছে। বিভাগটোৰ বিৰুদ্ধে থকা দীৰ্ঘদিনীয়া বদনামবোৰ আঁতৰ কৰা প্ৰক্ৰিয়া আৰম্ভ হৈছে। পঞ্চায়তৰ প্ৰতিনিধিক পঞ্চায়ত গ্ৰামোন্নয়ন বিভাগত দুৰ্নীতি চলাবলৈ দিয়া নহ'ব। পঞ্চায়ত প্ৰতিনিধিয়ে দুৰ্নীতি কৰিলে, দুৰ্নীতিগ্ৰস্ত পঞ্চায়ত প্ৰতিনিধিৰ বিৰুদ্ধে বিডিঅ' বা প্ৰশাসনিকভাৱে তদন্ত কৰক আৰু এজাহাৰ দাখিল কৰক। পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ জৰিয়তে গাঁৱৰ উন্নয়ন হ'ব লাগিব।' আজি এইদৰে মন্তব্য কৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন *ছয় পৃষ্ঠাত চাওক*

# জনজাতিকৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্যক উভতি ধৰিলে আক্ৰাছুৱে

অগ্ৰদূত বাৰ্তা

**কলাইগাঁও, ২ জানুৱাৰী ঃ** নতুন বছৰৰ প্ৰথম দিনটোত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰক্ৰিয়া বৰ্তমানৰ জনজাতিসকলৰ বিৰোধিতাৰ বাবেই সম্ভৱপৰ হোৱা নাই বুলি কৰা মন্তব্যক সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ই উভতি ধৰিছে। আক্ৰাছুৰ সভাপতি পুৰেন ৰায়, সাধাৰণ সম্পাদক দিব্যজ্যোতি কুমাৰ ডেকা আৰু মুখ্য প্ৰচাৰ সম্পাদক হেমন্ত বড়া কোচে এক বিজ্ঞপ্তিযোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে অসমৰ ভূমিপুত্ৰ ৰাজ্যৰ ছয় জনগোষ্ঠী ক্ৰমে কোচ ৰাজবংশী, মৰাণ, মটক, চুতীয়া, টাই আহোম আৰু আদিবাসীসকলে জনজাতিকৰণৰ দাবীত ধাৰাবাহিকভাৱে আন্দোলন চলাই আহিছে। আন ৰাজনৈতিক দলৰ সমান্তৰালকৈ বৰ্তমান শাসনৰ গাদীত অধিষ্ঠিত বিজেপিয়ে নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত এই ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ সপক্ষে মত পোষণ কৰি নিৰ্বাচনী বৈতৰণী অতিক্ৰম কৰি শাসনত অধিষ্ঠিত হৈছে। কিন্তু পৰিতাপৰ কথা যে জনগোষ্ঠীকেইটাৰ জনজাতিকৰণৰ সকলো বৈশিষ্ট্য অটুট থকাৰ পাছতো কেৱল ৰাজনৈতিক মুনাফা লাভৰ স্বাৰ্থত জনজাতিকৰণ সন্দৰ্ভত চৰকাৰখনে দাখিল কৰিবলগীয়া প্ৰতিবেদন প্ৰস্তুত কৰিও দাখিল কৰাৰ পৰা বিৰত আছে। বৰ্তমানৰ জনজাতিসকলৰ বিভিন্ন সংগঠনে ওপৰোক্ত ছয় জনগোষ্ঠীৰ জনজাতিকৰণত আপোচ মীমাংসাৰে সন্মতি জনাই অহাৰ সময়তে খোদ মুখ্যমন্ত্ৰীজনে বছৰৰ প্ৰথম দিনটোত প্ৰস্তুত কৰা প্ৰতিবেদন দাখিল কৰিলে ৰক্তাক্ত পৰিস্থিতিৰ সৃষ্টি হ'ব বুলি ঘোষণা কৰি প্ৰকাৰণতে ছয়জনগোষ্ঠীৰ জনজাতিকৰণত সহমত প্ৰকাশ কৰা বৰ্তমানৰ জনজাতিসকলৰ স'তে ছয় *ছয় পৃষ্ঠাত চাওক*

# ডুমডুমাত অসম বিকাশ যোজনাৰ শৌচাগাৰ-প্ৰস্ৰাৱগাৰ জৰাজীৰ্ণ



**ডুমডুমা, ২ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাত অসম বিকাশ যোজনাৰ শৌচাগাৰ-প্ৰস্ৰাৱগাৰৰ জৰাজীৰ্ণ অৱস্থাই ৰাইজৰ চকু কপালত তুলিছে। ডুমডুমা পৌৰ প্ৰশাসনৰ অকৰ্মণ্যতাৰ বাবেই অসম বিকাশ যোজনাৰ অধীনত সুন্দৰকৈ নিৰ্মাণ কৰা শৌচাগাৰ-প্ৰস্ৰাৱগাৰ ধ্বংস হৈ পৰিছে। ডুমডুমা ৰাজহুৱা শ্মশানৰ সমীপত এটা শৌচাগাৰৰ পৰিত্যক্ত ৰূপে ডুমডুমা পৌৰ প্ৰশাসন বা পৌৰ সভাই কি কাম কৰিছে তাৰ ছবি স্পষ্ট কৰি তুলিছে। এই প্ৰস্ৰাৱগাৰৰ কেওদিশে জাবৰ পেলাই পুতি পেলাইছে। প্ৰস্ৰাৱগাৰ ব্যৱহাৰৰ উপযোগী নহয়। ডুমডুমা নগৰত ৰাজহুৱা স্থানত প্ৰস্ৰাৱগাৰৰ অভাৱ যদিও আজি পৰ্যন্ত পূৰণ কৰিব পৰা নাই। থকা কেইটাও ব্যৱহাৰ কৰিব নোৱাৰি। ডুমডুমা নগৰলৈ অহা বিশেষকৈ মহিলাসকলে অধিক সমস্যাৰ সন্মুখীন হৈ আহিছে।

## ৯৮ বছৰীয়া কৈলাশ চন্দ্ৰ দেৱ চৌধুৰীৰ বিয়োগ

**পাটাছাৰকুছি, ২ জানুৱাৰী ঃ** বজালী জিলাৰ অন্তৰ্গত নিত্যনন্দস্থিত পাণবাৰীৰ নিজ বাসভৱনত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক কৈলাশ চন্দ্ৰ দেৱচৌধুৰী (৯৮)ৰ বাৰ্ধক্যজনিত ৰোগত আজি পুৱতি নিশা মৃত্যু হয়। ১৯৫০ত বাগ্‌সা জিলাৰ ৭৩ নম্বৰ গাতি প্ৰাথমিক বিদ্যালয়ত কৰ্মজীৱন আৰম্ভ কৰি ১৯৮৭ত ৩৩১ নম্বৰ কুৰোবাহা প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ লয়। কৰ্মকে ধৰ্ম হিচাপে লৈ কোনোদিনে কৰ্তব্যক অৱহেলা নকৰা দেৱচৌধুৰীয়ে অকল এজন শিক্ষকে নাছিল, তেওঁ এজন সমাজকৰ্মীও আছিল। মানৱ সেৱাই তেওঁৰ পৰম ধৰ্ম আছিল। গোটেই জীৱন তেওঁ খোজ কাঢ়ি অতিবাহিত কৰিছিল। ২০০৮ত অসম ৰাজ্যিক প্ৰাদেশিকীকৃত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত *ছয় পৃষ্ঠাত চাওক*

# বনভোজ দলেৰে লোকাৰণ্য হৈ পৰিছে উত্তৰ-পূবৰ ইলোৰা শ্ৰীশ্ৰী সূৰ্য পাহাৰ মহাপীঠস্থান



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২ জানুৱাৰী ঃ** ইংৰাজী নৱবৰ্ষৰ প্ৰথম দুদিনতে বনভোজ দলেৰে লোকাৰণ্য হৈ পৰিছে উত্তৰ-পূবৰ ইলোৰা তথা দ্বিতীয় কাশীধাম খ্যাত গোৱালপাৰা জিলাৰ ঐতিহ্যমণ্ডিত সূৰ্য পাহাৰ মহাপীঠস্থান। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰে ভৰপূৰ ইতিহাস প্ৰসিদ্ধ সূৰ্যপাহাৰ পাহাৰ মহাপীঠস্থান হ'ল হিন্দু, জৈন আৰু বৌদ্ধ ধৰ্মৰ মিলনস্থলী। বহু ঐতিহাসিক সমল থকা শ্ৰীশ্ৰী সূৰ্যপাহাৰত এক লাখৰ এটা কম শিৱ লিংগ আছে। প্ৰতি বছৰে নৱেম্বৰৰ পৰা এপ্ৰিললৈকে দৰ্শনাৰ্থী আৰু বনভোজ দলৰ লোকেৰে পৰিপূৰ্ণ হৈ থাকে। ইপিনে, ইংৰাজী নৱবৰ্ষ উদ্‌যাপনৰ বাবেও সূৰ্যপাহাৰ মহাপীঠস্থানত হেজাৰ হেজাৰ লোকৰ আগমন ঘটে। এইবেলিও পহিলা আৰু দ্বিতীয় জানুৱাৰীত শ্ৰীশ্ৰী সূৰ্যপাহাৰ মহাপীঠস্থানত লোকে লোকাৰণ্য হৈ *ছয় পৃষ্ঠাত চাওক*

## প্ৰয়াত সাংবাদিক আদিত্য শইকীয়াৰ স্মৃতিচাৰণ সভা

# বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ পতাকা আৰু সাহিত্য সভাৰ পতাকা অৰ্ধনমিত

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২ জানুৱাৰী ঃ** বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি, জ্যেষ্ঠ সাংবাদিক আদিত্য শইকীয়াৰ মৃত্যুত মৰ্মাহত হৈ পৰিছে ডিব্ৰুগড়ৰ সাংবাদিক মহল। বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবত আজি এক স্মৃতিচাৰণ সভা অনুষ্ঠিত হোৱাৰ লগতে ক্লাবৰ পতাকা অৰ্ধনমিত কৰি ৰখা হয়। ক্লাবৰ সাধাৰণ সম্পাদক ৰাতুল গোহাঁইয়ে আঁত ধৰা স্মৃতিচাৰণ সভাত ক্লাবৰ উপদেষ্টা ৰাজীৱ বৰগোহাঞিয়ে প্ৰয়াত সাংবাদিকজনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়াই মাল্যাৰ্পণ কৰে। ৰাজীৱ বৰগোহাঞিয়ে সাংবাদিকজনৰ মৃত্যুত গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁৰ সান্নিধ্য ৰোমন্থন কৰাৰ লগতে ড° শশীকান্ত শইকীয়াই সাংবাদিকতাৰ পূৰ্বৰ পৰাই বৰ্তমান মৃত্যুৰ সময়লৈকে সাংবাদিকজনৰ স'তে লাভ কৰা বিভিন্ন স্মৃতি ৰোমন্থন কৰি এগৰাকী নিৰ্ভীক সাংবাদিকৰ মৃত্যু সমাজখনৰ বাবেই অপূৰণীয় ক্ষতি বুলি কয়। আনহাতে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰাই সাংবাদিকজনৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ছাত্ৰ অৱস্থাৰ পৰাই এগৰাকী সু-সংগঠক হিচাপে পৰিচয় দি বিভিন্ন সামাজিক কাম-কাজতো মনোনিৱেশ কৰি অহাৰ সন্দৰ্ভত উল্লেখ কৰে। শেহতীয়াকৈ সংবাদ ক্ষেত্ৰৰ জৰিয়তে নিজৰ জাতীয়তাবাদী চিন্তাধাৰাৰে আগবাঢ়ি বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ মজিয়াৰ পৰাও *ছয় পৃষ্ঠাত চাওক*

# মুখ্যমন্ত্ৰীৰ মন্তব্যক উচটনিমূলক আখ্যা আক্ৰাছুৰ

## জনজাতিকৰণ প্ৰসংগত বিভ্ৰান্তিমূলক মন্তব্য

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২ জানুৱাৰী ঃ** বছৰৰ প্ৰথমটো দিনতেই জনজাতিকৰণ সন্দৰ্ভত বক্তব্য ৰাখিবলৈ গৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যি বিভ্ৰান্তিমূলক মন্তব্য আগবঢ়ালে তাত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছু জাঙুৰ খাই উঠিছে। লক্ষ্যণীয় যে কালি মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত কৈছিল যে জনজাতিকৰণৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিলেই অসম ৰক্তাক্ত হ'ব। মুখ্যমন্ত্ৰীৰ এনে ধৰণৰ মন্তব্যক উচটনিমূলক আৰু দুৰ্ভাগ্যজনক মন্তব্য বুলি আখ্যা দিছে আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি দ্বীপেন ৰায় আৰু সাধাৰণ সম্পাদকদ্বয় কেশৱ ৰায় আৰু সঞ্জয় ৰায়ে। এক বিবৃতিৰ জৰিয়তে আক্ৰাছুৰ শীৰ্ষ নেতৃত্বই কয় যে অসমৰ কোচ ৰাজবংশীকে ধৰি আন পাঁচটা জনগোষ্ঠীয়ে কাৰো *ছয় পৃষ্ঠাত চাওক*

# গৰিয়া জাতীয় পৰিষদৰ নগাঁও জিলা সমিতি গঠন

বিশেষ সংবাদদাতা

**নগাঁও, ২ জানুৱাৰী ঃ** সদৌ অসম গৰিয়া জাতীয় পৰিষদৰ এখন সাধাৰণ সভা আজি নগাঁও পৰ্যটন নিবাসত অনুষ্ঠিত হয়। পৰিষদৰ নগাঁও সদৰ আঞ্চলিক সমিতি গঠনৰ উদ্দেশ্যে অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মইনুল ইছলামে অসমৰ গৰিয়া সম্প্ৰদায়ৰ লোকসকলৰ বিভিন্ন সমস্যাৰ কথা উল্লেখ কৰি কয় যে অসমৰ গৰিয়াসকলে ৰাজ্যখনৰ ভাষা, সংস্কৃতি, অৰ্থনীতি আদি সকলো ক্ষেত্ৰতে অৱদান আগবঢ়াই আহিছে। তাৰ পাছতো অসমৰ গৰিয়াসকল বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। এই লোকসকলৰ সমস্যাসমূহ সমাধান কৰিবৰ বাবে গৰিয়া জাতীয় পৰিষদ সংগঠন শক্তিশালী কৰি তুলিব লাগিব। সভাত *ছয় পৃষ্ঠাত চাওক*

## লক্ষাধিক লোকৰ সমাগম ঃ নৃত্য-গীতত মুখৰিত সৌন্দৰ্যৰাণী বগামাটি



# বছৰটোৰ প্ৰথমটো দেওবাৰে লোকে লোকাৰণ্য বগামাটি পৰ্যটনস্থলী

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২ জানুৱাৰী ঃ** ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে সমগ্ৰ বিশ্বতে বিধ্বস্ত হৈ পৰিছিল সাধাৰণ জীৱন। ক'ভিডসৃষ্ট পৰিৱেশৰ কিছু উন্নত হোৱাৰ লগে লগে নৱবৰ্ষক আদৰিবলৈ চহৰ-নগৰ-গ্ৰামাঞ্চলৰ লোকসকল হৈ পৰে উৎসাহিত। লগে লগে প্ৰাণ প্ৰায় উঠিছে ৰাজ্যৰ পৰ্যটনথলিসমূহ। বাগ্‌সা জিলাৰ তামুলপুৰ মহকুমাৰ ভাৰত-ভূটান সীমান্তত অৱস্থিত প্ৰকৃতিৰ ৰম্যভূমি পৰ্যটনস্থলী বগামাটিলৈ এইবাৰ পৰ্যটকৰ লানি নিছিগা সোঁত বোৱা পৰিলক্ষিত হৈছে। আজি ২০২২ৰ জানুৱাৰী মাহৰ প্ৰথমটো দেওবাৰে প্ৰকৃতিৰাণী বগামাটিলৈ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা বনভোজকাৰী দলৰ উপস্থিত হোৱা দেখা যায়। পুৱাৰে পৰা বাছ, চাৰিচকীয়া বাহন, দুচকীয়া বাহনেৰে বগামাটিত *ছয় পৃষ্ঠাত চাওক*

## কনভয়ত ১২ কোটিৰ গাড়ী ব্যৱহাৰ কৰা ব্যক্তি ‘সন্ন্যাসী’ হয় কেনেকৈঃ প্ৰশ্ন সঞ্জয় ৰাউটৰ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২ জানুৱাৰী ঃ** শিৱসেনাৰ সাংসদ সঞ্জয় ৰাউটে দলৰ মুখপত্ৰ ‘সামনা’ত আকৌ এবাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কটাক্ষ কৰিলে। শিৱসেনাৰ সাংসদজনে কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে এতিয়া নিজকে সন্ন্যাসী বুলি কোৱাটো অনুচিত কিয়নো তেওঁৰ কনভয়ত ১২ কোটি টকাৰ গাড়ী অন্তৰ্ভুক্ত হ’ল। ৰাউটে লগতে কয় যে যোৱা ২৮ ডিচেম্বৰত সংবাদ মাধ্যমত প্ৰধানমন্ত্ৰী মোদীৰ নিৰাপত্তাৰ বাবে ১২ কোটিটকীয়া মূল্যৰ গাড়ী চৰকাৰে ক্ৰয় কৰাৰ এক বাতৰি ফটোসহ প্ৰকাশ পাইছিল। ‘এজন ব্যক্তিয়ে নিজকে সন্ন্যাসী, প্ৰধান সেৱক বুলি দাবী কৰি আহিছে আৰু সেইজন ব্যক্তিয়ে বিদেশত তৈয়াৰ কৰা গাড়ী ব্যৱহাৰ কৰে। প্ৰধানমন্ত্ৰীৰ নিৰাপত্তা আৰু আৰাম গুৰুত্বপূৰ্ণ বিষয় যদিও এতিয়াৰে পৰা প্ৰধান সেৱকে এই কথা কোৱাটো উচিত নহ’ব যে তেওঁ এজন সন্ন্যাসী।’ ৰাউটে দলৰ মুখপত্ৰত এইদৰে কয়।

## আমেৰিকাত বাঢ়িছে অ’মিক্ৰন, বিপদগ্ৰস্ত হ’ব পাৰে অৰ্থনীতি, শংকা বিশেষজ্ঞৰ



**নিউজ ব্যুৰ’, নিউ য়ৰ্ক, ২ জানুৱাৰী ঃ** আমেৰিকাত কৰ’নাৰ সংক্ৰমণ পুনৰ উদ্বেগজনক হাৰত বৃদ্ধি পাইছে। ইতিমধ্যে স্বাস্থ্য বিশেষজ্ঞই সতৰ্ক কৰি কৈছে যে যিদৰে ক’ভিডৰ নতুন প্ৰজাতি অ’মিক্ৰনৰ সংক্ৰমণ দেশখনত বৃদ্ধি পাবলৈ ধৰিছে তাৰ প্ৰতি লক্ষ্য ৰাখিলে ২০২২ৰ আৰম্ভণিতে আমেৰিকাবাসীৰ দৈনন্দিন জীৱনলৈ আমূল পৰিৱৰ্তনৰ আগমন হ’ব পাৰে। ব্ৰাউন ইউনিভাৰচিটী স্কুল অৱ পাব্লিক হেল্থৰ ইমাৰজেন্সী মেডিচিনৰ অধ্যাপক মেগান ৰানীয়ে কয়, ‘অ’মিক্ৰন সৰ্বত্ৰ বিয়পিছে। পৰিস্থিতি এনে হৈছে যে আগন্তুক কে’বা মাহৰ ভিতৰত আমাৰ অৰ্থনীতি ভাঙি পৰিব বুলি শংকা হৈছে। ফেডাৰেল চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ নীতিৰ কাৰণে নহয়, বৰঞ্চ অনেক লোক অসুস্থ হোৱাৰ ফলত আমাৰ অৰ্থনীতি ভাঙি পৰিব পাৰে।’ জন্স হপকিন্স ইউনিভাৰচিটীৰ শেষতীয়া তথ্য অনুসৰি, বিগত সাতদিনত ক’ভিডৰ সংক্ৰমণে নতুন অভিলেখ ৰচিলে আমেৰিকাত। যোৱা শুকুৰবাৰে দেশখনত ৩,৮৬,০০০ ৰো অধিক লোক কৰ’নাত সংক্ৰমিত হৈছিল। কেৱল নিউ য়ৰ্কতে শনিবাৰে ৮৫,৪৭৫ জন লোক কৰ’নাত আক্ৰান্ত হৈছিল। নিউ য়ৰ্কত বিগত সাতদিনত আক্ৰান্তৰ হাৰ আছিল ১৯.৭৯ শতাংশ।

## উত্তৰাখণ্ডত নবোদয় বিদ্যালয়ত ৮২ শিক্ষাৰ্থী হ’ল কৰ’না সংক্ৰমিত



**নিউজ ব্যুৰ’, গৰমপানী, ২ জানুৱাৰী ঃ** ভবালি-অলমূড়া ৰাষ্ট্ৰীয় ঘাইপথস্থিত গংগৰকোট ছুয়ালবাৰীৰ জৱাহৰ নবোদয় বিদ্যালয়ত ৮২ গৰাকী শিক্ষাৰ্থী কৰ’নাত আক্ৰান্ত হ’ল। একেটা অঞ্চলৰে ৰাজকীয় প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত শিক্ষক এজনো কৰ’নাত সংক্ৰমিত হৈছে। যোৱা বুধ আৰু শুকুৰবাৰেও ১১ ছাত্ৰ-ছাত্ৰীৰ স’তে বিদ্যালয়ৰ প্ৰধান আচাৰ্যৰ ক’ভিড পৰীক্ষণৰ ফলাফল ‘পজিটিভ’ হৈছিল। সম্প্ৰতি আক্ৰান্ত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক পৃথক আৱাসত ৰখা হৈছে।

## ত্ৰিপুৰাত পুনৰ বাতিল অভিষেকৰ সভা, প্ৰতিক্ৰিয়া তৃণমূল কংগ্ৰেছৰ



**নিউজ ব্যুৰ’, আগৰতলা, ২ জানুৱাৰী ঃ** অন্তিম মুহূৰ্তত বাতিল হ’ল ত্ৰিপুৰাৰ আগৰতলাৰ বড়মূড়া ইক’ল’জিকেল পাৰ্কৰ অভিষেক বেনাৰ্জীৰ সভা। আদিবাসী সম্প্ৰদায়ক এই সভাতে বেনাৰ্জীয়ে সম্বোধন কৰাৰ কথা আছিল। আৰক্ষীয়ে অনুমতি নিদিয়াত তৃণমূল কংগ্ৰেছে এই সভা বাতিল কৰিবলৈ বাধ্য হ’ল। সভা বাতিলৰ পাছত তৃণমূল কংগ্ৰেছে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী বিপ্লৱ দেৱ আৰু বিজেপিয়ে ভয় খোৱা হেতুকে এইদৰে তৃণমূল কংগ্ৰেছক ত্ৰিপুৰাবাসীৰ পৰা আঁতৰাই ৰাখিবলৈ কূটকৌশল অৱলম্বন কৰিছে।

**ইজৰাইলত বিশ্বৰ প্ৰথমজন ফ্লৰ’না আক্ৰান্ত ৰোগীক চিনাক্ত ঃ ৰোগীৰ ৰোগ প্ৰতিৰোধ ব্যৱস্থাটো অকামিলা হৈ পৰে**

# কৰ’নাৰ ত্ৰাসৰ মাজতে ফ্লৰ’নাৰ আগমন ঃ কি এই ৰোগ, কিয় হয়?

**নিউজ ব্যুৰ’ জেৰুজালেম, ২ জানুৱাৰী ঃ** কৰ’নাৰ আঘাতত ক্ষত-বিক্ষত সমগ্ৰ বিশ্ব। ডেল্টাৰ পাছত অ’মিক্ৰনৰ সংক্ৰমণে একাধিক দেশত পুনৰ কঠিন পৰিস্থিতিৰ সৃষ্টি কৰিছে। ইয়াৰ মাজতে মানৱ দেহত প্ৰৱেশ কৰিলে ফ্লৰ’নাই। ফ্লৰ’নাৰ অৰ্থ হৈছে ফ্লু (জ্বৰ) আৰু কৰ’নাৰ সংক্ৰমণ। বিশেষজ্ঞৰ তথ্য অনুসৰি, ফ্লৰ’নাত আক্ৰান্ত হ’লে মানৱ দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতা সম্পূৰ্ণৰূপে দুৰ্বল হয়। জানিব পৰা মতে, মানৱ শৰীৰত ইনফ্লুয়েঞ্জা ভাইৰাছ আৰু ছাৰ্ছ ক’ভ-২ ভাইৰাছ একেলগে প্ৰৱেশ কৰিলে ব্যক্তি এজন ফ্লৰ’নাত আক্ৰান্ত হয়। সম্প্ৰতি ইজৰাইলত বিশ্বৰ প্ৰথমজন ফ্লৰ’না আক্ৰান্ত ৰোগীক চিনাক্ত কৰা হৈছে। দেশখনৰ এখন চিকিৎসালয়ত ভৰ্তি হোৱা মহিলাৰ শৰীৰত ফ্লৰ’নাৰ সংক্ৰমণ ধৰা পৰে। ইজৰাইলৰ সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰিত কোৱা হৈছে যে উক্ত মহিলাই ইনফ্লুয়েঞ্জা আৰু ক’ভিডৰ প্ৰতিষেধক গ্ৰহণ কৰা নাছিল। ইজৰাইলত সম্প্ৰতি ইনফ্লুয়েঞ্জাত আক্ৰান্ত মহিলা ৰোগী ক’ভিডত সংক্ৰমিত হ’ল।

বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা অনুসৰি, ‘ফ্লৰ’নাৰ কাৰণ হৈছে দেহত যেতিয়া একেলগে কৰ’না আৰু ইনফ্লুয়েঞ্জাৰ সংক্ৰমণ হয়। ফলত মানৱ শৰীৰত ৰোগ প্ৰতিৰোধ ব্যৱস্থাটো অকামিলা হৈ পৰে। অৱশ্যে দুই ভাইৰাছ প্ৰতিৰোধী



টিকাগ্ৰহণ কৰিলে ফ্লৰ’নাৰ সংক্ৰমণ প্ৰতিৰোধ সম্ভৱ।’ হাঁচি, কাহ তথা কথা কোৱাৰ সময়ত নাক-মুখৰে এই দুই ভাইৰাছে শ্বাসতন্ত্ৰত প্ৰৱেশ কৰে। আনকি স্পৰ্শৰ জৰিয়তেও এই দুবিধ ভাইৰাছ বিয়পিব পাৰে। আক্ৰান্ত ৰোগীৰ ক্ষেত্ৰত নিউম’নিয়া, হাওঁফাওঁৰ ৰোগ, একাধিক অংগ বিকল হোৱা, হাৰ্ট এটেক, ব্ৰেইন ষ্ট্ৰ’কত মৃত্যু হোৱাৰ শংকাও থাকে। বিশেষকৈ অন্যান্য ৰোগত আক্ৰান্ত ব্যক্তিৰ বাবে ফ্লৰ’নাৰ সংক্ৰমণ অতি বিপজ্জনক হ’ব পাৰে। ফ্লুৰ লক্ষণ তিনিৰ পৰা চাৰিদিনৰ ভিতৰত প্ৰত্যক্ষ হয় আৰু কৰ’নাৰ লক্ষণ ১৪ দিনলৈকে সাধাৰণতে থাকে। কাহ, ছৰ্দি, জ্বৰ দীৰ্ঘদিন হৈ থাকিলে আৰ টি পি চি আৰ পৰীক্ষা কৰোৱা উচিত। ফ্লৰ’না হ’লে ৰোগীয়ে নিভৃতবাসত থকা জৰুৰী। তদুপৰি চিকিৎসকৰ পৰামৰ্শ লৈ দৰৱ গ্ৰহণ কৰিলে নিৰ্দিষ্ট সময়ৰ ভিতৰত সুস্থ হ’ব পাৰি।



## হিমাচল প্ৰদেশত পৰ্যটকৰ বাছ বাগৰি নিহত কমেও এজন


**নিউজ ব্যুৰ’, বিলাসপুৰ, ২ জানুৱাৰী ঃ** হিমাচল প্ৰদেশৰ বিলাসপুৰত এক ভয়াৱহ দুৰ্ঘটনা সংঘটিত হ’ল। খাৰঘাটত দুখনকৈ পৰ্যটকৰ বাছ বাগৰি পৰাৰ ফলত কমেও এজন ব্যক্তিৰ মৃত্যু হ’ল। এই দুৰ্ঘটনাত কমেও ১৪ জন লোক গুৰুতৰভাৱে আহত হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, খাৰঘাটত আজি পুৱা পৰ্যটকক কঢ়িয়াই নিয়া দুখনকৈ বাছৰ চালকে নিয়ন্ত্ৰণ হেৰুৱাই বাছ দুখন ৰাজপথতে বাগৰি পৰে। ঘটনাস্থলীতে এজন যাত্ৰীৰ মৃত্যু হোৱাৰ লগতে ১৪ জন লোক গুৰুতৰভাৱে আহত হয়।

## ফ্ৰান্সত একেৰাহে চতুৰ্থদিন দুই লাখৰ অধিক হ’ল অ’মিক্ৰন আক্ৰান্ত



**নিউজ ব্যুৰ’, পেৰিছ, ২ জানুৱাৰী ঃ** ফ্ৰান্সত ক’ভিড-১৯ৰ সংক্ৰমণ দ্ৰুতগতিত বৃদ্ধি পাইছে। ক’ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি দেশখনৰ চৰকাৰে ছবছৰ আৰু ততোধিক বয়সৰ শিশুৰ ক্ষেত্ৰত ৰাজহুৱা স্থানত মাস্ক পৰিধান বাধ্যতামূলক ঘোষণা কৰিলে। ফ্ৰান্সত একেৰাহে চতুৰ্থদিনত কৰ’নাৰ নতুন প্ৰজাতি অ’মিক্ৰনৰ দুই লাখৰো অধিক লোক আক্ৰান্ত হ’ল। চৰকাৰে ইতিমধ্যে ক’ভিড সতৰ্কতা জাৰি কৰিছে। অৱশ্যে বিদ্যালয়সমূহ এতিয়াই বন্ধ কৰাৰ সিদ্ধান্ত চৰকাৰে লোৱা নাই। ইয়াৰ পৰিৱৰ্তে ৰাজহুৱা স্থানত সকলো লোকৰ বাবে মাস্কৰ পৰিধান বাধ্যতামূলক কৰা হৈছে। নতুন বছৰৰ প্ৰথমদিনা ফ্ৰান্সত ২,১৯,১২৬ জন লোক কৰ’নাত আক্ৰান্ত হৈছিল। ইয়াৰে সৰ্বাধিকসংখ্যক ৰোগী অ’মিক্ৰন প্ৰজাতিত সংক্ৰমিত হৈছিল। ফ্ৰান্স চৰকাৰে দেশৰ অৰ্থ ব্যৱস্থাক প্ৰভাৱিত নকৰাকৈ ক’ভিড পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব বিচাৰিছে। সেয়েহে বৰ্তমানলৈকে দেশখনত তলাবন্ধ আৰু সান্ধ্যআইন বলৱৎ কৰা হোৱা নাই। অৱশ্যে পানশালা, চিত্ৰগৃহ, ষ্টেডিয়াম আদি বন্ধ ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে।

## সাম্প্ৰদায়িক সম্প্ৰীতিৰ বিৰল নিদৰ্শন পাকিস্তানত, মন্দিৰত পূজা-অৰ্চনা পাঁচ হিন্দু ৰাষ্ট্ৰৰ



**নিউজ ব্যুৰ’, লাহোৰ, ২ জানুৱাৰী ঃ** সলনি হ’ল পাকিস্তান। হিন্দুৰ মন্দিৰ ধ্বংস কৰিছিল মৌলবাদীয়ে। প্ৰায় এবছৰ পাছত বৃহৎ পৰিমাণৰ ধন ব্যয় কৰি শতাব্দী প্ৰাচীন হিন্দুৰ মন্দিৰটো পুনৰ নিৰ্মাণ কৰিলে পাকিস্তানৰ ইমৰান খানৰ চৰকাৰে। নতুন বছৰৰ প্ৰথম দিনাই এই মন্দিৰত ভাৰত, আমেৰিকা, ছৌদি আৰৱসহ পাঁচ দেশৰ কমেও এহেজাৰ হিন্দুৱে পূজা-অৰ্চনা কৰিলে। খাইবাৰ পাখটুনখোৱা প্ৰদেশৰ কৰক জিলাৰ টেৰীগাঁৱত শতাব্দী প্ৰাচীন মহাৰাজ পৰমহংসজীৰ মন্দিৰ আছে আৰু ১৯৯৭ত উক্ত মন্দিৰত মৌলবাদীয়ে প্ৰথম আক্ৰমণ সংঘটিত কৰিছিল। ইয়াৰ পাছত ২০২০ৰ ৩০ ডিচেম্বৰতো মন্দিৰটোত উন্মত্ত জনতাই আক্ৰমণ কৰি লণ্ডভণ্ড কৰিছিল। পাকিস্তান চৰকাৰে প্ৰায় চাৰে তিনি কোটি টকা খৰচ কৰি এই মন্দিৰটো পুনৰ নিৰ্মাণ সম্পন্ন কৰিলে। নৱবৰ্ষৰ প্ৰথমদিনাৰ পৰাই এই মন্দিৰত পুনৰ উপাসনা আৰম্ভ হ’ল।

## তিনিদিনত দিল্লীত তিনিগুণ বৃদ্ধি সংক্ৰমণ, কেজৰিৱালে ক’লে ‘শংকিত নহ’ব’

**নিউজ ব্যুৰ’, নতুন দিল্লী, ২ জানুৱাৰী ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে কয় যে কৰ’নাত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে যদিও ইয়াৰ বাবে ৰাজধানীবাসী আতংকিত হোৱাৰ প্ৰয়োজন নাই। মুখ্যমন্ত্ৰীজনে কয় যে সম্প্ৰতি দিল্লীত ক’ভিডৰ দৈনিক সংক্ৰমণ আঢ়ৈৰ পৰা তিনি হেজাৰৰ ভিতৰত আছে। সক্ৰিয় ৰোগীৰ সংখ্যা কম সময়ৰ ভিতৰত বৃদ্ধি পাইছে। এই মুহূৰ্তত দিল্লীত ৬,৩৬০ জন সক্ৰিয় ক’ভিড ৰোগী আছে। তিনিদিন পূৰ্বে দিল্লীত ২,১৯০ জন সক্ৰিয় কৰ’না ৰোগী আছিল। ২৯ ডিচেম্বৰত সক্ৰিয় ৰোগীৰ সংখ্যা আছিল দুহেজাৰ। অৰ্থাৎ দেশৰ ৰাজধানীত মাত্ৰ তিনিদিনত তিনিগুণ বৃদ্ধি পালে কৰ’নাত সক্ৰিয় ৰোগীৰ সংখ্যা। যোৱা ২৯ ডিচেম্বৰত দিল্লীত ২৬২ জন কৰ’না ৰোগীক চিনাক্ত কৰা হৈছে। কালি দেশৰ ৰাজধানীত নতুনকৈ ১৪৭ কৰ’না ৰোগীক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। ক’ভিড পৰিস্থিতি পুনৰ জটিল হোৱাৰ শংকাত দিল্লী চৰকাৰে ইতিমধ্যে ৩৭,০০০ খন অক্সিজেনযুক্ত শয্যাৰ ব্যৱস্থা কৰিছে আৰু সম্প্ৰতি মাত্ৰ ৮২ শৰ্য্যাতহে ৰোগী আছে।



## ভাৰতীয়ৰ ভিছানীতি সলনি কৰিব ব্ৰিটেইনে

**নিউজ ব্যুৰ’, লণ্ডন, ২ জানুৱাৰী ঃ** অচিৰে ব্ৰিটেইনে ভিছানীতি সলনি কৰাৰ সম্ভাৱনা আছে। ভাৰতীয়সকলৰ বাবে ব্ৰিটেইনে অভিবাসী নীতি যথেষ্ট শিথিল কৰিব পাৰে। ব্ৰিটেইনৰ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি, ব্ৰিটেইনৰ বৈদেশিক মন্ত্ৰী লিজ ট্ৰাছে বিশ্ব বাণিজ্য মঞ্চত চীনৰ আধিপত্যক বাধা দিবলৈ ভাৰতৰ স’তে নতুন বাণিজ্য নীতি ৰূপায়ণৰ কথা চিন্তা-চৰ্চা কৰিছে। এই লক্ষ্যৰে ব্ৰিটেইনে ভিছানীতিত কিছু পৰিৱৰ্তন আনিব বিচাৰিছে। ইয়াৰ ফলত লাভৱান হ’ব ব্ৰিটেইনত বসবাস কৰা ভাৰতীয়সকল। অহা সপ্তাহৰ পৰা ভাৰত-ব্ৰিটেইন বাণিজ্য বৈঠক অনুষ্ঠিত হোৱাৰ কথা।




## প্ৰবল খাদ্য সংকটৰ মুখত উত্তৰ কোৰিয়া, উৎপাদন বৃদ্ধিৰ নিৰ্দেশ কীমৰ

**নিউজ ব্যুৰ’ পিয়ংইয়ং, ২ জানুৱাৰী ঃ** দেশত খাদ্য সংকটে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। এনে পৰিস্থিতিত উত্তৰ কোৰিয়াত খাদ্য শস্যৰ উৎপাদন বৃদ্ধিত গুৰুত্ব দিবলৈ জৰুৰীকালীন নিৰ্দেশ দিলে দেশখনৰ কমিউনিষ্ট শাসক কীম জং উনে। উত্তৰ কোৰিয়াৰ চৰকাৰী সংবাদ মাধ্যমৰ সূত্ৰৰ বাতৰি অনুসৰি, ২০২১ৰ অন্তিম দিনত দলৰ কেন্দ্ৰীয় সমিতিৰ স’তে বৈঠকত অংশ লৈছিল কীমে। এই বৈঠকতে কীমে উত্তৰ কোৰিয়াত খাদ্য শস্যৰ উৎপাদন বৃদ্ধিত গুৰুত্ব আৰোপ কৰিলে। পূৰ্বে এই বৈঠকত কীমে সামৰিক ক্ষেত্ৰত গুৰুত্ব দিয়াৰ কথা প্ৰকাশ কৰিছিল। কিন্তু এইবাৰ সুৰ সলনি কৰি



কীমে উত্তৰ কোৰিয়াত সম্প্ৰতি দেখা দিয়া খাদ্য সংকটৰ সমাধানত গুৰুত্ব দিবলৈ প্ৰশাসনৰ শীৰ্ষ বিষয়াক নিৰ্দেশ দিলে। ‘দেশৰ খাদ্য, বস্ত্ৰ আৰু আৱাসন সংকটৰ সন্ধানত আমি যুদ্ধকালীন তৎপৰতাৰে কাম-কাজ কৰিব লাগিব। আমাৰ দেশৰ কৃষিৰ উৎপাদন বঢ়াব লাগিব।’ বৈঠকত কীমে এইদৰে মতপোষণ কৰে। উল্লেখ্য যে পূৰ্বে কীমে দেশবাসীক আগন্তুক চাৰি বছৰলৈকে কমাই আহাৰ গ্ৰহণ কৰিবলৈ আহ্বান জনাই কৈছিল যে কৃষি ক্ষেত্ৰত চাহিদাৰ তুলনাত উৎপাদন যথেষ্ট কম হোৱা হেতুকে খাদ্যভাৱে দেখা দিছে আৰু এই অৱস্থাত সকলো লোকে কম পৰিমাণত খাদ্য গ্ৰহণ কৰা উচিত।

# ২৪ ঘণ্টাত দেশত ২১ শতাংশ বৃদ্ধি কৰ’নাৰ সংক্ৰমণ, ডেৰ হেজাৰ হ’ল অ’মিক্ৰন আক্ৰান্ত

**নিউজ ব্যুৰ’ নতুন দিল্লী, ২ জানুৱাৰী ঃ** দেশজুৰি কৰ’নাৰ নতুন প্ৰজাতি অ’মিক্ৰনৰ প্ৰজাতি সংক্ৰমণ দ্ৰুত বৃদ্ধি পাইছে। দেওবাৰলৈকে দেশত অ’মিক্ৰন আক্ৰান্তৰ সংখ্যা ১৫২৫ জনলৈ বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, দেশৰ ভিতৰতে সৰ্বাধিক অ’মিক্ৰন আক্ৰান্তৰ সংখ্যা মহাৰাষ্ট্ৰত হৈছে। ৰাজ্যখনত ৪৬০ জন লোক ক’ভিডৰ নতুন প্ৰজাতিৰ



সংক্ৰমিত হৈছে। ইফালে, দেশত কৰ’নাৰ দৈনিক সংক্ৰমণ মাত্ৰ এদিনতে ২১ শতাংশ বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ২৭,৫৫৩ জন লোক কৰ’নাত আক্ৰান্ত হ’ল। আনহাতে, বিগত ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছে দেশত ২৮৪ জন লোকৰ প্ৰাণ কাঢ়িলে। ৰাজধানী দিল্লীতো বিগত এদিনত ৫০ শতাংশ কৰ’নাৰ সংক্ৰমণ বৃদ্ধি পালে। দেওবাৰে দিল্লীত কৰ’নাত আক্ৰান্ত হ’ল ২৭১৬ জন লোক।

## কেজৰিৱালে ক’লে ‘পূৰ্বৰ চৰকাৰে শ্মশান-কবৰস্থান বনাইছিল, আমাক সুযোগ দিলে বিদ্যালয়-চিকিৎসালয় নিৰ্মাণ কৰিম’



**নিউজ ব্যুৰ’, লক্ষ্ণৌ, ২ জানুৱাৰী ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে আজি লক্ষ্ণৌত স্মৃতি উপবনত এখন জনসভা সম্বোধন কৰি উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথৰ লগতে পূৰ্বৰ আন সকলো চৰকাৰক কঠোৰভাৱে সমালোচনা কৰিলে। কেজৰিৱালে কয় যে ২০১৭ত বিজেপিৰ এজন প্ৰভাৱশালী নেতাই কৈছিল যে কবৰস্থান নিৰ্মাণ হ’লে শ্মশানো নিৰ্মাণ হ’ব লাগে। ‘পূৰ্বৰ চৰকাৰে উত্তৰ প্ৰদেশত শ্মশান আৰু কবৰস্থান নিৰ্মাণ কৰিলে। আমাক উত্তৰ প্ৰদেশত সুযোগ দিলে আমি বিদ্যালয় আৰু চিকিৎসালয় নিৰ্মাণ কৰিম।’ ভাষণ প্ৰসংগত কেজৰিৱালে উত্তৰ প্ৰদেশবাসীক আজি এইদৰে প্ৰতিশ্ৰুতি দিয়ে। যোগীৰ চৰকাৰে কৰ’নাৰ সংক্ৰমণৰ সময়ত ৰাজ্যবাসীক সহায় কৰা নাছিল বুলিও কেজৰিৱালে অভিযোগ কৰে।

## গেৰাণ্টি আঁচনিৰে উত্তৰাখণ্ডবাসীক আকৰ্ষণৰ চেষ্টা আপৰ



**নিউজ ব্যুৰ’, ডেৰাডুন, ২ জানুৱাৰী ঃ** আম আদমী পাৰ্টি (আপ)য়ে উত্তৰাখণ্ডত অনুষ্ঠিত হ’ব লগা বিধানসভাৰ নিৰ্বাচনত ৰাজ্যবাসীক আকৰ্ষিত কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। আপে ৰাজ্যখনত সাধাৰণ ভোটদাতাক আকৰ্ষণ কৰিবলৈ বিশেষ গেৰাণ্টি আঁচনি গ্ৰহণ কৰিছে। এনে আঁচনিৰ অধীনত অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন দলটোৱে উত্তৰাখণ্ডত দলে পৰৱৰ্তী চৰকাৰ গঠন কৰিলে ৰাজ্যবাসীক বিনামূলীয়া বিদ্যুৎ যোগানৰ লগতে কৰ্মসংস্থাপনৰ নিশ্চয়তা, তীৰ্থযাত্ৰাৰ সুবিধা প্ৰদানৰ প্ৰতিশ্ৰুতি দিছে। আপে দাবী কৰা অনুসৰি দলে আগবঢ়োৱা এনেবোৰ প্ৰতিশ্ৰুতি প্ৰতি উত্তৰাখণ্ডবাসীয়ে বিশেষ সঁহাৰি দিছে। আপে দাবী কৰি কয় যে ইতিমধ্যে ৰাজ্যখনত বিজুলী গেৰাণ্টি আঁচনিৰ জৰিয়তে ১৪.৫০ লাখ লোক, কৰ্মসংস্থাপনৰ নিশ্চয়তা আঁচনিৰ জৰিয়তে ৮.৫২ লাখ লোক আৰু তীৰ্থযাত্ৰাৰ নিশ্চয়তা আঁচনিৰ জৰিয়তে দুই লাখৰো অধিক লোক আপৰ স’তে ইতিমধ্যে জড়িত হৈছে।

## এইবাৰ ‘মেনিকিউন’ৰ মুণ্ডচ্ছেদৰ নিৰ্দেশ তালিবানৰ



**নিউজ ব্যুৰ’, কাবুল, ২ জানুৱাৰী ঃ** যানবাহনত বজাব নোৱাৰিব গান। মহিলাই অকলশৰে দূৰলৈ যাত্ৰা কৰিব নোৱাৰিব। এনেবোৰ নিষেধাজ্ঞা আৰোপৰ পাছত আফগানিস্তানত এক নতুন ফটোৱা জাৰি কৰিলে তালিবানে। কাপোৰ আদিৰ দোকানত ব্যৱহাৰ কৰা ‘মেনিকিউন’ৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপ কৰি তালিবানে এই নিষ্প্ৰাণ পুতলাৰ মুণ্ডচ্ছেদ কৰাৰ নিৰ্দেশ দিলে। তালিবানে দাবী কৰা অনুসৰি এই ধৰণৰ ‘মেনিকিউন’ পুতলা ব্যৱহাৰ কৰাটো শ্বৰীয়ত আইনৰ বিৰোধী। যোৱা আগষ্টত কাবুল দখলৰ পাছৰে পৰা তালিবানে বিভিন্ন নিষেধাজ্ঞা আৰোপ কৰি আহিছে। ইতিমধ্যে দেশখনৰ হেৰাত প্ৰদেশৰ ব্যৱসায়ীসকলক দোকানত ‘মেনিকিউন’ ব্যৱহাৰ নকৰিবলৈ তালিবানে সকীয়নি দিয়াৰ লগতে এনে পুতলা দোকানত প্ৰত্যক্ষ হ’লে তাৰ মুণ্ডচ্ছেদ কৰা হ’ব বুলি ঘোষণা কৰিছে।

## ৰুছ ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী ব্যৱস্থা এছ-৪০০ অহা মাহত পঞ্জাৱত কৰা হ’ব নিয়োগ

**নিউজ ব্যুৰ’, চণ্ডীগড়, ২ জানুৱাৰী ঃ** ভাৰতে ৰাছিয়াত তৈয়াৰী ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী ব্যৱস্থা এছ-৪০০ সীমান্তত নিয়োগ কৰা প্ৰক্ৰিয়া আৰম্ভ কৰিলে। বিশ্বৰ সবাতোকৈ উন্নত প্ৰযুক্তিৰ ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী ব্যৱস্থা হিচাপে পৰিচিত হোৱা এছ-৪০০ ইতিমধ্যে ভাৰতীয় বায়ুসেনাই ৰাছিয়াৰ পৰা লাভ কৰিছে আৰু অহা মাহত পঞ্জাৱৰ বায়ুসেনাৰ এটা ঘাটিত প্ৰথমটো এছ-৪০০ ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী ব্যৱস্থা সংস্থাপন কৰা হ’ব। মূলত চীন আৰু পাকিস্তান সীমান্তত যিকোনো ধৰণৰ ৰকেট, ক্ষেপণাস্ত্ৰ আৰু বিমান আক্ৰমণ প্ৰতিৰোধৰ বাবে ভাৰতে এই উন্নত প্ৰযুক্তিৰ ৰুছ ক্ষেপণাস্ত্ৰ ব্যৱস্থাক নিয়োগ কৰিব। আগন্তুক ছসপ্তাহৰ ভিতৰত পঞ্জাৱৰ বায়ুসেনাৰ ঘাটিত এই ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী ব্যৱস্থাটোৰ সংস্থাপন প্ৰক্ৰিয়া সম্পূৰ্ণ হ’ব বুলি ভাৰতীয় বায়ুসেনাই জানিবলৈ দিয়ে। বিশ্বৰ সবাতোকৈ আধুনিক বায়ু প্ৰতিৰক্ষা ব্যৱস্থা হিচাপে পৰিচিত এছ-৪০০ ভাৰতে লাভ কৰাত দেশৰ বায়ুসেনাৰ শক্তি স্বাভাৱিকতে বৃদ্ধি পাব। এই



প্ৰতিৰক্ষা ব্যৱস্থাই ৪০০ কিলোমিটাৰৰ ভিতৰত শত্ৰুপক্ষৰ ক্ষেপণাস্ত্ৰ, ড্ৰ’ন্, বিমান, ৰকেট ইত্যাদিক চিনাক্ত কৰি আকাশতে ধ্বংস কৰিবলৈ সক্ষম। প্ৰতিৰক্ষা ব্যৱস্থাটোত ছুপাৰছ’নিক আৰু হাইপাৰছ’নিকসহ চাৰি ধৰণৰ ক্ষেপণাস্ত্ৰ অন্তৰ্ভুক্ত হৈ আছে। এছ-৪০০ ব্যৱস্থাৰ অন্যতম এক সুবিধা হৈছে এই ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী ব্যৱস্থাটো ভ্ৰাম্যমাণ হোৱা হেতুকে ইয়াক এঠাইৰ পৰা আন ঠাইলৈ সহজে অনা-নিয়া কৰিব পৰা যাব। মাত্ৰ পাঁচৰ পৰা ১০ মিনিটৰ ভিতৰতে এই অত্যাধুনিক ৰুছ ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী ব্যৱস্থাই শত্ৰুপক্ষৰ বিমান, ক্ষেপণাস্ত্ৰ, ৰকেট, ড্ৰ’ন্ ইত্যাদিক আকাশতে ধ্বংস কৰিব পাৰে।

# এমজিএনৰেগা আঁচনিৰ নামত ভৱানীপুৰৰ উন্নয়ন খণ্ডত ব্যাপক অনিয়মৰ অভিযোগ

## তদন্ত দাবীত জিলা উপায়ুক্তলৈ স্মাৰকপত্ৰ প্ৰদান স্থানীয় যুৱকৰ

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ২ জানুৱাৰী ঃ** হাউলীস্থিত ভৱানীপুৰ উন্নয়ন খণ্ডৰ অধীনস্থ মৈৰামাৰা গাঁও পঞ্চায়তত ব্যাপক দুৰ্নীতি তথা অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। মৈৰামাৰা গাঁও পঞ্চায়তৰ ইটাৰভিটা গাঁৱৰ এক আৰু দুই নম্বৰ খণ্ডত এটা দুষ্ট চক্ৰই এমজিএনৰেগাৰ একেটা কামকে এঠাইতে কে'বাবাৰো অনুমোদন কৰি প্ৰথমে সামান্য কাম কৰি সেই কাম দেখুৱাই কে'বাটাও কামৰ অনুমোদনৰ সম্পূৰ্ণ ধন উলিয়াই সমূলি ধন আত্মসাৎ কৰি আহিছে বুলি অভিযোগ উত্থাপিত হৈছে। এই সম্পৰ্কে জিলা উপায়ুক্তক তদন্তৰ দাবীত স্থানীয় যুৱক আৰিফুল ইছলামে এখন স্মাৰকপত্ৰ প্ৰদান কৰিছে। তদুপৰি উক্ত স্মাৰকপত্ৰৰ প্ৰতিলিপি বৰপেটাৰ আৰক্ষী অধীক্ষকলৈও প্ৰেৰণ কৰিছে। উক্ত স্মাৰকপত্ৰত উল্লেখ কৰা মতে, ভৱানীপুৰ উন্নয়ন খণ্ডৰ অধীনস্থ মৈৰামাৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত ইটাৰভিটা গাঁৱত 'লেণ্ড ডেভেলপমেন্ট এণ্ড প্লেনটেছন এট জনপ্ৰিয় এম ই মাদ্ৰাছা ফিল্ড, ইটাৰভিটা, ২০১৯-২০' আৰু 'লেণ্ড ডেভেলপমেন্ট এণ্ড প্লেনটেছন এট ১৩১ নম্বৰ ইটাৰভিটা অংগনৱাড়ী ছেণ্টাৰ নিয়াৰ জনপ্ৰিয় এম ই মাদ্ৰাছা, ইটাৰভিটা, ২০১৭-১৮' নামৰ দুটা এমজিএনৰেগা আঁচনিৰ কাম ৰূপায়ণ কৰা দেখুৱাইছে। কিন্তু একেখন পথাৰতে দুবছৰত দুটা আঁচনিৰ নাম কিছু কৌশলগতভাৱে সলনি কৰি আঁচনিৰ ধন আত্মসাৎ কৰিছে বুলি স্মাৰকপত্ৰত উল্লেখ কৰা হৈছে। তদুপৰি 'আৰ্ট ফিলিং এণ্ড প্লেনটেচন এট মিলনজ্যোতি জুনিয়ৰ কলেজ, ইটাৰভিটা, ২০১৭-১৮', 'আৰ্ট ফিলিং এণ্ড প্লেনটেচন এট মিলনজ্যোতি জুনিয়ৰ কলেজ, ইটাৰভিটা, ছেকেন ফেজ, ২০১৯-২০২০', 'আৰ্ট ফিলিং এণ্ড প্লেনটেচন মিলনজ্যোতি কলেজ, ইটাৰভিটা, ২০২০-২১' নামৰ তিনিটা এমজিএনৰেগা আঁচনিৰ কাম ৰূপায়ণ কৰা দেখুৱা হৈছে; কিন্তু ইয়াতো একেখন ফিল্ডতে তিনিটা আঁচনিৰ নাম কিছু কৌশলগতভাৱে সলনি কৰি আঁচনিৰ ধন আত্মসাৎ কৰিছে বুলিও স্মাৰকপত্ৰত উল্লেখ কৰিছে। প্ৰকৃততে মিলনজ্যেতি জুনিয়ৰ মহাবিদ্যালয় আৰু মিলনজ্যেতি ছিনিয়ৰ মহাবিদ্যালয় দুখন এখন পথাৰতে অৱস্থিত। অতি কৌশলগত ভাবে কোনোবা আঁচনিত জুনিয়ৰত ব্যৱহাৰ কৰিছে, কোনোবা আঁচনিত জুনিয়ৰ ব্যৱহাৰ কৰা নাই। এনেকৈ বাৰে বাৰে মাটি পেলোৱা আৰু বৃক্ষৰোপণৰ নামত আঁচনি অনুমোদন কৰি ধন আত্মসাৎ কৰি আহিছে। উল্লেখিত পাঁচটা আঁচনিৰ এটা কামো সম্পূৰ্ণকৈ নকৰাকৈ ধন উদৰস্থ কৰাৰো অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে এমজিএনৰেগা আঁচনিৰ কাম ৰূপায়ণ কৰা বাবে জব কাৰ্ডৰ জৰিয়তে প্ৰাপ্ত শ্ৰমিকৰ বেংক একাউন্টতত মজুৰিৰ ধন আদায় দিয়ে। কিন্তু গাঁৱৰ সহজ-সৰল অশিক্ষিত শ্ৰমিকসকলক ২০০ৰ পৰা ৩০০ টকা দি সমুদায় ধন দুষ্ট চক্ৰটোৱে কৌশলগতভাৱে উলিয়াই নিয়া সন্দৰ্ভতো স্মাৰকপত্ৰত উল্লেখ কৰা হৈছে। তদুপৰি স্মাৰকপত্ৰত উল্লেখ্য কৰিছে যে এমজিএনৰেগা আঁচনিৰ কাম ৰূপায়ণ কৰাৰ বাবে এখন ভিএমচি সমিতি গঠন কৰিব লাগে। সেই ভিএমচি সমিতিখনে কামৰ সতৰ্কতা আৰু পৰ্যবেক্ষণ কৰে। কিন্তু ইটাৰভিটা গাঁৱৰ এক আৰু দুই নম্বৰ খণ্ডত উল্লেখিত এমজিএনৰেগা আঁচনিৰ কাম ৰূপায়ণ বাবে গঠন কৰা ভিএমচি সমিতিকেইখন ভৱানীপুৰ উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ একাংশ বিষয়া-কৰ্মচাৰীৰ লগত গোপনে বুজাবুজি কৰি গঠন কৰা বুলিও অভিযোগ উত্থাপিত হৈছে। তদুপৰি উল্লেখিত এমজিএনৰেগাৰ আঁচনি কেইটা ৰূপায়ণ কৰাৰ বাবে গঠন কৰা ভিএমচি সমিতিকেইখনো প্ৰকৃততে ভুৱা বুলি অভিযোগ কৰিছে। চৰকাৰী ধন আত্মসাৎ কৰা বিষয়া-কৰ্মচাৰীৰ লগতে জৰিত আন ব্যক্তিসকলক উচ্চ পৰ্যায়ৰ তদন্ত কৰি আইনগত ব্যৱস্থা লোৱা দাবী জনাইছে।

# তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত নিয়োজিত নিৰাপত্তাকৰ্মী ছমাহে বঞ্চিত দৰমহা লাভৰ পৰা

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২ জানুৱাৰী ঃ** তেজপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাতালত নিয়োজিত বেচৰকাৰী সুৰক্ষাকৰ্মী সকলে দীৰ্ঘদিন ধৰি লাভকৰা নাই তেওঁলোকৰ দৰমহা। চৰকাৰীভাৱে প্ৰয়োজনীয় বিল আদায়ত কৰা অহেতুক পলমৰ বাবেই ব্যক্তিগত এজেঞ্চিৰ জৰিয়তে নিয়োগ কৰা এইসকল কৰ্মচাৰী বঞ্চিত হৈছে তেওঁলোকৰ প্ৰাপ্য লাভৰ ক্ষেত্ৰত। উল্লেখ্য যে তেওঁলোকে এই বিষয়ে তেজপুৰ চিকিৎসা মহাবিদ্যালয়খনৰ কৰ্তৃপক্ষক অৱগত কৰা সত্বেও তেওঁলোকৰ সমস্যা সমাধান হোৱা নাই। অভিযোগ অনুসৰি, ছয় মাহে চিকিৎসামহাবিদ্যালয় হাস্পতালখনৰ ৫০ গৰাকী সুৰক্ষাকৰ্মীয়ে প্ৰাপ্য দৰমহা লাভ নকৰাত তেওঁলোকৰ মাজত হাঁহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ দাবী কৰা দৰমহা বঞ্চিত নিৰাপত্তাৰক্ষীসকলে প্ৰকাশ কৰে যে চৰকাৰী নিৰ্দেশ অনুসৰিয়েই মহাবিদ্যালয় কৰ্তপক্ষই বেচৰকাৰী সংস্থাক বিগত সময়ছোৱাত ইয়াত নিৰাপত্তাৰ দায়িত্ব প্ৰদান কৰি আহিছে আৰু সেই অনুসৰিয়েই তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত প্ৰথমতে দীঘলীয়া সময় ধৰি গুৱাহাটীস্থিত নৰ্থইষ্ট ছিকিউৰিটি ছাৰ্ভিছ নামৰ এটা বেচৰকাৰী প্ৰতিষ্ঠানক প্ৰথমতে নিৰাপত্তাৰক্ষী যোগানৰ দায়িত্ব অৰ্পণ কৰে। এনে অৱস্থাত নৰ্থ ইষ্ট ছিকিউৰিটি ছাৰ্ভিছে নিজাববীয়াকৈ শোণিতপুৰৰ বিভিন্ন অঞ্চলৰ পৰা অৰ্ধশতাধিক যুৱক-যুৱতীক চিকিৎসা মহাবিদ্যালয়খনৰ নিৰাপত্তাৰ দায়িত্বত নিয়োগ কৰে। ইয়াৰ বিপৰীতে প্ৰথম অৱস্থাৰ পৰাই এইসকল সুৰক্ষাকৰ্মীক নিয়মীয়াকৈ দৰমহা আদায় নিদিয়াৰ অভিযোগ উঠে। এজেঞ্চিটোৱে যোৱা চাৰি মাহে এইসকল সুৰক্ষাকৰ্মীক দৰমহা প্ৰদান নকৰাকৈয়ে থকাৰ মাজতে এই এজেঞ্চিটোৰ স্থানত দুমাহ পূৰ্বে শৰাইঘাট ছিকিউৰিটি ছাৰ্ভিছ নামৰ আন এটা প্ৰতিষ্ঠানক নিৰাপত্তাৰক্ষীৰ এই দায়িত্ব দিয়া হয়; কিন্তু পূৰ্বৰ প্ৰতিষ্ঠানটোৰ দৰেই শৰাইঘাট ছিকিউৰিটি ছাৰ্ভিছেও আজিলৈকে এইসকল সুৰক্ষাকৰ্মীক দুমাহৰ দৰমহা আদায় দিব পৰা নই। ইয়াকে লৈ বৰ্তমানলৈকে দুটাকৈ প্ৰতিষ্ঠানৰ পৰা ছমাহৰ প্ৰাপ্য দৰমহা চিকিৎসা মহাবিদ্যালয়খনৰ এইসকল সুৰক্ষা কৰ্মীয়ে পোৱা নাই। উল্লেখ্য যে কৰ'নাৰ ভয়াবহ সংক্ৰমণৰ সময়তো তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৩৮ জন পুৰুষ আৰু ১২গৰাকী মহিলাসহ ৫০ গৰাকী সুৰক্ষাকৰ্মীয়ে দিনে নিশাই নিৰাপত্তাৰ দায়িত্ব পালন কৰি আহিছে। তেজপুৰ চিকিৎসামহাবিদ্যালয় আৰু হাস্পাতালত বহু বছৰ ধৰি একাধিক সমস্যাৰ মাজত থাকিও নিৰাপত্তাৰ দায়িত্ব পালন কৰি অহাৰ পাছতো দুটা প্ৰতিষ্ঠানৰ পৰা ছয় মাহে দৰমহা পাবলৈ থকাত গভীৰ সংকটত পৰিছে সুৰক্ষাকৰ্মীসকল। সুৰক্ষাকৰ্মীসকলে দৰমহা আদায় দিয়াৰ দাবী জনাই কিছুদিন পুৰ্বে মহাবিদ্যালয়খনৰ চৌহদত প্ৰতিবাদী কাৰ্যসূচীও ৰূপায়ণ কৰিছিল; কিন্তু ইয়াৰ পাছতো কৰ্তৃপক্ষই দৰমহা আদায় দিয়াৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। এনে অৱস্থাত ৫০ গৰাকী সুৰক্ষা কৰ্মীৰ বহুকেগৰাকীয়ে সুদত ধন লৈয়ো জীৱননিৰ্বাহ কৰিবলগীয়া হৈছে। ইপিনে, বিষয়টো সন্দৰ্ভত তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল কৰ্তৃপক্ষৰ এক সূত্ৰই সদৰি কৰা অনুসৰি, ব্যক্তিগত এজেঞ্চিসমূহে বিল দাখিলৰ পাছত চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই সেই বিল পৰীক্ষা কৰি চৰকাৰৰ কৰ্তৃত্বশীল পক্ষলৈ প্ৰেৰণ কৰে। ইয়াৰ পাছতে চৰকাৰী বিভাগ তথা সচিবালয় হৈ তিনিখন টেবুলত অনুমোদিত হোৱা বিলৰ বিপৰীতে একাউণ্ট যোগে দৰমহা আদায় দিয়া হয়। উল্লেখ্য যে প্ৰতিমাহে ৮.৫-৮.৯ লাখ টকাৰ প্ৰয়োজন হোৱা এই বিল চৰকাৰীভাৱেই আদায়ত হোৱা বিলম্বৰ বাবেই ব্যক্তিগত এজেঞ্চিয়ে নিয়োগ কৰ নিৰাপত্তাকৰ্মীসকলৰ দৰমহা লাভত অযথা বিলম্ব ঘটি আহিছে। পূৰ্বৰ এজেঞ্চিটোৱে এইপৰ্যন্ত বৃহৎ পৰিমাণৰ ধন চৰকাৰৰ পৰা আদায় পাবলৈ বাকী থকাৰ লগতে নতুনকৈ দায়িত্ব লাভ কৰা এজেঞ্চিটোৱে এই পৰ্যন্ত বিলেই দাখিল নকৰাত প্ৰাপ্যৰ পৰা বঞ্চিত হোৱা নিৰাপত্তা কৰ্মীসকল অধিক বিপৰ্যয়ৰ সন্মুখীন হৈছে।

# নিজক আনৰ বাবে উছৰ্গা কৰি চিকিৎসক সকলে ৰাইজৰ সেৱা কৰে

## ডিউ কেয়াৰ ব্যক্তিগত চিকিৎসালয় উদ্বোধন দলগাঁৱত

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ২ জানুৱাৰী ঃ** ২০২২ৰ আৰম্ভণিতেই পূব দৰঙত চিকিৎসা খণ্ডত আহিল নতুন সংযোজন। দলগাঁও সমষ্টিৰ অন্তৰ্গত বুঢ়ীগাঁৱত পূব দৰঙত বহু দিনীয়া অভাৱ মোচন কৰিলে নগাঁৱৰ ডিউ কেয়াৰ চিকিৎসালয় পৰিয়ালে। অত্যাধুনিক প্ৰযুক্তিৰ সুবিধাৰে ডিউ কেয়াৰ হাস্পতাল এল এল পি নামেৰে এখন ব্যক্তিগত চিকিৎসালয় আজি উদ্বোধন কৰা হয়। ডিউ কেয়াৰ হাস্পতাল এল এল পিৰ পৰিচালন সঞ্চালক তথা স্বত্বাধিকাৰী ডাঃ ফৰিদুল ইছলামে জনোৱা মতে, ২০১৩তে নগাঁৱত প্ৰথম ডিউ কেয়াৰ হাস্পতাল এল এল পি স্থাপন কৰি ৰাইজৰ সেৱা আগবঢ়াই আহি আজি নৱবৰ্ষৰ দ্বিতীয় দিনত আন এখন চিকিৎসালয় উদ্বোধন কৰে। চিকিৎসালয়খন সম্প্ৰতি ৫০খন বিছনা, পাঁচখন আইচিইউ, ছখন বেবি আই চি ইউ, উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে অত্যাধুনিক চিটি স্কেন আদি প্ৰযুক্তি সম্পন্ন চিকিৎসা সঁজুলিৰে আৰম্ভণি কৰি অতি সোনকালেই ২০০ বিছনা আৰু ২০খন আইচিইউলৈ বৃদ্ধি কৰি উন্নীত কৰাৰ প্ৰকল্প লোৱা



হৈছে। চিকিৎসালয়খনত আয়ুষ্মান অটল অমৃতৰ জৰিয়তে দুখীয়া ৰাইজে বিনামূল্যে চিকিৎসা সেৱা লোৱাৰ সুবিধা হোৱাকৈ ব্যৱস্থা গ্ৰহণ কৰা হৈ আছে। উদ্বোধনী অনুষ্ঠানত সঞ্চালক তথা স্বত্বাধিকাৰ ডাঃ ফৰিদুল ইছলামৰ শিক্ষাগুৰু জ্যেষ্ঠ চিকিৎসক তথা অধ্যাপক ডাঃ টংকেশ্বৰ ভূঞাই কয় যে মানুহ জন্মৰ পাছত কোলাত লয় আনে, ডাঙৰ-দীঘল কৰে আনে, শিক্ষা দিয়ে আনে, চাকৰি সংস্থাপন দিয়ে আনে, টকা পইচা দিয়ে আনে, আকৌ মৃত্যু হ'লে কবৰ বা শ্মশানত লৈ যাব আনে, অৰ্জন কৰা ধন সম্পদ ভোগ কৰিব আনে, তেন্তে নিজক লৈ কিহৰ গৌৰৱ? সেয়ে নিজকে আনৰ বাবে উছৰ্গাৰ মনোভাৱেৰে ৰাইজৰ সেৱা আগবঢ়াব লাগে। সেই মনোভাৱ সঞ্চালক ডাঃ মফিদুল ইছলামৰ আছে বাবেই তেওঁ আগবাঢ়িব পাৰিছে। অনুষ্ঠানত অধ্যাপক ডাঃ ভানু দেৱী, শ্ৰম পৰিদৰ্শক জি কে দাস, অভিযন্তা গিয়াছ উদ্দিন আহমেদ, এ আই ইউ ডি এফৰ দৰং জিলাৰ সভাপতি হাবিবুৰ ৰহমান, আঞ্চলিক পঞ্চায়তৰ সভাপতি ওৱাজেদ আলী, সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সভাপতি মহম্মদ আলী খলিফা, জিএমএইচ কে তালুকদাৰ, আমছুৰ উপ-সভাপতি আব্দুৰ ৰহমান বিশ্বাস, শিক্ষক জিল্লুল হক, সমাজকৰ্মী হাজী ৰেকিবউদ্দিন আহমেদ, আমছুৰ উপদেষ্টা আইনুদ্দিন আহমেদ অতিথিৰূপে উপস্থিত থাকে।

# বিজনীৰ কাৰাটিকাত অগ্নিকাণ্ড

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২ জানুৱাৰী ঃ** চিৰাঙৰ বিজনীৰ কাৰাটিকাত আজি সংঘটিত এক অগ্নিকাণ্ডত নজৰুল ইছলাম নামৰ লোক এজনৰ বাসগৃহ ভস্মীভূত হয়। খেৰ দমাই থোৱা ঘৰটোত অগ্নিকাণ্ড সংঘটিত হোৱাৰ ফলত লক্ষাধিক টকাৰ সা-সম্পত্তি নষ্ট হয়। অগ্নিকাণ্ডৰ কাৰণ জানিব পৰা হোৱা নাই।

# জনসাধাৰণে সহযোগিতা আগবঢ়ালেহে আৰক্ষী সকলো ক্ষেত্ৰত সফল হ'ব পাৰে

## কৈঠালকুছিত গাঁওৰক্ষী বাহিনীৰ সজাগতা সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ২ জানুৱাৰী ঃ** 'আৰক্ষী প্ৰশাসনক ৰাইজৰ সহায়ৰ নিতান্তই প্ৰয়োজন। জনসাধাৰণে আৰক্ষীক প্ৰত্যক্ষভাৱে সহায়-সহযোগিতা আগবঢ়ালেহে আৰক্ষীয়ে সকলো ক্ষেত্ৰতে সফল হ'ব পাৰে'। কৈঠালকুছিত আজি অনুষ্ঠিত গাঁওৰক্ষী বাহিনীৰ এখন সজাগতা সভাত এইদৰে মন্তব্য আগবঢ়ায় বেলশৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নিতুমণি শৰ্মাই । ভাষণ প্ৰসংগত বিষয়াজনে গাঁওৰক্ষী বাহিনী আৰক্ষী প্ৰশাসনৰ এটি গুৰুত্বপূৰ্ণ অংশ বুলি উল্লেখ কৰি গ্ৰামাঞ্চলৰ ৰাইজৰ নিৰাপত্তাৰ ক্ষেত্ৰত গাঁওৰক্ষী বাহিনীৰ বিশেষ ভূমিকা থাকে। গাঁওৰক্ষী বাহিনীৰ সম্পূৰ্ণ সহযোগিতা নাথাকিলে আৰক্ষী প্ৰশাসনে সম্পূৰ্ণতা লাভ কৰিব নোৱাৰে। গতিকে গাঁওৰক্ষী বাহিনীক সজাগ থাকি ৰাইজৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আহ্বান জনায়। বেলশৰ থানা গাঁওৰক্ষী বাহিনীৰ উদ্যোগত কৈঠালকুছি হাইস্কুল প্ৰাংগণত অনুষ্ঠিত সজাগতা সভাত সভাপতিত্ব কৰে বেলশৰ থানা গাঁওৰক্ষী বাহিনীৰ সভাপতি প্ৰমোদ বৰ্মনে। বেলশৰ থানা গাঁওৰক্ষী বাহিনীৰ সম্পাদক দীপক কুমাৰ দাসে আঁতধৰা সভাখনত কৈঠালকুছি হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিকাশ বেজবৰুৱাই সমাজ এখন সুস্থ-সবলভাৱে চলিবলৈ হ'লে সমাজৰ প্ৰতিগৰাকী নাগৰিকৰে দায়িত্ব অপৰিসীম বুলি কয়। সভাখনত নলবাৰী জিলা গাঁওৰক্ষী বাহিনীৰ উপদেষ্টা ক্ৰমে প্ৰমোদ কলিতা, ৰণজিৎ তালুকদাৰ, বেলশৰ, নলবাৰী, শিয়ালমাৰী থানাৰ চক্ৰ সংগঠক ক্ৰমে বিকাশ মল্ল বুজৰবৰুৱা, প্ৰদীপ দাস, তপন বৰ্মন, নলবাৰী জিলা গাঁওৰক্ষী বাহিনীৰ সভাপতি বিজয় বৰুৱা, ৩৫ নম্বৰ পশ্চিম ধৰ্মপুৰ গাঁও পঞ্চায়তৰ সভাপতি সুভাষ বৰ্মন, আঞ্চলিক সদস্য ৰূপশ্ৰী মিশ্ৰ দাস, গাঁওৰক্ষী বাহিনীৰ জ্যেষ্ঠ সদস্য পিয়াৰ আলী, চামতা পহৰা চকীৰ ভাঃ আৰক্ষী বিষয়া মৃত্যুঞ্জয় দাসকে ধৰি বিভিন্ন ঠাইৰ গাঁওৰক্ষী বাহিনীৰ সদস্যৰ লগতে কৈঠালকুছিৰ বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

# পাটাছাৰকুছি সমষ্টিত থিতাতে বৃদ্ধ-বিধৱা পেঞ্চনৰ সুবিধা প্ৰদান

## অনুষ্ঠানত মন্ত্ৰী দাস

## দুৰ্নীতিগ্ৰস্ত বিষয়াক সকীয়নি দিয়া হৈছে

**বিশেষ সংবাদদাতা**

**পাঠশালা, ২ জানুৱাৰী ঃ** 'দুৰ্নীতিৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। দুৰ্নীতিগ্ৰস্ত বিষয়াসকলক সকীয়নি দিয়া হৈছে। কোনেও কামৰ বাবে এটকাও খাব নোৱাৰে।' এই মন্তব্য মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ। পাটাছাৰকুছি সমষ্টিৰ অন্তৰ্গত চৌখুটি উন্নয়ন খণ্ডৰ কাৰ্যালয়ত অনুষ্ঠিত ছহিদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনি আৰু ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আঁচনিৰ অধীনত থিতাতে পেঞ্চনৰ সুবিধা প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী দাসে এই কথা কয়। বৰপেটা জিলাৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিৰাবীৰ সভাপতিত্বত কৰা অনুষ্ঠানটোত মন্ত্ৰী দাসে পুনৰ কয় যে পাটাছাৰকুছি সমষ্টিত ৰাষ্ট্ৰীয় পেঞ্চন আৰু ৰাজিক পেঞ্চনৰ জৰিয়তে ইতিমধ্যে ১১,৫৪৪ গৰাকীক পেঞ্চন প্ৰদান কৰা হৈছে। আজি পুনৰ ১১০৮ গৰাকীক এই পেঞ্চন আঁচনিত অন্তৰ্ভুক্ত কৰা হ'ল। ইপিনে, অৰুণোদয় আঁচনিৰ জৰিয়তে ১২,৫৫০ গৰাকীক ধন প্ৰদান কৰা হৈছে।

# ছহিদ মুকুন্দ বড়োৰ পৰিয়ালক আচবাব প্ৰদান আছুৰ মুখ্য উপদেষ্টাৰ

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২ জানুৱাৰী ঃ** যোৱা ৩১ ডিচেম্বৰত আছুৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই ওদালগুৰি জিলাৰ কলাইগাঁৱৰ অসম আন্দোলনৰ ছহিদ মুকুন্দ বড়োৰ পৰিয়াললৈ আগবঢ়ায় সহায়ৰ হাত। ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ সহযোগত পৰিয়ালটোলৈ বিছনাসহ গৰম কাপোৰ, ৰন্ধন সামগ্ৰী, গেছ চিলিণ্ডাৰ তথা বিভিন্ন প্ৰয়োজনীয় সামগ্ৰী প্ৰদান কৰে উপদেষ্টাজনে। উল্লেখ্য যে যোৱা ২৮ ডিচেম্বৰত বড়ো পৰিয়ালটোৰ খা-খবৰ ল'বলৈ আহিছিল মুখ্য উপদেষ্টা ভট্টাচাৰ্য। ভ্ৰমণকালত পৰিয়ালটোৰ অৱস্থা প্ৰত্যক্ষ কৰি সেইদিনাই পৰিয়ালটোৰ চিকিৎসাৰ দায়িত্ব গ্ৰহণৰ কথা উল্লেখ কৰিছিল। তেওঁৰ নিৰ্দেশত ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল পাটোৱাৰীৰ নেতৃত্বত এটা সঁজাতী দলে সামগ্ৰীখিনি প্ৰদান কৰে। উল্লেখ্য যে আছু নেতাজনে ছহিদ পৰিয়ালটোৰ বাস ভৱনটোও মেৰামতি কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল।

# বিজনীৰ লক্ষীঝোৰাত



*এক পৃষ্ঠাৰ পৰা* নামৰ স্বেচ্ছাসেৱী সংগঠনৰ কৰ্মীসকলে। ভালুকটোৰ মূৰত চোকা অস্ত্ৰৰ দাগ স্পষ্ট হৈ আছিল। কোনে ভালুকটোক চোকা অস্ত্ৰেৰে ঘপিয়াই আহত কৰিলে সেয়া ৰহস্যজনক। বন বিভাগে ভালুকটো উদ্ধাৰ কৰি অনাৰ পাছতে সন্ধিয়া মৃত্যু হয়। উল্লেখ্য যে যোৱা কিছুদিনৰ পৰাই মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ভালুক ওলাই আহিছিল চিৰাঙৰ বিভিন্ন গ্ৰামাঞ্চললৈ। কে'বাটাও ভালুক বন বিভাগে ধৰি মানাহত পুনৰ এৰি দিছিল। আজি আকৌ ভালুকটো আহত অৱস্থাত উদ্ধাৰ হয়। বন বিভাগে এই সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

# পাঁচশ কোটি টকা মূল্যৰ

*এক পৃষ্ঠাৰ পৰা* শিৱ লিংগৰ দাম পাঁচশ কোটি টকা। পান্নাৰে নিৰ্মিত এই বৃহৎ মূল্যৰ শিৱ লিংগ উদ্ধাৰ হয় প্ৰায় ৮০ বছৰীয়া ছামিয়াপান্নাৰ বেংকৰ লকাৰত। তেওঁ ঘৰত নথকাত পুত্ৰ অৰুণক সোধপোছ কৰে আৰক্ষীৰ দলে। তদন্তকাৰীসকলক জনোৱা মতে, তেওঁৰ পিতৃয়ে বেংকৰ লকাৰত এটা শিৱ লিংগ থৈছে। ইয়াৰ পাছতে স্থানীয় বেংকত অভিযান চলাই চিআইডিৰ দলে। ৫৩০ গ্ৰাম ওজনৰ শিৱ লিংগটোৰ উচ্চতা আঠ ছেণ্টিমিটাৰ। আৰক্ষীৰ অতিৰিক্ত ডিজিপিয়ে জনোৱা মতে, দক্ষিণ ভাৰতৰ কোনো মন্দিৰৰ পৰা চুৰি কৰা হৈছে।

# সোণাৰিত যুৱ ব্যৱসায়ীক কটাৰিৰে

*এক পৃষ্ঠাৰ পৰা* ব্যৱসায়ী বৰুণ চেতিয়া (৩৫)ক লুখুৰাখন গাঁৱৰ দিলীপ আৰন্ধৰাই চোকা কলম কটাৰিৰে উপৰ্যুপৰি ঘপিওৱাত তেওঁ গুৰুতৰভাৱে আহত হয়। অভিযুক্ত দিলীপে ব্যৱসায়ী বৰুণৰ লগতে সুখেশ্বৰ গগৈকো আক্ৰমণ কৰে। পাছত আহত লোক দুজনক চিকিৎসাৰ বাবে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়া হয় যদিও আদবাটতে বৰুণৰ মৃত্যু হয়। ইপিনে, সংকটজনক অৱস্থাত সুখেশ্বৰ চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত আছে। আজি সোণাৰী আৰক্ষীয়ে অভিযুক্ত দিলীপক গ্ৰেপ্তাৰ কৰে। অভিযুক্তজনে দিয়া স্বীকাৰোক্তি মতে, কেইদিনমান পূৰ্বে মদ-জুৱাৰ আড্ডাত বৰুণৰ স'তে কাজিয়াৰ সূত্ৰপাত হৈছিল। উক্ত কাজিয়াৰ পোটক তুলিবলৈ বৰুণক হত্যা কৰা বুলি দিলীপে আৰক্ষীক স্বীকাৰোক্তি দিয়ে। আজি অভিযুক্তজনক চৰাইদেউ ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱাত আদালতে তেওঁক জেললৈ প্ৰেৰণ কৰে।

# প্ৰকাৰান্তৰে জনজাতিকৰণ নস্যাৎ!

*এক পৃষ্ঠাৰ পৰা* ভৈয়াম জনজাতি আৰু অসমৰ অন্যান্য জিলাৰ কোচ ৰাজবংশীসকলক নতুন বা অন্যান্য (এন)ৰ স্বীকৃতি প্ৰদানৰ বাবে মন্ত্ৰী মণ্ডলীয়ে সিদ্ধান্ত লৈ কেন্দ্ৰীয় চৰকাৰক প্ৰতিবেদন দিয়া হ'ব বুলি ড° শৰ্মাই জনজাতিকৰণৰ বিষয়টো কোচ ৰাজবংশী সংগঠনৰে হোৱা আলোচনাত মোখনি মাৰিছিল। অসমৰ কোচ ৰাজবংশী জনগোষ্ঠীক ভৈয়াম জনজাতি আৰু জনজাতি (এন) দিয়াৰ ক্ষেত্ৰত ট্ৰাইবেল সংঘও একমত বুলি তদানীন্তন মন্ত্ৰীগোটৰ অধ্যক্ষই অৱগত কৰিছিল। নেতাদ্বয়ে বিবৃতিটোত পুনৰ উল্লেখ কৰে এইদৰে, 'আমাৰ জনগোষ্ঠীৰ সংগঠনে কেৱল বাগ্‌সা জিলাৰ কোচ ৰাজবংশীসকলোকো অবিভক্ত গোৱালপাৰা জিলাৰ কোচ ৰাজবংশীসকলৰ দৰে ভৈয়াম জনজাতিৰূপে অন্তৰ্ভুক্ত কৰিবলৈ মন্ত্ৰী মণ্ডলীক অনুৰোধ জনাই যৌথভাৱে স্মাৰকপত্ৰ প্ৰদান কৰা হৈছিল। তেনেস্থলত এতিয়া কি যুক্তিত অসমৰ কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰিলে জনজাতি সংগঠনসমূহে ৰক্তাক্ত পৰিস্থিতিৰ সৃষ্টি হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰাটো দুৰ্ভাগ্যজনকেই নহয় লজ্জাজনকো।' বৰ্মন আৰু ৰায়ে পুনৰ কয় যে ১৯৯৬ত তদানীন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ প্ৰচেষ্টাত তদানীন্তন ৰাষ্ট্ৰপতি ড° শংকৰ দয়াল শৰ্মাই এক অধ্যাদেশৰ জৰিয়তে অসমৰ কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতি স্বীকৃতি প্ৰদান কৰা সময়ত কোনো ৰক্তাক্ত পৰিস্থিতিৰ উদ্ভৱ হোৱা নাছিল। নেতাদ্বয়ে লগতে উল্লেখ কৰে যে জনজাতি সংগঠনসমূহেও জনা উচিত যে কোচ ৰাজবংশী জনগোষ্ঠীৰ এয়া সাংবিধানিক তথা জন্মগত অধিকাৰ। কোচ ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি আৰু সাধাৰণ সম্পাদকদ্বয়ে কয় যে জনজাতিকৰণৰ বিষয়টো জনজাতি সংগঠনৰ পৈতৃক সম্পত্তি নহয়, যি জনগোষ্ঠীৰ জনজাতিৰ বৈশিষ্ট্যসমূহ বিদ্যমান তেনে জনগোষ্ঠীক জনজাতি স্বীকৃতি প্ৰদান কৰাটো চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্য। কোচ ৰাজবংশীসকলে কোনো জনজাতি সংগঠনৰ ওচৰত জনজাতিকৰণ ভিক্ষা বিচৰা নাই। চৰকাৰে কোনো জনজাতি সংগঠনৰ ওচৰত ভয়-ভাবুকিৰ শিৰ নত হৈ কোনো জনগোষ্ঠীক নিজৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰাটো সংবিধানৰ পৰিপন্থী বুলি নেতাদ্বয়ে কয়। নেতাদ্বয়ে বিবৃতিত চৰকাৰক কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতি কৰণৰ বিষয়টো সন্দৰ্ভত দুমুখীয়া নীতি পৰিহাৰ কৰি কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতি স্বীকৃতি প্ৰদান কৰিবলৈ দাবী জনায়। কোচ ৰাজবংশী জনগোষ্ঠী আৰু জনজাতি, কোনো ভয়-ভাবুকিৰে বশ কৰাটো সম্ভৱ নহয়। এটা সহনশীল সহজ সৰল আৰু শান্তিপ্ৰিয় কোচ ৰাজবংশী জনগোষ্ঠীয়ে সুদীৰ্ঘ ৫০ বছৰৰো অধিককাল নিজৰ প্ৰাপ্য আদায়ৰ সংগ্ৰামত অহৰহ লাগি আছে ভাৰতৰ গণতান্ত্ৰিক ব্যৱস্থা আৰু সংবিধানৰ প্ৰতি গভীৰ আস্থা তথা বিশ্বাস ৰাখি। কোচ ৰাজবংশী জনগোষ্ঠীক তৎকালে জনজাতিকৰণৰ দাবীত অহা ছয় জানুৱাৰীত বঙাইগাঁও জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত তিনিঘন্টীয়া অৱস্থান ধৰ্মঘট পালন কৰি উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰী, প্ৰধানমন্ত্ৰী আৰু জনজাতি পৰিক্ৰমা মন্ত্ৰীক পৃথকে স্মাৰকপত্ৰ প্ৰেৰণ কৰাৰ এক আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰে। ইয়াৰ পাছতো চৰকাৰে যদি কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো সমাধান নকৰে তেন্তে কোচ ৰাজবংশী জাতীয় পৰিষদে তীব্ৰ গণতান্ত্ৰিক গণ আন্দোলন গঢ়ি তুলিব বুলি চৰকাৰক সকীয়াই দিয়ে।

### ছয় জনগোষ্ঠীৰ ঐক্যবদ্ধ সংগ্ৰামক বিভাজন কৰা ষড়যন্ত্ৰ প্ৰকাশ পাইছে মুখ্যমন্ত্ৰীৰ বক্তব্যত

**ষ্টাফ ৰিপ'ৰ্টাৰ সংযোজন ঃ** ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ সন্দৰ্ভত নৱবৰ্ষৰ প্ৰথম দিনটোতে মুখ্যমন্ত্ৰী ড° শৰ্মাই পুনৰবাৰ দায়সৰা মন্তব্য কৰিছে বুলি অভিযোগ উত্থাপন সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ই। ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ সন্দৰ্ভত বিজেপি চৰকাৰৰ যে সদিচ্ছা নাই মুখ্যমন্ত্ৰীৰ কালিৰ মন্তব্যই পুনৰ প্ৰমাণ কৰিলে বুলি সন্থাৰ সভাপতি ষ্টিফেন লাক্ৰা আৰু সাধাৰণ সম্পাদক দেবেন উৰাঙে প্ৰেৰণ কৰা এক প্ৰেছ বাৰ্তাত উল্লেখ কৰিছে। ৰাজ্যৰ বিগত নিৰ্বাচনসমূহত বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° শৰ্মাকে ধৰি বিজেপিৰ নেতৃত্বই জনজাতিকৰণৰ আশ্বাস প্ৰদান কৰি আদিবাসীৰ ৰাইজৰ ভোট আদায় কৰিছিল বুলি ছাত্ৰ নেতাদ্বয়ে উল্লেখ কৰি কয় যে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ ঐক্যবদ্ধ সংগ্ৰামক বিভাজন কৰা ষড়যন্ত্ৰ প্ৰকাশ পাইছে কালি মুখ্যমন্ত্ৰীৰ বক্তব্যত। একেদৰে জনজাতি আৰু ছয় জনগোষ্ঠীয়ে দাবী কৰি অহা জনগোষ্ঠীবিলাকৰ মাজত শত্ৰুতা সৃষ্টিৰ বাবেহে এনে মন্তব্য মুখ্যমন্ত্ৰীয়ে কৰা যেন অনুভৱ হৈছে। কাৰণ জনজাতিসকলৰ বিৰোধিতাৰ বাবে জনজাতিকৰণ নহ'ব বুলি কোৱাটো হাস্যস্পদ বুলি আছাৰ শীৰ্ষ নেতৃত্বদ্বয়ে মন্তব্য কৰি অসমৰ ৰাইজে বিৰোধী কৰাৰ পাছতো সংশোধিত নাগৰিকত্ব বিধেয়ক আইনলৈ পৰিণত, এসময়ত বৃহৎ নদীবান্ধৰ বিৰোধিতা কৰা দলৰ চৰকাৰৰ শাসন কালত ক্ষিপ্ৰতাৰে নদীবান্ধৰ কাম আগবঢ়াই নিয়া যদি সম্ভৱ হয় তেন্তে জনজাতিকৰণৰ কিয় সম্ভৱ নহ'ব বুলি প্ৰশ্ন উত্থাপন কৰে। আনকি নেতৃত্বদ্বয়ে জনজাতিকৰণৰ মৰ্যাদা দিয়াটো যদি সম্ভৱপৰ নাছিল, ২০১৯ৰ ৰাজ্যসভাৰ শীতকালীন অধিবেশনত জনজাতিকৰণ বিধেয়ক কিয় উত্থাপন কৰিছিল এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কি মন্তব্য কৰিব বুলিও আছাই প্ৰশ্ন কৰে। জনজাতিকৰণৰ নামত টেঙা আম বিক্ৰী কৰিবলৈ চৰকাৰে বন্ধ কৰক বুলি সংগঠনটোৱে দাবী তুলি যদি জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰিব নোৱাৰে তেন্তে বিকল্প চৰকাৰ প্ৰতিষ্ঠা কৰিবলৈ জনগোষ্ঠীয় সংগঠনসমূহৰ লক্ষ্য হোৱা উচিত বুলি প্ৰকাশ কৰিছে।

# এহেজাৰৰো অধিক সত্ৰাধিকাৰৰ শিৰশ্চেদ

*এক পৃষ্ঠাৰ পৰা* নৱপ্ৰজন্মই কোনখিনি তথ্য গ্ৰহণ কৰিব তাকে লৈ বিভ্ৰান্ত হৈ পৰিছে। আজি অসম গ্ৰন্থমেলাত বিশিষ্ট সংগ্ৰহালয়তত্ত্ববিদ সদ্য প্ৰয়াত ড° ৰবীন দেৱচৌধুৰীৰ সোঁৱৰণত অনুষ্ঠিত 'ইতিহাস ঃ প্ৰক্ষেপ আৰু ইয়াৰ বিশুদ্ধতা' শীৰ্ষক তত্ত্বগধুৰ আলোচনা চক্ৰখনত এনে উদ্বেগজনক দিশসমূহ পোহৰলৈ আহিছে। ইতিহাসবিদ ড° গজেন্দ্ৰ অধিকাৰীৰ সঞ্চালনাত ড° লক্ষ্মীনন্দন বৰা সোঁৱৰণী সভাগৃহত অনুষ্ঠিত এই আলোচনাচক্ৰত শিক্ষাবিদ-লেখক-সমালোচক ড° দয়ানন্দ পাঠকে আলোচক অতিথিৰূপে অংশগ্ৰহণ কৰি আজিৰ যি ইতিহাস তাত গৰিষ্ঠসংখ্যক লোক সন্তুষ্ট নহয় বাবেই প্ৰক্ষেপ আৰু বিশুদ্ধতাৰ প্ৰসংগ উত্থাপিত হৈছে বুলি মন্তব্য কৰে। বিশুদ্ধ ইতিহাসৰ বাবে নিৰন্তৰ গৱেষণাৰ প্ৰয়োজন আছে বুলি ড° পাঠকে প্ৰয়াত ড° দেৱচৌধুৰীৰ ব্যক্তিত্ব ৰোমন্থন কৰি কয়, 'বিশুদ্ধ ইতিহাস আহৰণৰ বাবে ড° দেৱচৌধুৰীয়ে নিস্বাৰ্থভাৱে ত্যাগ কৰিছিল। বিশেষকৈ বিভিন্ন সত্ৰসমূহ পৰিভ্ৰমণ কৰি ইতিহাস খুঁচৰি উলিওৱাৰ চেষ্টা ড° দেৱচৌধুৰীয়ে আজীৱন অব্যাহত ৰাখিছিল।' উল্লেখ্য যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দিনত সত্ৰ স্থাপন হোৱা নাছিল, মাধৱদেৱৰ দিনতহে প্ৰথম সত্ৰ স্থাপন হৈছিল বুলি ড° পাঠকে ভাষণ প্ৰসংগত উল্লেখ কৰি এওঁলোকৰ মৃত্যুৰ পাছত সত্ৰকেন্দ্ৰিক এক ৰাজনীতি আৰম্ভ হ'ল বুলি মন্তব্য কৰে। সমান্তৰালভাৱে গদাধৰ সিংহৰ দিনত এহেজাৰৰো অধিক সত্ৰাধিকাৰক হত্যা কৰা হৈছিল বুলি ড° পাঠকে প্ৰসংগক্ৰমে উল্লেখ কৰি পুনৰ কয়, 'সত্ৰসমূহে সমাজত এক বিভ্ৰান্তি সৃষ্টি কৰে বুলি গদাধৰ সিংহই ভাবিছিল। যি কাৰণে তেওঁ এহেজাৰো অধিক সত্ৰাধিকাৰক শিৰশ্চেদ কৰিছিল। পৰৱৰ্তী পৰ্যায়ত ৰুদ্ৰ সিংহই সত্ৰাধিকাৰসকলক কে'বাটাও পৰ্যায়ত ভাগ কৰি দিলে।' আনহাতে, গুৰুজনাৰ মৃত্যুৰ প্ৰসংগ উল্লেখ কৰি ড° পাঠকে কয়, 'গুৰুজনাৰ মৃত্যু মধুপুৰ সত্ৰত বুলি কোৱা হয়; কিন্তু কোচবিহাৰৰ কাকতকোটা সত্ৰতহে গুৰুজনাৰ মৃত্যু হৈছিল। সেই সত্ৰখন পৰৱৰ্তী সময়ত বাৰিষাৰ বানে উটুৱাই লৈ গ'ল।' মাধৱদেৱৰ বহু কেইগৰাকী শিষ্যই বহু সত্ৰ শিলিগুৰি-ৰংপুৰত প্ৰতিষ্ঠা কৰিছিল বুলি তেওঁ উল্লেখ কৰি পুনৰ কয় যে বিভাজনৰ পাছত এই সত্ৰসমূহ বাংলাদেশত সোমাই গ'ল। এই দিশসমূহৰ ওপৰত গৱেষণাৰ প্ৰয়োজন আছে বুলি তেওঁ কয়। একেদৰে অলোচনা সত্ৰখনৰ সঞ্চালক ড° অধিকাৰীয়ে ইতিহাস মানৱতাৰ বাবে এক নিবিড় প্ৰাৰ্থনা বুলি ভাষণ প্ৰসংগত উল্লেখ কৰি কয়, 'বুৰঞ্জীয়ে সদায় ইতিহাসলৈ প্ৰত্যাৱৰ্তন কৰে। বিকৃত বুৰঞ্জীয়ে দেশৰ ভৱিষ্যৎ বিনষ্ট কৰে আৰু সত্য মানি লোৱাৰ সাহস থাকিলেহে বিশুদ্ধ বুৰঞ্জী প্ৰণয়ন কৰিব পাৰি। ইয়াৰ বাবে প্ৰয়োজন গৱেষণাৰ।' অতীতক ভালদৰে বুজি বৰ্তমানৰ দিক্ নিৰ্ণয় কৰিবলৈ ইতিহাসেই হৈছে মাৰ্গ দৰ্শক আৰু এই প্ৰক্ৰিয়াৰে বিশুদ্ধ ইতিহাস পাবলৈ আমাৰ বহু কৰণীয় আছে বুলি অতিথি আলোচক ড° যোগেশ কাকতিয়ে আলোচনাচক্ৰখনত মন্তব্য কৰি বিশুদ্ধ ইতিহাসৰ বাবে গৱেষণাৰ প্ৰয়োজন আছে বুলি কয়। ড° কাকতিয়ে কয়, 'ভাৰতীয় মানুহৰ মাজত এতিয়াও এনে ধাৰণা আছে যে মোগলসকলেহে আমাৰ সভ্যতা-সংস্কৃতি নিৰ্মাণ কৰিছিল। ব্ৰিটিছেহে আমাক শিক্ষিত কৰি তুলিলে; কিন্তু ভাৰতীয় সভ্যতা-সংস্কৃতি আৰু শিক্ষাৰ ইতিহাস মোগল বা ব্ৰিটিছ অহাৰ বহু বছৰ আগৰ। অথচ এই কথা আমাৰ ইতিহাস লিখোতাসকলে সাহসেৰে প্ৰকাশ কৰিব নোৱাৰে বা ক'ব নোৱাৰে। সেয়ে আমি এতিয়াও বিশুদ্ধ ইতিহাসৰ পৰা বঞ্চিত হৈ কেৱল প্ৰক্ষেপিত ইতিহাসৰ পাতত আধা সঁচা আৰু আধা মিছা বা বিভিন্ন ক্ষেত্ৰত সম্পূৰ্ণ অসত্য কথা পঢ়ি আহিবলগীয়া হৈছে। আনকি বিদ্যালয়ৰ পাঠ্যপুথিতো ইতিহাসৰ এনে বিসংগতিৰ ফলত শিক্ষাৰ্থীসকলে সৰুৰে পৰা আচল ইতিহাসৰ জ্ঞানৰ পৰা বঞ্চিত হৈ থাকে যিটো আমাৰ বাবে দুৰ্ভাগ্যজনক।'

ইফালে, আলোচনা সত্ৰখনত আন এগৰাকী আলোচক অতিথি, লেখক-গৱেষক ড° অংকিতা দত্তই ভাৰতবৰ্ষ এক ধাৰাবাহিক, জীৱন্ত সনাতন সভ্যতা; অথচ এই সভ্যতাৰ বিৰুদ্ধে সদায়ে যুঁজ চলি আহিছে বুলি উল্লেখ কৰি কয়, 'ইছলামিক সাম্ৰাজ্যবাদীসকলক মহিমামণ্ডিত কৰাৰ বাবে আমাৰ ইয়াত ইতিহাস প্ৰক্ষেপ কৰা হৈছে। এয়াই সভ্যতাৰ যুঁজ। এই যুঁজ এতিয়াও চলি আছে; কিন্তু কৌশল সলনি হৈছে। সেয়েহে বিশুদ্ধ ইতিহাস প্ৰণয়ন কৰিবলৈ এক জাগৰণ সৃষ্টি কৰাৰ প্ৰয়োজন আছে। বিদেশৰ পৰা বুটলি অনা ইতিহাস আমাক শিকাই থকা হৈছে। ধৰ্ম নিৰপেক্ষতাৰ ভণ্ডামিৰে আগ্ৰাসনকাৰীসকলক কিয় বুৰঞ্জীৰ বীৰ সজোৱা হৈছে সেয়া আৰ্যশ্চজনক।' আন এগৰাকী আলোচক অতিথি বিশিষ্ট লেখক ৰক্তিম পাটৰে ভাষণত কয়, 'শৰাইঘাটৰ যুদ্ধ ১৬৬৭ৰ পৰা ১৬৭১ লৈ চলিছিল; কিন্তু আমাৰ বুৰঞ্জীত ইয়াৰ এটা অংশহে সংযোগ কৰা হৈছিল। ছাত্ৰ-ছাত্ৰীসকলে সেই বাবেই শৰাইঘাটৰ যুদ্ধৰ সম্পূৰ্ণ ইতিহাস নাজানে।' তেওঁ আনকি ইতিহাসবিদ ৰমিলা থাপৰে ৰচনা কৰা ইতিহাসকো বহু ক্ষেত্ৰত ধাৰণাপ্ৰসূত বুৰঞ্জী বুলি উল্লেখ কৰি কয় যে ১০ শতাংশ মোগলে ৯০ শতাংশ ভাৰতীয় বা পাঁচ শতাংশ ব্ৰিটিছে ৯৫ শতাংশ ভাৰতীয়ক শাসনৰ নামত প্ৰকৃততে কি কৰিছিল, কেনেদৰে কৰিছিল ইয়াৰ সম্পূৰ্ণ ইতিহাস তাত পাবলৈ নাই। ইতিহাসে এটা জাতিক স্বাভিমানী কৰিবও পাৰে আৰু গোলাম মানসিকতাও দিব পাৰে। সেয়েহে ইতিহাস বিশুদ্ধ হোৱা প্ৰয়োজন বুলি মন্তব্য কৰে পাটৰে। আলোচনা সত্ৰখনত আলোচক অতিথিৰূপে অংশগ্ৰহণ কৰা আন এগৰাকী বিশিষ্ট লেখিকা অজন্তা বুঢ়াগোহাঁয়েও লাচিত বৰফুকনৰ প্ৰসংগ উত্থাপন কৰি কয় যে বিদেশৰ বীৰসকলক বিশুদ্ধ আৰু সুন্দৰ ৰূপত সজাই-পৰাই তুলি ইতিহাস ৰচনা কৰা হয়; কিন্তু আমাৰ ইয়াত বীৰ লাচিত বৰফুকনকে সম্পূৰ্ণ শুদ্ধকৈ জানিব পৰা এখনো বুৰঞ্জী নাই। গৱেষণা আৰু সত্যৰ অন্বেষণেহে বিশুদ্ধ ইতিহাসৰ সৃষ্টি কৰে বুলি উল্লেখ কৰে তেওঁ। অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতাই আদৰণি ভাষণ দিয়া আলোচনা সত্ৰখনত সঞ্চালক তথা আলোচক অতিথিসকলক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

### গিৰিপদ দেৱচৌধুৰীৰ সোঁৱৰণত এক বিশেষ অনুষ্ঠান ঃ কে'বাখনো গ্ৰন্থ উন্মোচন

আজি হেজাৰ হেজাৰ গ্ৰন্থপ্ৰেমীৰ অংশগ্ৰহণে উদুলি-মুদুলি হৈ পৰে অসম গ্ৰন্থমেলাৰ বাকৰি। গ্ৰন্থমেলাৰ মূল মঞ্চত আজি অনুষ্ঠিত হয় সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট প্ৰকাশক-লেখক গিৰিপদ দেৱচৌধুৰীৰ সোঁৱৰণত এক বিশেষ অনুষ্ঠান। বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীয়ে সভাপতিত্ব কৰা এই অনুষ্ঠান উদ্বোধন কৰে অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাই। এই অনুষ্ঠানত বক্তাৰূপে অংশগ্ৰহণ কৰে অধ্যাপক গংগাপদ দেৱচৌধুৰী, ড° জগদীশ পাটগিৰি, ড° সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, বিশিষ্ট কবি মীৰা ঠাকুৰ, লেখক-সাহিত্যিক সোণমণি দাস, জুনু দাস, বৰ্ষা নাথ কলিতা, দৈৰক্ষা চৌধুৰী আদিয়ে।

সমান্তৰালভাৱে আজিও গ্ৰন্থমেলাৰ বাকৰিত কে'বাখনো গ্ৰন্থ উন্মোচিত হয়। গল্পকাৰ, ঔপন্যাসিক গীতালি বৰাৰ উপন্যাস 'বুদ্ধজায়া'ৰ বাংলা অনুবাদ আজিৰ পৰা উপলব্ধ হৈছে অসম গ্ৰন্থমেলাত। পশ্চিমবংগৰ লেখক-অনুবাদক নন্দিতা ভট্টাচাৰ্যই অনুবাদ কৰা এই উপন্যাসখন প্ৰকাশ কৰি উলিয়াইছে বাংলাদেশৰ অভিজাত প্ৰকাশন গোষ্ঠী 'মূৰ্ধন্য'ই। আজি 'মূৰ্ধন্য'ই আয়োজন কৰা এক অনুষ্টুপীয়া আয়োজনত অংশগ্ৰহণ কৰি লেখক-সমালোচক ড° প্ৰাঞ্জল শৰ্মা বশিষ্ঠই 'বুদ্ধজায়া' সৰ্ববন্দিত এক নায়কৰ এক ধৰণৰ নাৰীবাদী পুনৰীক্ষণ বুলি উল্লেখ কৰে। অনুষ্ঠানত 'মূৰ্ধন্য'ৰ স্বত্বাধিকাৰী সঞ্জয় মজুমদাৰে কয় যে গ্ৰন্থখনে বাংলাদেশ আৰু পশ্চিমবংগৰ লগতে অসমতো বাংলাভাষী পঢ়ুৱৈৰ আদৰ লাভ কৰিব।

হোমেন বৰগোহাঞি সভাঘৰতো কে'বাখনো নতুন গ্ৰন্থ উন্মোচিত হয়। তদুপৰি কে'বাটাও প্ৰকাশন গোষ্ঠীয়েও নতুন নতুন গ্ৰন্থ উন্মোচন কৰে। উল্লেখ্য যে আজি জনসমাগম বৃদ্ধিৰ সমান্তৰালকৈ গ্ৰন্থ বিক্ৰীৰ পৰিমাণো আশাব্যঞ্জক বুলি জানিবলৈ দিয়ে কে'বাটাও প্ৰকাশন গোষ্ঠীয়ে। সন্ধিয়া গ্ৰন্থমেলাৰ সাংস্কৃতিক কাৰ্যসূচী উদ্বোধন কৰে শিল্পী সূৰ্য গোস্বামীয়ে। ইয়াত অনুষ্ঠান পৰিৱেশন কৰে গুৱাহাটীৰ মুজুৱা কলা কেন্দ্ৰ, প্ৰতিধ্বনি সাংস্কৃতিক দল, দৰঙৰ সংস্কৃতি সংৰক্ষণ কেন্দ্ৰ আৰু সংগীত যাত্ৰাই।

# ডিমৌৰ বাগিচাত ব্যাপক হাৰত কুকুৰা যুঁজ-জুৱা-মদৰ আড্ডা





**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ২ জানুৱাৰী ঃ** ইংৰাজী নৱবৰ্ষৰ প্ৰথম দিন দুটাত ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন চাহ বাগিচা অধ্যুষিত অঞ্চলসমূহত কুকুৰা যুঁজৰ আলম লৈ ব্যাপক হাৰত জুৱা, ডাইছ, চকৰী, তিনি পাতি আদি খেল অনুষ্ঠিত কৰি সামাজিক পৰিৱেশ বিনষ্ট কৰিছে। জুৱা খেলৰ সমান্তৰালকৈ পুৱাৰে পৰা সন্ধিয়ালৈকে অবৈধ চুলাইৰ ঘাটি, ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপৰ ধাবাসমূহত একাংশ লোকে সুৰাপান কৰি সামাজিক পৰিৱেশ বিনষ্ট কৰি অহাৰো অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। ডিমৌ অঞ্চলত চাহ বাগিচাসমূহত আৰক্ষী আৰু আবকাৰী বিভাগৰ চকুত ধূলি দি বৃহৎ পৰিমাণৰ ধনৰ লেনদেন কৰা বুলিও ৰাইজে অভিযোগ উত্থাপন কৰিছে। উচ্চ ন্যায়ালয়ে সম্পূৰ্ণৰূপে নিষিদ্ধ কৰি ৰখাৰ পাছতো একাংশ সমাজবিৰোধী লোকৰ পৃষ্ঠপোষকতাত কুকুৰা যুঁজ অনুষ্ঠিত কৰি আহিছে। ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত আঠাবাৰী চাহ বাগিচা, ৰাজমাই, খৰাহাট, কৃষ্ণ বিহাৰী আদি অঞ্চলত কুকুৰা যুঁজৰ আলম লৈ জুৱা, ডাইছ, মদ, গাঞ্জা আদি ৰোধ কৰিবলৈ শিৱসাগৰ জিলা প্ৰশাসনৰ লগতে ডিমৌ আৰক্ষীক আহ্বান জনাইছে সংগঠনসমূহে। ডিমৌৰ স্থানীয় প্ৰশাসনক সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই অবৈধ কুকুৰা যুঁজ, সুৰাৰ অবৈধ ব্যৱসায় ৰোধ কৰিবলৈ স্মাৰকপত্ৰ প্ৰদান কৰি আহিছে যদিও ডিমৌৰ প্ৰশাসনে এই ক্ষেত্ৰত বিশেষ কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে।

# মাজুলীৰ অন্যতম সত্ৰীয়া সংস্কৃতিৰ সাধক দ্ৰোণকান্ত ভাগৱতীৰ স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ২ জানুৱাৰী ঃ** মাজুলী গড়মূৰ সৰু সত্ৰৰ অক্লান্ত সমাজকৰ্মী, সত্ৰীয়া সংস্কৃতিৰ সাধক, শিল্পী, তথা কলা বিশাৰদ দ্ৰোণকান্ত ভাগৱতীৰ যোৱা ২১ ছেপ্টেম্বৰত মৃত্যু হয়। তেওঁৰ অৱৰ্তমানত মাজুলীত সৃষ্টি কৰা শূন্যতাৰ লগতে তেওঁৰ প্ৰচেষ্টাত প্ৰাণ পাই উঠা মাজুলীৰ প্ৰাচীন কলা-সাংস্কৃতিক অনুষ্ঠান শ্ৰীমন্তশংকৰদেৱ কৃষ্টি সংঘৰ বাবেও এক অপূৰণীয় ক্ষতি হ'ল। তেওঁৰ আত্মাৰ শান্তিৰ লগতে মহৎ গুণৰাজীৰ স্মৰনাৰ্থে শ্ৰীমন্তশংকৰদেৱ কৃষ্টি সংঘ, গড়মূৰ সৰু সত্ৰ পৰিচালনা সমিতি আৰু পৰিয়ালবৰ্গই অহা সাত জানুৱাৰীত এক স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন কৰিছে। কৃষ্টি সংঘৰ প্ৰাংগণত পুৱা ১১ বজাৰ পৰা গড়মূৰ সৰু সত্ৰৰ সত্ৰাধিকাৰ হৰিদেৱ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিতব্য স্মৃতিচাৰণ সভাত মুখ্য অতিথিৰূপে উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামী, বেঙেনাআটী সত্ৰৰ সত্ৰাধিকাৰ ভৱানন্দ গোস্বামী, ঔৱা সত্ৰৰ সত্ৰাধিকাৰ শৰৎ চন্দ্ৰ গোস্বামী, বিলসিদ্ধিয়া সত্ৰৰ সত্ৰাধিকাৰ নন্দদুলাল গোস্বামীৰ স'তে অতিথিৰূপে উপায়ুক্ত পুলক মহন্ত, সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ডম্বৰুধৰ নাথ, অৱসৰপ্ৰাপ্ত অধ্যাপক দিলীপ ফুকন, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া উপস্থিত থাকিব।

# ওদালগুৰিত এছএছবিৰ অভিযানত বৃহৎ পৰিমাণৰ কাঠসহ আটক সাত

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২ জানুৱাৰী ঃ** ওদালগুৰিত এছএছবিৰ অভিযানত ধাৰাবহিকভাৱে জব্দ হৈছে চোৰাং কাঠ। যোৱা ৩০ ডিচেম্বৰৰ নিশা অৰুণাচল সীমান্তৰ চিকাৰীডাংগাত এছএছবিৰ জোৱানে অভিযান চলাই চোৰাং কাঠ ভৰ্তি এখন ট্ৰাক জব্দ কৰে। তথ্য মতে, এএছ-০১ এলচি ৩৫৬১ নম্বৰৰ এখন ট্ৰাকেৰে অৰুণাচলৰ পৰা মাজবাট অভিমুখে চোৰং কাঠ কঢ়িয়াই অনা অৱস্থাত অভিযানকাৰী এছএছবি জোৱানে ট্ৰাকখন জব্দ কৰে। ট্ৰাকখনৰ স'তে চালকসহ সাতজন লোককো আটক কৰে। পৰৱৰ্তী সময়ত জব্দকৃত কাঠসহ ট্ৰাক আৰু আটকাধীন লোককেইজনক কালি ওদালগুৰি বন বিভাগৰ হাতত হস্তান্তৰ কৰে। এছএছবিৰ পৰা জানিব পৰা মতে, ট্ৰাকখনত ৪৫০ টুকুৰা বৃহৎ বৃহৎ মূল্যৱান কাঠৰ ফান্টা আছিল। আটকাধীন লোক কেইজনক আদালতত হাজিৰ কৰাৰ পাছত কালি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য যে বিগত কিছুদিন পূৰ্বেও জিলাখনৰ নোনাই বনাঞ্চলত এছএছবি জোৱানে এখন ট্ৰেক্টৰসহ চোৰাং কাঠ জব্দ কৰিছিল।



# আধ্যাত্মিক ভিত্তিয়ে এখন সমাজৰ উত্তৰণত অৰিহণা যোগায় ঃ ড° শইকীয়া

## জামুগুৰিত স্বভাৱ কবি নৰেন নাথৰ তিনিখনকৈ গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২ জানুৱাৰী ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ জামুগুৰি গাঁৱৰ কবি-সাহিত্যিক, সমাজসেৱক নৰেন নাথৰ কালি তিনিখনকৈ ধৰ্মীয় গ্ৰন্থ উন্মোচন কৰা হয়। 'ভাগৱতৰ সাৰ, গুণমালাৰ সৰলাৰ্থ, পাৰমাৰ্থিক কবিতা' নামৰ গ্ৰন্থ তিনিখন উন্মোচন কৰা হয়। এই উপলক্ষে লেখকগৰাকীৰ নিজা বাসগৃহৰ চোতালত এক অনুষ্ঠানত গ্ৰন্থ তিনিখন উন্মোচন কৰে নিৰন্ধকাৰ, মৰিগাঁও মহাবিদ্যালয়ৰ অধ্যাপক ড° বোধেন শইকীয়াই। উক্ত গ্ৰন্থ উন্মোচনী অনুষ্ঠানত ড° বোধেন শইকীয়াই কয় যে ভাৰতীয় তথা অসমীয়া সমাজৰ আধ্যাত্মিক চিন্তা-চৰ্চাই সমাজ এখন আগবঢ়াই যোৱাত প্ৰৱল অৰিহণা যোগায়। এটা জাতি বৌদ্ধিকভাৱে আগবাঢ়িলেহে জাতিটোৰ উত্তৰণ হয়। আমাৰ ঐতিহ্য সম্পৰ্কে আমি সকলো উদাসীন। আমি উদাসীনতা পৰিত্যাগ কৰি আমাৰ সবল জাতি সত্তাক জীয়াই ৰাখিব পাৰো। গীতা, ভাগৱতৰ আদৰ্শৰে আমি সকলো আগবাঢ়ি যাব লাগিব। গ্ৰন্থ কেইখনৰ লেখক নাথে আঁতধৰা সভাত অতিথিৰূপে সাংবাদিক দেৱজিৎ হাজৰিকাই কয়, 'সাম্প্ৰতিক সময়ত গ্ৰন্থ অধ্যয়নৰ প্ৰতি বৰ্তমান ১৩ পৃষ্ঠাত চাওক



# কোঁৱৰপুৰত 'কিতাপ পঢ়াৰ দিন' উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২ জানুৱাৰী ঃ** চৌদিশে ইংৰাজী নৱবৰ্ষক আদৰণি জনোৱাৰ উখল-মাখল পৰিৱেশ সৃষ্টি হৈ থকাৰ সময়তে পহিলা জানুৱাৰীত শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ মৌজাৰ শান্তিপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে কিতাপ পঢ়াৰ দিন উদ্‌যাপন কৰে। বিগত সাত বছৰ ধৰি উক্ত বিদ্যালয়ৰ শিক্ষক আৰু বিদ্যালয়ৰ পৰিচালনা সমিতিৰ ঐকান্তিক প্ৰচেষ্টাত ছাত্ৰ-ছাত্ৰীসকলৰ স'তে বিদ্যালয়ত প্ৰীতিভোজৰ আয়োজনৰ লগতে কিতাপ পঢ়াৰ দিন আৰু বিভিন্ন গীত-নৃত্যৰে জীপাল কৰি তোলে। অনুষ্ঠানত শিক্ষাবিদ ড° সোণেশ্বৰ বৰাৰ লগতে হিমাদ্ৰীজ্যোতি দত্ত, ভূপেন হাজৰিকা, শান্তিপুৰ গাঁও পঞ্চায়তৰ সভাপতি জিতুৰাজ বৰুৱা, বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হেমন্ত বৰা, সমাজকৰ্মী লীলা বৰা, কোঁৱৰপুৰ প্ৰেছ ক্লাবৰ সভাপতি পদুম কুমাৰ শইকীয়াকে ধৰি কে'বাজনো ব্যক্তি উপস্থিত থাকে। নিবেদিতা ভূঞাই আঁত ধৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক বিজয় কৃষ্ণ দত্তই। প্ৰণতি বৰাৰ পৰিচালনাত কস্তুৰী ভূঞা, বৰষা বৰা আৰু ডেইজী দত্তই কবিতা আবৃত্তি, সম্প্ৰতি বৰা আৰু প্লাৱিতা বৰুৱাই গীত পৰিৱেশন, আশা কলিতা, বৰ্ণালী মিলি, দৰ্শনা বৰা, যোগানন্দ মিলিৰ নৃত্যৰে অনুষ্ঠান জীপাল কৰি তোলে।

# চাবুৱাৰ পৰা অসমবাসী-সংবাদকৰ্মীলৈ শুভেচ্ছা কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালৰ

**অগ্ৰদূত বাৰ্তা**

**চাবুৱা, ২ জানুৱাৰী ঃ** নৱবৰ্ষৰ পহিলা দিনটোতে জন্মস্থান মুলুকগাঁৱত উপস্থিত হৈ অসমবাসীলৈ শুভেচ্ছা জনায় অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। দিনৰ ভাগত জন্ম গাঁওখনত উপস্থিত হৈ মন্ত্ৰী সোণোৱালে পিতৃগৃহত প্ৰৱেশৰ প্ৰাক্ মুহূৰ্তত প্ৰয়াত পিতৃ-মাতৃ ক্ৰমে জীৱেশ্বৰ সোণোৱাল আৰু দীনেশ্বৰী সোণোৱালৰ সমাধিস্থলীত ধূপ-চাকি প্ৰজ্বলনেৰে এভাগি সেৱা আগবঢ়ায়। ইয়াৰ পাছতে উপস্থিত হয়গৈ মুলুক গাঁৱৰ সমীপৰ ডিব্ৰু নৈৰ বালিচৰত। নৱবৰ্ষৰ পহিলা দিনটোত দলীয় কৰ্মকৰ্তাৰ লগতে গাঁৱৰ ৰাইজৰ স'তে এসাঁজ ভাত একেলগে খোৱা আৰু এক অন্তৰংগ মুহূৰ্ত কটোৱাৰ উদ্দেশ্যে প্ৰায় তিনি ঘণ্টাৰ অন্তৰংগ সময় অতিবাহিত কৰে মন্ত্ৰীজনে। তদুপৰি কেবিনেট মন্ত্ৰী সোণোৱালে ডিব্ৰু নৈৰ বুকুত নৌকা বিহাৰ কৰি ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ নৈসৰ্গিক শোভা উপভোগ কৰে। তদুপৰি সাংবাদিকসকলৰে হোৱা কথা -বতৰাত মন্ত্ৰীজনে আগন্তুক সময়ত অসমৰ ৰাইজৰ সকলো প্ৰকাৰৰ শান্তি আৰু মংগল কামনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতবৰ্ষই বিশ্বৰ অন্যতম শক্তিশালী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'ব বুলি মন্তব্য কৰি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কৰ্মৰ সফলতাকো উচ্চ প্ৰশংসা কৰে। আনহাতে ৰাইজৰ স্বাৰ্থৰ হকে দিনে-নিশাই একাকাৰ কৰি অশেষ কষ্টৰ মাজেৰে বাতৰি পৰিৱেশন কৰা তথা গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ স্বৰূপ অসমৰ সংবাদ কৰ্মীসকলকো নৱবৰ্ষৰ আন্তৰিক শুভেচ্ছা জনায় কেবিনেট মন্ত্ৰীজনে। একেদৰে সাহিত্য, ক্ৰীড়া, সাংস্কৃতিক আদি ক্ষেত্ৰখনত জড়িত হৈ আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত উজলি উঠি ৰাজ্যখনলৈ সুনাম কঢ়িয়াই অনা কৃতী ব্যক্তিসকলকো নৱবৰ্ষৰ শুভেচ্ছা জনায়। মন্ত্ৰীজনক সংগ প্ৰদান কৰে ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, লাহোৱাল বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা বৰ্তমানৰ অসম পৰ্যটন বিভাগৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, সুভাষ দত্ত, ডিকম জিলা পৰিষদৰ সদস্য ব্ৰজেন গগৈকে ধৰি অন্যান্যসকলে।

# শীতৰ সন্ধিয়া গীত আৰু কবিতাৰ আড্ডা আনন্দপুৰত

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ২ জানুৱাৰী ঃ** বাগ্‌সাৰ মুছলপুৰত নৱবৰ্ষৰ নিশাটো ব্যতিক্ৰমী অনুষ্ঠানেৰে আদৰা হ'ল। শীতৰ ঠেটুৱৈ লগা জাৰত ঘৰৰ চোতালত 'গীত আৰু কবিতাৰ আড্ডা' শীৰ্ষক ব্যতিক্ৰমী অনুষ্ঠান। বৰিমাখা শাখা সাহিত্য সভাৰ উদ্যোগত সাংবাদিক মনোহৰ ৰাজবংশীৰ বাসগৃহত এই মনোজ্ঞ অনুষ্ঠান ৰূপায়িত হয়। সমাজকৰ্মী তথা সংগঠক ৰমেশ চন্দ্ৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত মনোজ্ঞ অনুষ্ঠানত কে'বাজনো নবীন-প্ৰবীণ শিল্পীৰ লগতে সাহিত্যসেৱীয়ে গীত গোৱাৰ লগতে কবিতা পাঠ কৰি শীতল সন্ধিয়াটো জীপাল কৰি তোলে। অনুষ্ঠানত কণ কণ ল'ৰা-ছোৱালীয়ে নৃত্য পৰিৱেশন কৰে। অনুষ্ঠানলৈ অহা বিশিষ্ট ব্যক্তিসকলক গছপুলিৰে সম্ভাষণ জনোৱা হয়। ডেৰ শতাধিক পুৰুষ-মহিলা উপস্থিত থকা অনুষ্ঠানত সাংবাদিক, সাহিত্যসেৱী, লোকগীতৰ শিল্পী, শিক্ষক, নামতী দল আদিয়ে অনুষ্ঠান জীপাল কৰি তোলে।

# ডিগবৈত বন্যহস্তীৰ আক্ৰমণত নিহত এজন

**ডিগবৈ, ২ জানুৱাৰী ঃ** ইংৰাজী নৱবৰ্ষৰ প্ৰথম দিনাই ডিগবৈত বন্যহস্তীৰ আক্ৰমণত এজন লোকৰ মৃত্যু হয়। ডিগবৈ বন সংমণ্ডলৰ আপাৰ দিহিঙৰ অন্তৰ্গত লক্ষীপথাৰ বনাঞ্চলৰ গাতে লাগি থকা বালিজান নেপালী গাঁৱৰ নিবাসী নিৰ্মল সিং ছেত্ৰী (৬৬)য়ে দিনৰ ভাগত বনাঞ্চলৰ কাষতে এৰাল দিয়া গৰু চাবলৈ যাওতে বনৰীয়া হাতীৰ আক্ৰমণৰ বলি হ'বলগীয়া হয়। সন্ধিয়ালৈকে ঘৰলৈ উভতি নহাত স্থানীয় লোকে কৰা সন্দেহ অনুসৰি বিচাৰি যোৱাত বনৰীয়া হাতীৰ এটা জাকৰ মাজৰ পৰা ছেত্ৰীৰ মৃতদেহ উদ্ধাৰ কৰে। ঘটনাস্থলীত ডিগবৈ আৰক্ষী থানাৰ সহঃ উপ-পৰিদৰ্শক প্ৰিয়ধৰ সন্দিকৈ উপস্থিত হৈ মৃতদেহ চমজি লোৱাৰ লগতে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে।

# বঙাইগাঁও জিলাত 'প্ৰকল্প মৃত্যুঞ্জয়' আৰম্ভ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২ জানুৱাৰী ঃ** বঙাইগাঁও জিলাত নৱবৰ্ষৰ প্ৰথম দিনটোতে জিলাখনক দুৰ্ঘটনামুক্ত জিলা হিচাপে গঢ়ি তুলিবলৈ উপায়ুক্ত ডাঃ এম এছ লক্ষ্মী প্ৰিয়াৰ চিন্তা-চৰ্চাৰে 'প্ৰকল্প মৃত্যুঞ্জয়'ৰ মুকলি কৰা হয়। বঙাইগাঁও চহৰৰ দেউৰীপাৰাস্থিত জিলা পৰিবহণ বিষয়া কাৰ্যালয়ৰ চৌহদত প্ৰকল্পৰ মুকলি কৰে। বঙাইগাঁও সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰী আৰু উপায়ুক্ত ডাঃ এম এছ লক্ষ্মী প্ৰিয়াই। বিধায়ক চৌধুৰীয়ে দুৰ্ঘটনামুক্ত বঙাইগাঁও গঢ়িবলৈ জিলা প্ৰশাসনক ৰাইজে সহযোগিতা আগবঢ়াব লাগিব বুলি উল্লেখ কৰে। জিলাখনত সকলো গাড়ীচালকে ছীট বেল্ট মাৰক, দুচকীয়া বাহনত আৰোহীয়ে হেলমেট পিন্ধি গাড়ী চলাওক, সুৰাপান কৰি গাড়ী চলোৱা পৰিত্যাগ কৰক, গাড়ী চলোৱাৰ সময়ত ম'বাইলত কথা পতা অভ্যাস পৰিত্যাগ কৰি জিলাখনক দুৰ্ঘটনামুক্ত জিলা হিচাপে স্বীকৃত কৰিবলৈ সকলোৰে সহযোগ কৰক'- এই আশা প্ৰকাশ কৰে উপায়ুক্তজনে।

অনুষ্ঠানত কাৰ্যসূচীৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা পৰিবহণ বিষয়া দীপজ্যোতি নেওগে। কাৰ্যসূচীৰ অংশ হিচাপে অগ্নি নিৰ্বাপক বাহিনীৰ বিষয়া অমিত বৰ্মনৰ পৰিচালনাৰে উক্ত বিভাগ আৰু যানবাহন আৰক্ষীয়ে দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত লোকক তাৎক্ষণিকভাৱে কষ্ট নোপোৱাকৈ কেনেদৰে প্ৰাথমিক সাহায্য আগবঢ়াব পাৰি তাৰ কিছুমান সহজ কৌশল প্ৰদৰ্শন কৰে। অনুষ্ঠানত গাড়ী চলোৱা নিয়মসমূহ মানি চলাৰ বাবে শপত বাক্য পাঠ কৰোৱায় উপায়ুক্ত ডাঃ এম এছ লক্ষ্মী প্ৰিয়াই। অনুষ্ঠানত নিয়ম মানি গাড়ী চলোৱা নগৰাকী গাড়ীচালকক বঁটা প্ৰদান কৰা হয়। 'প্ৰকল্প মৃত্যুঞ্জয়' আৰম্ভণি অনুষ্ঠানৰ আন এটা কাৰ্যসূচী আছিল মটৰচাইকেল সমদল। গাড়ী চলোৱাৰ নিয়মসমূহ প্লেকাৰ্ডত প্ৰদৰ্শন কৰি সমদল উলিওৱা হয় জিলা পৰিবহণ বিষয়া কাৰ্যালয়ৰ পৰা আৰু সমদল পতাকা জোঁকাৰি মুকলি কৰে উপায়ুক্ত ডাঃ এম এছ লক্ষ্মী প্ৰিয়াই।

# গোলাঘাটত শ্ৰীমদ্ভাগৱত ইণ্টাৰনেট সংস্কৰণ মুকলি

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২ জানুৱাৰী ঃ** গোলাঘাটৰ যুৱ প্ৰজন্মৰ প্ৰগতিশীল লেখক আৰু সমাজকৰ্মী ৰক্তিম বৰাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে উদ্ধাৰ কৰা তথা অসমীয়া জাতিৰ সঞ্জীৱনী শক্তি শ্ৰীমদ্ভাগৱত ইণ্টাৰনেট সংস্কৰণ আজি মুকলি কৰে। উল্লেখ্য যে সম্পূৰ্ণ দুটা বৰ্ষজোৰা নিৰৱচ্ছিন্ন প্ৰচেষ্টাত যুৱ প্ৰজন্মৰ ভাগৱতপ্ৰেমী লেখকজনে চাৰি লাখ ৭৫ হেজাৰ শব্দ, ৯৮ হেজাৰ শ্লোক, ১৪৫০ পৃষ্ঠা আৰু ৩৩৫ টা অধ্যায়েৰে সমাহিত দ্বাদশ স্কন্ধ শ্ৰীমদ্ভাগৱত গ্ৰন্থখন ইণ্টাৰনেটত লিপিবদ্ধ কৰি ভাগৱতপ্ৰেমী ৰাইজলৈ আগবঢ়াইছে। উল্লেখ্য যে অসমীয়া ইউনিক'ডত উক্ত ভাগৱত ভাগ উপলব্ধ হ'ব। লেখকজনৰ এনে পদক্ষেপক ফৰকাটিং-ঘিলাধাৰী প্ৰেছ ক্লাব-অসম বৈদিক-বৈষ্ণৱ মহাসভা গোলাঘাট জিলা বৰ নামঘৰ আৰু জিলা সমিতি, লক্ষীবাৰী শাখা সাহিত্য সভা আদি সংগঠনে যুৱকজনৰ এনে প্ৰচেষ্টাক আদৰণি জনাইছে।

# ভৱানীপুৰৰ পটাত অগ্নিকাণ্ডত বাসগৃহ ভস্মীভূত

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ২ জানুৱাৰী ঃ** ভৱানীপুৰ সমষ্টিৰ পটা গাঁৱত যোৱা নিশা সংঘটিত অগ্নিকাণ্ডত বিস্তৰ ক্ষতি হয়। নিশা প্ৰায় ১১ বজাত ৰাজীৱ আলী নামৰ লোক এজনৰ ঘৰত অগ্নিকাণ্ডটোৰ ঘটনা সংঘটিত হয়। অগ্নিকাণ্ডটো কেনেকৈ সূত্ৰপাত হয় জানিব পৰা হোৱা নাই যদিও কোনো দুষ্কৃতিকাৰীয়ে অগ্নি সংযোগ কৰা বুলি একাংশ স্থানীয় লোকে সন্দেহ প্ৰকাশ কৰিছে। অগ্নিকাণ্ডটোত এটা বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ লগতে লক্ষাধিক টকাৰ সা-সম্পত্তি ছাই হয়। ঘৰত কোনো নথকা অৱস্থাত সংঘটিত অগ্নিকাণ্ডটোৰ জুই স্থানীয় লোকে নিৰ্বাপণ কৰিবলৈ সক্ষম হয়।

# ধনদাবীৰ অপৰাধত ভংগ হ'ল হুৰকাচুঙী এম ই স্কুলৰ পৰিচালনা সমিতি

## ■ সমন্বয়ক সহিদুল হকক ৰক্ষণা-বেক্ষণৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২ জানুৱাৰী ঃ** ধনদাবীৰ অপৰাধত গোৱালপাৰা জিলাৰ হুৰকাচুঙী এম ই স্কুলৰ পৰিচালনা সমিতি ভংগ কৰি দিয়া হৈছে। প্ৰাপ্ত অভিযোগ মতে, লক্ষীপুৰ শিক্ষা খণ্ডৰ অন্তৰ্গত হুৰকাচুঙী এম ই স্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰীৰ পৰা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আবুল কাসেম আৰু সমন্বয়ক সহিদুল হকে জোৰপূৰ্বকভাৱে ৪০ হেজাৰ টকা লয়। এই সন্দৰ্ভত জিলা প্ৰাথমিক শিক্ষা বিষয়াক লিখিত অভিযোগ দাখিলৰ পাছত শিক্ষা বিষয়াজনে যোৱা ন নৱেম্বৰত শুনানি গ্ৰহণ কৰে আৰু প্ৰধান শিক্ষয়িত্ৰীৰ অভিযোগৰ সত্যতা প্ৰমাণিত হয়। তদুপৰি ইয়াৰ পূৰ্বেও বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিজনে ভাউচাৰ অনুমোদন দিয়াৰ নামত প্ৰধান শিক্ষয়িত্ৰীৰ পৰা ১০ হেজাৰ টকা উৎকোচ বিচাৰিছিল। কিন্তু ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰীয়ে সভাপতিয়ে দাবী কৰা ধন দিবলৈ অস্বীকাৰ কৰে। ইয়াৰ উপৰি বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আবুল কাসেম, সদস্য ক্ৰমে পৰান আলী, ছফিৰ উদ্দিন, বছিৰ উদ্দিনেও ভাউচাৰ অনুমোদনৰ নামত ধন দাবী কৰিছিল। ইমানতে ক্ষান্ত নাথাকি বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য পৰান আলীয়ে ঈদৰ সময়ত সকলো সদস্যকে পাঁচশ টকাকৈ দিবলৈ দাবী কৰিছিল। উক্ত ঘটনা সন্দৰ্ভত জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ নিৰ্দেশমৰ্মে লক্ষীপুৰ শিক্ষা খণ্ড বিষয়াই তদন্ত কৰি এক প্ৰতিবেদন দাখিল কৰে। শিক্ষা খণ্ড বিষয়াৰ প্ৰতিবেদনতো ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰীৰ অভিযোগসমূহৰ সত্যতা প্ৰমাণিত হয়। ইপিনে, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিজনে ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰীৰ বিৰুদ্ধে কেতবোৰ অভিযোগ ১৩ পৃষ্ঠাত চাওক

# শিক্ষকৰ আৰ্জিত ছুটী ২৪ দিন হাইস্কুল শিক্ষক সংস্থাৰ প্ৰতিক্ৰিয়া

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২ জানুৱাৰী ঃ** অসম হাইস্কুল শিক্ষক সংস্থাই দীৰ্ঘদিন ধৰি ৰাজ্যখনৰ শিক্ষকসকলৰ আৰ্জিত ছুটী ১০ দিনৰ পৰিৱৰ্তে ত্ৰিশ দিন কৰাৰ বাবে দাবী জনাই অহাৰ পাছতো একাংশ শিক্ষকে সংবাদ মাধ্যমত শিক্ষকসকলৰ বাবে আৰ্জিত ছুটী ২৪ দিন হ'ব বুলি কৰা ঘোষণাত অসম হাইস্কুল শিক্ষক সংস্থাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। যোৱা ৩০ ডিচেম্বৰত সংবাদ মাধ্যমলৈ দিয়া এক বিবৃতিত এই কথা প্ৰকাশ কৰিছে অসম হাইস্কুল শিক্ষক সংস্থাৰ সভাপতি খনিন্দ্ৰ কুমাৰ গোস্বামী আৰু সম্পাদক আনোৱাৰ হুছেইনে। নেতাদ্বয়ে কয় যে ২০২০ৰ পাঁচ নৱেম্বৰত সেই সময়ৰ শিক্ষামন্ত্ৰী আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰীৰ স'তে হোৱা আলোচনাত শিক্ষকসকলৰ আৰ্জিত ছুটী ৩০ দিন আৰু স্নাতক শিক্ষকৰ ৩০০ টকা বিশেষ ভাট্টা মূল বেতনত সংযোগ কৰাকে আদি কৰি ভালেকেইটা সমস্যা সমাধান কৰাৰ বাবে চৰকাৰক আহ্বান জনাই অহাৰ পৰিপ্ৰেক্ষিতত হাইস্কুল শিক্ষক সংস্থাৰে এখন চুক্তিও স্বাক্ষৰিত হয়। পুনৰ চলিত বৰ্ষৰ পাঁচ নৱেম্বৰত মুখ্যমন্ত্ৰীৰে হোৱা আলোচনাত উল্লিখিত সমস্যা অতি শীঘ্ৰে সমাধান কৰাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা বুলি সংস্থাৰ নেতৃত্বক কয়। সেই মৰ্মে শিক্ষকসকলৰ আৰ্জিত ছুটী ৩০ দিন আৰু স্নাতক শিক্ষকৰ বিশেষ ভাট্টা ৩০০ টকা মূল বেতনত সংযোগ কৰা বুলি চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰা বুলি কয়। তেনেস্থলত একাংশ শিক্ষক বিৰোধী শিক্ষকে টুলুঙা মন্তব্য কৰাক লৈ হাইস্কুল শিক্ষক সংস্থাই তীব্ৰ বিৰোধিতা কৰিছে।

# অসমীয়া ভাষা ব্যৱহৃত ব্যৱসায়িক প্ৰতিষ্ঠানক টংলা সাহিত্য সভাৰ প্ৰশংসা পত্ৰ

**অগ্ৰদূত বাৰ্তা**

**টংলা, ২ জানুৱাৰী ঃ** ওদালগুৰি জিলা সাহিত্য সভাৰ উদ্যোগত টংলা সাহিত্য সভাৰ সহযোগত কালি ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত টংলা সাহিত্য সভাৰ অন্তৰ্গত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ নামফলকত 'অসমীয়া ভাষা' ব্যৱহাৰ কৰি ৰাজ্যিক ভাষাটোৰ ব্যৱহাৰৰ বাবে ব্যৱসায় প্ৰতিষ্ঠানসমূহক প্ৰশংসা পত্ৰ প্ৰদানেৰে সন্মানিত কৰা হয়। প্ৰথম প্ৰশংসা পত্ৰখন টংলা চহৰৰ ধনৰাজ হোটেল এণ্ড ৰেষ্টুৰেন্টখনলৈ ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ কলিতাই প্ৰদান কৰে। লগতে এখন বিহুৱানেৰে আদৰণি জনাই টংলা সাহিত্য সভাৰ সভাপতি গৌৰীশংকৰ দাসে। লগতে অনুষ্ঠানত উপস্থিত থাকে অসম সাহিত্য সভাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক ভদ্ৰকান্ত শৰ্মা, দেৱৰাজ সাপকাতা, ধৰণীধৰ মেধি, ওদালগুৰি জিলা সাহিত্য সভাৰ উপ-সভাপতি আদিত চন্দ্ৰ কলিতা, সম্পাদক ড° পবিত্ৰ শৰ্মা, সহকাৰী সম্পাদক তপেশ্বৰ ১৩ পৃষ্ঠাত চাওক



# গ্ৰামাঞ্চলৰ অৰ্থনৈতিক ভেটি গঢ় দিয়াত শিপিনীৰ ভূমিকা অপৰিসীম

## ■ শুৱালকুছিত শিপিনীৰ সমৰথ প্ৰশিক্ষণ শিবিৰ উদ্বোধন

**অগ্ৰদূতবাৰ্তা**

**শুৱালকুছি, ২ জানুৱাৰী ঃ** শিপিনীসকল দেশ-ৰাজ্যৰ বাবে এক সম্পদ। কিয়নো দেশত অৰ্থনৈতিক দিশত এক মুখ্য ভূমিকা লোৱা কৃষিৰ পাছতে হ'ল হস্ততাঁত বস্ত্ৰশিল্প। হস্ততাঁত বস্ত্ৰশিল্পৰ জৰিয়তে দেশ ৰাজ্যই অৰ্থনৈতিক দিশত এক বিশেষ সকাহ লাভ কৰি আহিছে। বিশেষকৈ গ্ৰামাঞ্চলৰ অৰ্থনৈতিক ভেটি গঢ়াত স্থানীয় শিপিনীসকলৰ অপৰিসীম ভূমিকা আছে। শিপিনীসকলৰ হাতৰ পৰশত প্ৰাণ পাই উঠা বস্ত্ৰই সকলোৰে পৰিধান কৰি আহিছে। অৱশ্যে বৰ্তমানৰ যন্ত্ৰচালিত যুগত শিপিনীসকল এক প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছে যদিও গ্ৰামাঞ্চলত শিপিনীৰ আদৰ এতিয়াও অক্ষুণ্ণ আছে। এই মন্তব্য শুৱালকুছি সাংবাদিক সংস্থাৰ সভাপতি দিলীপ মেধিৰ। যোৱা ৩০ ডিচেম্বৰত শুৱালকুছিত শিপিনীৰ সমৰথ প্ৰশিক্ষণ শিবিৰ এটা উদ্বোধন কৰি তেওঁ ১৩ পৃষ্ঠাত চাওক



# মৰাণত চোৰৰ উৎপাত একে নিশাতে তিনিটা নামঘৰত চুৰি কাণ্ড

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২ জানুৱাৰী ঃ** যোৱা কিছুদিন ধৰি মৰাণ নগৰকে ধৰি দাঁতি-কাষৰীয়া অঞ্চলত নিশা চোৰৰ উৎপাতত ৰাইজ অতিষ্ঠ হৈছে। যোৱা নিশা ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ দিখাৰী গাঁৱত তিনিটা নামঘৰত চোৰে চুৰি কৰে। ৰাইজে উল্লেখ কৰা মতে নামঘৰ তিনিটাৰ দুৱাৰৰ তলা ভাঙি চোৰে বৰতাল, শৰাই, ৰূপৰ ফুলিকে ধৰি বহু মূল্যবান সামগ্ৰী চুৰি কৰে। ৰাইজে এই সন্দৰ্ভত আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে।

# প্ৰচাৰ বিমুখ টীয়কৰ এগৰাকী কোকিলকণ্ঠী গায়িকা

## ■ নীৰৱ সাধনাত ব্যস্ত শংকৰদেৱ-মাধদেৱৰ বৰগীত চৰ্চাত ■ চৰকাৰী স্বীকৃতিৰ পৰা বঞ্চিত শিল্পী মঞ্জু শৰ্মা



**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ২ জানুৱাৰী ঃ** জীৱনৰ অধিকাংশ সময়ে সংগীত চৰ্চা কৰা এগৰাকী প্ৰচাৰ বিমুখ সংগীতশিল্পী হ'ল সংস্কৃত নগৰী যোৰহাট জিলাৰ টীয়ক ব্ৰাহ্মণগাঁৱৰ মঞ্জু শৰ্মা। এইগৰাকী শিল্পীৰ কণ্ঠত নিগৰিত হয় শংকৰ মাধৱৰ বৰগীতৰ লগতে জ্যোতিসংগীত, লোকসংগীতৰ অমিয়া সুৰৰ মূৰ্চ্ছনা। জীৱনৰ নানা ঘাত প্ৰতিঘাত অতিক্ৰম কৰি নীৰৱে সংস্কৃতিৰ সাধনা কৰি অহা এই প্ৰচাৰ বিমুখ শিল্পীগৰাকী ১৯৮৯ত তিতাবৰ কমলাবাৰী সত্ৰৰ কৃষ্ণ গায়ন আৰু নৰেন বৰবায়নৰ ওচৰত সংগীতৰ আদি পাঠ গ্ৰহণ কৰে। শিল্পীগৰাকীয়ে প্ৰথমবাৰৰ বাবে টীয়ক সাতগাঁও সমিতিৰ উদ্যোগত পৰ্বতীয়া গাঁৱত শংকৰ জন্মোৎসৱত অনুষ্ঠিত বৰগীত প্ৰতিযোগিতাত প্ৰথম স্থান দখল কৰি পাছলৈ উভতি চাবলগীয়া হোৱা নাই। বিভিন্ন অনুষ্ঠানত সংগীত পৰিৱেশন কৰি সুনাম বুটলিবলৈ সক্ষম হোৱা শিল্পীগৰাকীয়ে টীয়ক সোণাৰি গাঁৱৰ 'অগ্ৰগণী মইনা পাৰিজাত' শিশু উন্নয়ন সমিতিত বৰগীতৰ প্ৰশিক্ষৰ দৰে গুৰু দায়িত্ব বহন কৰিছে। তদুপৰি সুদীৰ্ঘ ২৫টা বছৰে শংকৰজ্যোতি কলা-কৃষ্টি কেন্দ্ৰত উদ্‌যাপিত ৰাসত সংগীতৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰাৰ লগতে যোৰহাট আৰু ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰত নিয়মীয়াকৈ বৰগীত পৰিৱেশন কৰিছিল এইগৰাকী শিল্পীয়ে। প্ৰচাৰ বিমুখ শিল্পীগৰাকীৰ সংগীত যাত্ৰাৰ সন্দৰ্ভত কয়, 'সংগীতক নিজতকৈ বেছি ভালপাওঁ; কিন্তু পৰিয়ালৰ কথা ভাবি আজি-কালি থমকি ৰ'ব লগা হৈছে।' তৎসত্ত্বেও ৰাইজৰ আমন্ত্ৰণ ৰক্ষা কৰি টীয়কৰ বিভিন্ন স্থানত অনুষ্ঠিত ৰাসৰ গীতসমূহত তেওঁ মুখ্য ভূমিকা গ্ৰহণ কৰাৰ লগতে অঞ্চলটোত অনুষ্ঠিত প্ৰতিযোগিতামূলক সংগীতানুষ্ঠানত তেওঁ বিচাৰকৰ দায়িত্ব পালন কৰি আহিছে। উল্লেখ্য যে ২০১৮ত ৰাজ্য চৰকাৰৰ সৰ্বশিক্ষা বিভাগে অনুষ্ঠিত কৰা দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ সমিতিৰ লগত জড়িত হৈ ৫৪ নম্বৰ দুলীয়া প্ৰাথমিক বিদ্যালয় আৰু টীয়ক সোণাৰি গাঁও প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বৰগীত, জ্যোতিসংগীত, লোকসংগীতৰ প্ৰশিক্ষণ ১৩ পৃষ্ঠাত চাওক






# বিৰাট বাহিনীৰ ইতিহাস সৃষ্টিত বাধা হ'ব বৰষুণ!

## অতিৰিক্ত বেটাৰ খেলাব পাৰে ভাৰতে ঃ একাধিক সাল-সলনি হ'ব ঘৰুৱা দলত

**নিউজ ব্যুৰ'**
**জোহান্সবাৰ্গ, ২ জানুৱাৰী ঃ** দক্ষিণ আফ্ৰিকাৰ ভূমিত প্ৰথমবাৰলৈ টেষ্ট শৃংখলা জয়ৰ বিৰল সুযোগ পাইছে ভাৰতে। সেই ঐতিহাসিক জয় নিশ্চিত কৰাৰ লক্ষ্যৰে কাইলৈৰ পৰা 'ভাগ্যশালী' ষ্টেডিয়াম জোহান্সবাৰ্গৰ ৱাণ্ডেৰাৰ্ছত দ্বিতীয় টেষ্টত অৱতীৰ্ণ হ'ল বিৰাট কোহলিৰ দল। তুলনামূলকভাৱে দুৰ্বল ঘৰুৱা দলক পৰাস্ত কৰি শৃংখলা জয় নিশ্চিত কৰাৰ ক্ষেত্ৰত অৱশ্যে বিৰাট বাহিনীৰ পথত বাধাৰ সৃষ্টি কৰিব পাৰে বৰষুণে।

দক্ষিণ আফ্ৰিকাৰ বতৰ বিভাগৰ মতে, কাইলৈ জোহান্সবাৰ্গৰ আকাশ মেঘাচ্ছন্ন হৈ থাকিব। পৰৱৰ্তী চাৰিওদিনতে বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ফলত অধিকাংশ সময় খেল নষ্ট হোৱাৰ আশংকাও আছে। প্ৰথম টেষ্টতো দ্বিতীয় দিনাৰ খেল বৰষুণৰ বাবে পণ্ড হৈছিল। তৎসত্ত্বেও ভাৰতে চাৰিদিনতে বিজয় অৰ্জন কৰিছিল। সেই দিশৰ পৰা কোহলিৰ দৰে আত্মবিশ্বাসী ৰূপতে কাইলৈ অৱতীৰ্ণ হ'ব। ভাৰতৰ মূল একাদশত সালসলনিৰ সম্ভাৱনা কম। অৱশ্যে প্ৰথম টেষ্টতো দলক বেটিঙে কিছু চিন্তাত ৰাখিছিল। ৱাণ্ডেৰাৰ্ছৰ উইকেটতো পেচবলাৰে সাহায্য পাব। উইকেটত আছে অসমান বাউন্স। তাতে বৰষুণ পৰিলে পেচবলাৰে অধিক সাহায্য পাব। আনহাতে, ভাৰতৰ মধ্যক্ৰমত তিনি অভিজ্ঞ বেটাৰ অধিনায়ক কোহলি, চেটেশ্বৰ পূজাৰা আৰু অজিংক্য ৰাহানেৰ বেটত ৰাণ নাই। সেয়ে সতৰ্কতামূলক ব্যৱস্থাৰূপে ভাৰতে এজন অতিৰিক্ত বেটাৰ খেলাব পাৰে বুলি দলীয় সূত্ৰই জনাইছে। সেই ক্ষেত্ৰত শাৰ্দুল ঠাকুৰৰ সলনি শ্ৰেয়াছ আয়াৰ বা হনুমা বিহাৰী অন্তৰ্ভুক্ত হ'ব।

ইফালে, প্ৰথম টেষ্টৰ পাছতে তাৰকা উইকেটকীপাৰ-বেটাৰ কুইন্টন ডি ক'কে অৱসৰ ঘোষণা কৰাত দলটোৰ শক্তি অধিক হ্ৰাস পালে। ডি ক'কৰ পৰিৱৰ্তে কাইল ভেৰেইনেই উইকেট ৰক্ষাৰ দায়িত্ব পালন কৰিব। সেইদৰে ফাষ্টবলাৰ ডুৱানে অলিভিয়েৰে মূল একাদশত সুযোগ পোৱাটো নিশ্চিত। সেই ক্ষেত্ৰত উইয়ান মূল্ডাৰ, মাৰ্কো জেন্সেন বা কেশৱ মহাৰাজৰ ভিতৰত এজন বাদ পৰিব।

উল্লেখ্য যে জোহান্সবাৰ্গত ভাৰতে এই পৰ্যন্ত এখন টেষ্টতো পৰাজয়ৰ গ্লানি সহ্য কৰা নাই। এই ষ্টেডিয়ামত এই পৰ্যন্ত পাঁচখন টেষ্ট খেলি ভাৰতে দুখনত বিজয় সাব্যস্ত কৰিছে। তিনিখন টেষ্ট অমীমাংসিতৰূপে সমাপ্ত হৈছে। ইয়াৰ বিপৰীতে ঘৰুৱা দলটোৰ বাবে জোহান্সবাৰ্গ বৰ ভাগ্যশালী নহয়। কিয়নো ইয়াতেই দলটোৱে সৰ্বাধিক পৰাজয়ৰ গ্লানি সহ্য কৰিছে। জোহান্সবাৰ্গত খেলা ৩১খন টেষ্টৰ ভিতৰত ১৩খনতে পৰাজিত হৈছে দক্ষিণ আফ্ৰিকা।


*অনুশীলনৰ পৰত খেলুৱৈক প্ৰয়োজনীয় পৰামৰ্শ দিছে মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ে।*

## একাধিক কৃতিত্বৰ সুযোগ কোহলিৰ



**নিউজ ব্যুৰ'**
**জোহান্সবাৰ্গ, ২ জানুৱাৰী ঃ** বেট হাতত লৈ বৰ ভাল ছন্দত নাই বিৰাট কোহলি। তথাপি যেন প্ৰতিখন খেলতে ভাৰতীয় অধিনায়কজনক একাধিক ব্যক্তিগত কৃতিত্বই হাতবাউল দি থাকে। কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া দ্বিতীয় টেষ্টত বিজয়ী হ'ব পাৰিলে দক্ষিণ আফ্ৰিকাৰ মাটিত টেষ্ট শৃংখলা জয় কৰা প্ৰথম ভাৰতীয় অধিনায়কত পৰিগণিত হ'ব কোহলি। ইয়াৰ উপৰি আন একাধিক কৃতিত্ব তেওঁ জোহান্সবাৰ্গত অৰ্জন কৰিব পাৰে।

জোহান্সবাৰ্গত বিদেশী বেটাৰৰূপে টেষ্টত সৰ্বাধিক ৰাণ সংগ্ৰহৰ সুযোগ পাইছে কোহলিয়ে। এই তালিকাত শীৰ্ষত আছে নিউজিলেণ্ডৰ প্ৰাক্তন বেটাৰ জন ৰীড। তেওঁ দুখন টেষ্টত ৩১৬ ৰাণ সংগ্ৰহ কৰিছিল। সাত ৰাণ কৰিলেই ৰীডক অতিক্ৰম কৰিব কোহলিয়ে। জোহান্সবাৰ্গৰ ৱাণ্ডেৰাৰ্ছত কোহলিয়ে দুখন টেষ্ট খেলি ৩১০ ৰাণ সংগ্ৰহ কৰিছে। লগতে দলৰ মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়কো অতিক্ৰম কৰাৰ সুযোগ আছে কোহলিৰ সন্মুখত। দক্ষিণ আফ্ৰিকাত দ্ৰাৱিড়ে ১১খন টেষ্টত ৬২৪ ৰাণ সংগ্ৰহ কৰিছিল। কোহলিয়ে ৰামধেনুৰ দেশত এই পৰ্যন্ত ছখন টেষ্ট খেলি ৬১১ ৰাণ সংগ্ৰহ কৰিছে। অৰ্থাৎ দ্ৰাৱিড়ক অতিক্ৰম কৰিবলৈ অধিনায়কজনক ১৪ ৰাণৰ প্ৰয়োজন। এই ক্ষেত্ৰত অৱশ্যে বহু আগবাঢ়ি আছে শচীন তেণ্ডুলকাৰ। মাষ্টাৰ ব্লাষ্টাৰে দক্ষিণ আফ্ৰিকাত ১৫খন টেষ্টত ১,১৬১ ৰাণ সংগ্ৰহ কৰিছিল।

ইপিনে, অষ্ট্ৰেলিয়াৰ প্ৰাক্তন অধিনায়ক ষ্টিভ ৱ'কো স্পৰ্শ কৰাৰ সুযোগ পাইছে কোহলিয়ে। অধিনায়কৰূপে ৱ'ৱে ৪১খন টেষ্ট জয় কৰিছিল। কোহলিয়ে এই পৰ্যন্ত ৬৭খন টেষ্টত দলক নেতৃত্ব দি ৪০খনত জয়ৰ মুখ দেখিছে। সেই ক্ষেত্ৰত জোহান্সবাৰ্গত জিকিলেই বিশ্বৰ সফল টেষ্ট অধিনায়কসকলৰ তালিকাত তেওঁ ৱ'ৰ স'তে যুগ্মভাৱে তৃতীয় স্থানলৈ উত্তীৰ্ণ হ'ব।

## বিৰাটৰ কাষত থিয় দিলে দ্ৰাৱিড়ে
### পূজাৰা-ৰাহানেৰ প্ৰসংগতো ইতিবাচক মুখ্য প্ৰশিক্ষক

**নিউজ ব্যুৰ'**
**জোহান্সবাৰ্গ, ২ জানুৱাৰী ঃ** দক্ষিণ আফ্ৰিকালৈ উৰা মৰাৰ আগৰে পৰাই নেতৃত্বক কেন্দ্ৰ কৰি বিতৰ্কৰ আৱৰ্তত আছে বিৰাট কোহলি। ইয়াৰ উপৰি অধিনায়কজনৰ বেটতো বিশেষ ৰাণ নাই। তেনে পৰিস্থিতিত দ্বিতীয় টেষ্টৰ প্ৰাক্‌ক্ষণত অধিনায়কৰ কাষত থিয় দিলে ভাৰতীয় দলৰ মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড়ে। মুখ্য প্ৰশিক্ষকজনে দাবী কৰিছে যে চলিত বিতৰ্কসমূহে কোহলিৰ মানসিকতাত প্ৰভাৱ পেলাব পৰা নাই।

অধিনায়কৰ প্ৰশংসাত পঞ্চমুখ হৈ দ্ৰাৱিড়ে আজি সাংবাদিকৰ আগত কয়, 'মই জানো যে বাহিৰত তেওঁক কেন্দ্ৰ কৰি বহু কথা হৈছে। আনকি এই টেষ্টত খেলাৰ পূৰ্বেও তেওঁক লৈ চৰ্চা চলিছে। অথচ সঁচা কথা ক'বলৈ হ'লে মানসিক দিশৰ পৰা দল যথেষ্ট ভাল স্থানত আছে আৰু স্বয়ং দলৰ নেতাই এই ক্ষেত্ৰত বাকীসকলক নেতৃত্ব দিছে। যি ২০টা দিন আমি ইয়াত আছো, এই দিনকেইটাত তেওঁ অসাধাৰণ মানসিক অৱস্থাত আছে। যিদৰে অনুশীলন কৰিছে, শৰীৰচৰ্চা কৰিছে তথা সমগ্ৰ দলৰ স'তে আত্মিক সম্পৰ্ক গঢ়ি তুলিছে সেয়া প্ৰশংসনীয়। ইয়াতকৈ আৰু ভালকৈ মই তেওঁৰ সম্পৰ্কে ক'ব নোৱাৰিম।' মুখ্য প্ৰশিক্ষকজনে অৱশ্যে ছন্দহীন তথা সমালোচনাৰ মুখত থকা দুই অভিজ্ঞ বেটাৰ চেটেশ্বৰ পূজাৰা আৰু অজিংক্য ৰাহানেৰ সমৰ্থনতো মন্তব্য কৰে। দ্ৰাৱিড়ে কয়, 'দীৰ্ঘদিন ধৰি খেলি থাকিলে এই ধৰণৰ সময় আহিবই পাৰে। হয়তো কোনো বেটাৰে ভাল বেটিং কৰিছে, কিন্তু তেওঁ ডাঙৰ ৰাণ কৰিব পৰা নাই। তিনিওজনৰ ক্ষেত্ৰতে বিষয়টো একেই। অৱশ্যে ভাল খবৰ এটাই যে তিনিওজনকে যথেষ্ট ভাল মানসিকতাত দেখা পাইছো। ডাঙৰ ৰাণ কিদৰে কৰিব লাগে সেয়া তেওঁলোকে ভালদৰে জানে। তেওঁলোকৰ অনুশীলন আৰু প্ৰস্তুতি দেখি বুজিব পাৰিছো যে ডাঙৰ ৰাণ পোৱাটো কেৱল সময়ৰ অপেক্ষা।'


*অনুশীলনৰ পৰত হাঁহিমুখে এদিনীয়া দলৰ নতুন অধিনায়ক কে এল ৰাহুল।*

## জেছমিন ক্লাব চূড়ান্ত বিজয়ী

**অগ্ৰদূত বাৰ্তা**
**দেওমৰনৈ, ২ জানুৱাৰী ঃ** সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ভূড়াৰগড় ক্ৰিকেট ক্লাবৰ সহযোগত আজি আয়োজিত ছহিদ ট্ৰফি ফুটবল প্ৰতিযোগিতাত জেছমিন ক্লাব, ছিপাঝাৰ চূড়ান্ত বিজয়ী হয়। ভূড়াৰগড় গান্ধী স্মৃতি হাইস্কুলৰ খেলপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেল খেলখন নিৰ্ধাৰিত সময়ত গ'ল শূণ্যভাৱে সমাপ্ত হৈছিল। পাছত জেছমিন ক্লাবে টাইব্ৰেকাৰৰ সহায়ত ৪-২ গ'লৰ ব্যৱধানত জেঙেৰাঝাৰ এফচিক পৰাজিত কৰে। বঁটা বিতৰণী সভাত সদৌ অসম ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক খনীন্দ্ৰ ৰাজবংশী, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া, সমাজকৰ্মী প্ৰাণজিৎ শইকীয়া, ক্ৰীড়া সংগঠক প্ৰফুল্ল কুমাৰ, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সাহিত্য সম্পাদক অপূৰ্ব শৰ্মা, বিত্ত সম্পাদক হৃদয় বৰুৱা, ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক সুমন বৰদলৈ, সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উপদেষ্টা তথা ওদালগুৰি জিলা শিশু সুৰক্ষা বিষয়া গৌতম চহৰীয়া আদি উপস্থিত থাকে।

## অৱসৰ প্ৰসংগত বিস্ফোৰক হৰভজন
### ব'ৰ্ড কৰ্মকৰ্তা, ধোনিৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ অভিযোগ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২ জানুৱাৰী ঃ** কিছুদিন পূৰ্বে সকলো প্ৰকাৰৰ খেলৰ পৰা অৱসৰ গ্ৰহণ কৰা হৰভজন সিঙে বঞ্চনাৰ অভিযোগ আনিলে বিচিচিআইৰ একাংশ কৰ্মকৰ্তা আৰু প্ৰাক্তন অধিনায়ক মহেন্দ্ৰ সিং ধোনিৰ বিৰুদ্ধে। অৱশ্যে ধোনি তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত নাছিল যদিও বিচিচিআইৰ কৰ্মকৰ্তাসকলৰ সিদ্ধান্তত সন্মতি জনাইছিল বুলি মন্তব্য কৰিছে প্ৰাক্তন তাৰকা অফস্পীনাৰজনে। হৰভজনে মন্তব্য কৰিছে যে তেওঁৰ আন্তৰ্জাতিক কেৰিয়াৰ শেষ হোৱাৰ অন্তৰালত আছিল বিচিচিআইৰ তদানীন্তন কিছু কৰ্মকৰ্তা আৰু তৎকালীন অধিনায়ক ধোনিৰ সন্মতি।

উল্লেখ্য যে আন্তৰ্জাতিক ক্ৰিকেটৰ তিনিওটা সংস্কৰণত সাত শতাধিক উইকেট দখল কৰা অফস্পীনাৰজনে ২০১৫ত শেষবাৰলৈ ভাৰতীয় দলৰ হৈ খেলিছিল। এক সাক্ষাৎকাৰত হৰভজনে কয় যে ভাগ্য তেওঁৰ স'তে থাকিলেও ব'ৰ্ডৰ একাংশ কৰ্মকৰ্তা তেওঁৰ কাষত নাছিল। হৰভজনে কয়, 'কিছু কিছু বাহিৰা কাৰণ সম্পূৰ্ণৰূপে মোৰ বিৰুদ্ধে আছিল। মই যিদৰে বল কৰিছিলো, সেয়াই তেওঁলোকে পছন্দ কৰা নাছিল। যি গতিৰে আগুৱাইছিলো, তাক তেওঁলোকে পছন্দ কৰা নাছিল। মই মাত্ৰ ৩১ বছৰ বয়সতে টেষ্টত চাৰিশ উইকেট পাইছিলো। মই যদি আৰু চাৰি-পাঁচ বছৰ খেলিব পাৰিলোহেঁতেন, মই যিটো মান ধৰি খেলিছিলো তাৰ পৰা আৰু কমেও ১০০-১৫০টা উইকেট পালোহেঁতেন।' তাৰকা ক্ৰিকেটাৰজনে লগতে কয় যে এই ষড়যন্ত্ৰত তৎকালীন অধিনায়ক ধোনি জড়িত নাথাকিলেও হয়তো তেওঁৰ সমৰ্থন আছিল। 'ধোনি সেই সময়ত অধিনায়ক আছিল, কিন্তু মই ভাবো এই সিদ্ধান্ত ধোনিৰ ওপৰৰ পৰা হৈছিল। কিছু কিছু ব'ৰ্ড কৰ্মকৰ্তা এইক্ষেত্ৰত জড়িত আছিল। তেওঁলোকে মোক বিচৰা নাছিল। হয়তো অধিনায়কো তেওঁলোকৰ লগত আছিল, কিন্তু অধিনায়ক কেতিয়াও ব'ৰ্ডৰ ওপৰত যাব নোৱাৰে।' হৰভজনে কয়।

## নগাবন্ধাত অসম প্ৰাইজমানি ক্ৰিকেট
## মৰিগাঁও পিচিচিৰ অগ্ৰগতি

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ২ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ নগাবন্ধা বজাৰ সমিতিৰ উদ্যোগত নগাবন্ধা মিনি ষ্টেডিয়ামত চলি থকা ২৩সংখ্যক সদৌ অসম প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাত মৰিগাঁৱৰ পিচিচি দলে অগ্ৰগতি লাভ কৰিছে। আজিৰ খেলত পিচিচিয়ে হাতীবাট প্ৰগতি যুৱক সংঘক ১১২ ৰাণত পৰাজিত কৰে। খেলখনত পিচিচি দলে পোনতে বেট ধৰি হেমন্ত বৰাৰ ৩৮, পৰাগ নাথৰ ২৬,অমৰ বৰদলৈৰ ২১,ৰঞ্জন ডেকাৰ ২০ আৰু দীপ বৰদলৈৰ ১৬ ৰাণৰ উল্লেখনীয় অৱদানেৰে ১৫ অভাৰত সাতটা উইকেটৰ বিনিময়ত ১৬৮ ৰাণ সংগ্ৰহ কৰে। বলিঙত হাতীবাট প্ৰগতি যুৱক সংঘৰ হৈ হিমাংশু ডেকাই তিনিটা, অভিজিৎ কুমাৰ নাথ আৰু বাস্তৱ নাথে এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত হাতীবাট প্ৰগতি যুৱক সংঘ দলে বেট ধৰি বাস্তৱৰ ২৬ ৰাণৰ উল্লেখনীয় অৱদান সত্বেও বিপক্ষৰ পৰাগ নাথ (৫/১৩), অমৰ বৰদলৈ (৩/১২), দীপ বৰদলৈ(১/১৪) আৰু হেমন্ত বৰা(১/২)ৰ বিধ্বংসী বলিঙৰ প্ৰকোপত ১১.১ অভাৰতে সকলোকেইটা উইকেট হেৰুৱাই মাত্ৰ ৫৬ ৰাণহে কৰিবলৈ সক্ষম হয়।

## আন্তঃজিলা দবা সম্পন

**গুৱাহাটী, ২ জানুৱাৰী ঃ** গুৱাহাটীত অনুষ্ঠিত বয়সভিত্তিক আন্তঃজিলা দবা প্ৰতিযোগিতাখন কালি সমাপ্ত হয়। অনূৰ্ধ্ব ২০, ১৬, ১০ আৰু আঠ বছৰৰ শাখাত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল ল'ৰা আৰু ছোৱালীৰ বিভাগত।কেণ্ডিডেট মাষ্টাৰ মায়ংক চক্ৰৱৰ্তীয়ে অনূৰ্ধ্ব-২০ বছৰৰ ল'ৰাৰ শাখাত খিতাপ অৰ্জন কৰে। ছোৱালীৰ বিভাগত চেম্পিয়ন হয় গুৱাহাটীৰ দীপনালিছা বৰা। অনূৰ্ধ্ব-১৬ বছৰৰ ল'ৰাৰ ভিভাগত ডিব্ৰুগড়ৰ ধ্ৰুৱ ফুকন আৰু ছোৱালীৰ বিভাগত গুৱাহাটীৰ চাৰ্ভী চৌধুৰী বিজয়ী হয়। অনূৰ্ধ্ব-১০ বছৰৰ শাখাৰ ল'ৰাৰ বিভাগত চেম্পিয়ন হয় গুৱাহাটীৰ ৰজত বাফনা। ছোৱালীৰ বিভাগত গুৱাহাটীৰ য়াতি আগৰৱালে খিতাপ জয় কৰে। আনহাতে, অনূৰ্ধ্ব আঠ বছৰৰ শাখাত গুৱাহাটীৰ আৰোহনে ল'ৰাৰ বিভাগ আৰু দৰঙৰ ছুজেইন আহমেদে ছোৱালীৰ বিভাগত খিতাপ জয় কৰে।

## মিঃ শোণিতপুৰ দিব্যজ্যোতি ৰাষ্ট্ৰীয় দেহশ্ৰীলৈ নিৰ্বাচিত



**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ২ জানুৱাৰী ঃ** অহা ছয়ৰ পৰা আঠ জানুৱাৰীলৈ তেলেংগানাৰ খাম্মামত অনুষ্ঠিত হ'বলগীয়া ত্ৰয়োদশ মিঃ ইণ্ডিয়া ৰাষ্ট্ৰীয় ছিনিয়ৰ বডী বিল্ডিং এণ্ড ফিজিক স্প'ৰ্টছ চেম্পিয়নশ্বিপত অসম দলত স্থান লাভ কৰিছে শোণিতপুৰ তথা তেজপুৰৰ দিব্যজ্যোতি শইকীয়াই। অসম বডী বিল্ডাৰ্ছ এণ্ড ফিটনেছ এছ'চিয়েছনে ঘোষণা কৰা ১৩জনীয়া তালিকাত স্থান পাইছে 'মিঃ শোণিতপুৰ' শইকীয়াই। ৰাজ্যিক দলৰ হৈ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনত শইকীয়াৰ লগতে প্ৰতিনিধিত্ব কৰিব যোৰহাটৰ নাছিৰ আহমেদ, ৰাজা দাস, মাৰ্ঘেৰিটাৰ আমিৰ হুছেইন, প্ৰবীৰ গগৈ, মৌচম গগৈ, গোলাঘাটৰ ৰূপাংকজ্যোতি বৰা, বিশ্বনাথৰ কুশজ্যোতি গগৈ, চৰাইদেউৰ দীপাংকৰজ্যোতি দত্ত, এন এফ ৰেলৱেৰ সজল দাস, কামৰূপৰ আশিস লোচন বৰা আৰু পৰীক্ষিত হাজৰিকাৰ উপৰি ডিব্ৰুগড়ৰ ৰাজেশ সাহাই। উল্লেখ্য যে যোৱা পাঁচ ডিচেম্বৰত শোণিতপুৰৰ জামুগুৰিহাটত অনুষ্ঠিত হৈ যোৱা প্ৰতিযোগিতাত ছিনিয়ৰ শাখাত সামগ্ৰিকভাৱে মিঃ শোণিতপুৰ খিতাপ অৰ্জন কৰা তেজপুৰৰ দিব্যজ্যোতিয়ে ধুবুৰীৰ গৌৰীপুৰ ফিল্ডত ২৬ ডিচেম্বৰত অনুষ্ঠিত হৈ যোৱা ৰাজ্যিক প্ৰতিযোগিতাত ৭৫ কিলোগ্ৰাম শাখাত সোণৰ পদক অৰ্জনৰে ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনলৈ নিৰ্বাচিত হোৱাৰ সুযোগ লাভ কৰে।

## নাজিৰা ক্ৰিকেট একাডেমীৰ খিতাপ অৰ্জন
### চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব ক্ৰিকেট

**অগ্ৰদূত বাৰ্তা**
**নাজিৰা, ২ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ উদ্যোগত জিলা পৰ্যায়ত অনুষ্ঠিত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেটত নাজিৰা ক্ৰিকেট একাডেমীয়ে মাণ্ডলিক চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰিছে। নাজিৰা জিলা ক্ৰীড়া সন্থা আৰু নাজিৰা ক্ৰিকেট এছ'চিয়েছনৰ তত্বাৱধানত নগৰ খেল পথাৰত অনুষ্ঠিত আজিৰ চূড়ান্ত খেলত মেকিপুৰ ছানৰাইজ ক্লাবক পৰাজিত কৰে নাজিৰা ক্ৰিকেট একাডেমীৰ দলে। আজিৰ চূড়ান্ত খেলত মেকিপুৰ দলে টছত জয়ী হৈ প্ৰথমে নাজিৰা দলক বেট ধৰাৰ বাবে আহ্বান জনায়। সেই মৰ্মে নাজিৰা দলে প্ৰথমে বেট ধৰি ৩৫ অভাৰত ন উইকেট হেৰুৱাই ২৪৭ ৰাণ সংগ্ৰহ কৰে। অনুপম লাচিতে ৫১টা বলত ৫৩, কৌশিক ৰঞ্জন দাসে ৫৮টা বলত ৪৭ আৰু দেৱেন্দ্ৰ পাণ্ডেই ৪২টা বলত ৪৬ ৰাণৰ বৰঙণি আগবঢ়ায়। বলিঙত মেকিপুৰৰ ইছাদ আলীয়ে তিনিটা, জাভেদ আলী আৰু প্ৰাঞ্জল দেয়ে দুটাকৈ উইকেট লাভ কৰে। ইপিনে, মেকিপুৰ ছানৰাইজে ৩২ অভাৰত সকলো উইকেট হেৰুৱাই ১৯৮ ৰাণহে সংগ্ৰহ কৰে। ৰমেন নায়কে ৪৪টা বলত ৪৯, বিপ্লৱ শৰ্মাই ৪৪টা বলত ৩৯ আৰু ইছাদে ২৮টা বলত ২৪ ৰাণৰ বৰঙণি আগবঢ়ালেও দললৈ জয় আনিব নোৱাৰিলে। বলিঙত নাজিৰাৰ দীপাঞ্জল বড়া আৰু দেৱেন্দ্ৰই তিনিটাকৈ উইকেট লাভ কৰে। বিজয়ী দলৰ দেৱেন্দ্ৰই ক্ৰমে 'মেন অৱ দ্য মেচ', 'বেষ্ট বলাৰ' আৰু 'মেন অৱ দ্য ছিৰিজ'ৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। বিজিত দলৰ জাভেদে চূড়ান্ত খেলৰ 'মেন অৱ দ্য ছিৰিজ' বটা লাভ কৰে।

খেলৰ অন্তত আব্দুৰ ৰহমানে আঁত ধৰা বটা বিতৰণী আৰু সামৰণি অনুষ্ঠানত অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত, নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি তথা অতিৰিক্ত উপায়ুক্ত সব্যসাচী কাশ্যপ, মহকুমা তথ্য আৰু জনসংযোগ বিষয়া ড° বৰ্ণালী দত্ত, জাকিৰুল হুছেইন, ডাঃ বিপুল হাতীকাকতি, জিলা ক্ৰীড়া সন্থাৰ সম্পাদক গোপাল গগৈ, সংবাদসেৱী ক্ৰমে দিলীপ হাজৰিকা, অনন্ত কলিতা, জাকিৰ আখটাৰ হুছেইন, দিলীপ বুঢ়াগোহাঁই আদি ভালে কেইজনে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বিজয়ী আৰু বিজিত দলৰ লগতে খেলুৱৈসকলক বটা প্ৰদান কৰে। বিজয়ী দলক অসম ক্ৰিকেট সন্থাৰ তৰফৰ পৰা এক লাখ টকাৰ প্ৰাইজমানি প্ৰদান কৰে।

## চিইএম গ'ল্ড কাপ ফুটবল

**বিশেষ সংবাদদাতা**
**বকলীয়াঘাট, ২ জানুৱাৰী ঃ** কাৰ্বি আংলঙৰ ডিফুত অহা পাঁচ জানুৱাৰীৰ পৰা আৰম্ভ হ'ব চিইএম গ'ল্ড কাপ ফুটবল প্ৰতিযোগিতা। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ উদ্যোগত তথা কাৰ্বি আংলং ক্ৰীড়া সন্থাৰ পৰিচালনাত ডিফুৰ 'কাছা' ষ্টেডিয়ামত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আজি ডিফুত এক সংবাদমেলত এই কথা সদৰী কৰে কাৰ্বি আংলং ক্ৰীড়া সন্থাৰ সভাপতি তথা কাৰ্বি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে। গোৱাৰ ছালগাঁওকাৰ, শ্বিলঙৰ লাজং, কলকাতাৰ মহমেদানকে ধৰি দেশৰ আগশাৰীৰ ১২টা দলে যোগদান কৰিব।

## ইণ্ডো-নেপাল আন্তঃৰাষ্ট্ৰীয় টাইকোৱান-ড'ত স্বৰ্ণপদক
## গৌৰৱ কঢ়িয়ালে তিতাবৰৰ চাৰি খেলুৱৈয়ে

**বিশেষ সংবাদদাতা**
**নগাবাট, ২ জানুৱাৰী ঃ** আন্তঃৰাষ্ট্ৰীয় টাইকোৱান-ড' প্ৰতিযোগিতাত সোণৰ পদক লাভ কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়ালে তিতাবৰ মহকুমাৰ বাগৰদিয়া অঞ্চলৰ চাৰি খেলুৱৈয়ে। ২৭-৩০ ডিচেম্বৰত উত্তৰ প্ৰদেশত চাৰি দিনীয়াকৈ অনুষ্ঠিত হৈছিল ইণ্ডো-নেপাল আন্তঃৰাষ্ট্ৰীয় টাইকোৱান-ড' প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বৰহোলা বাগৰদিয়াৰ চাৰি খেলুৱৈ ক্ৰমে বন্দিতা কুৰ্মী, যতীন কুৰ্মী, বৰুণ চুতীয়া আৰু নম্ৰতা কুৰ্মীয়ে সোণৰ পদক জয় কৰিবলৈ সক্ষম হয়। চাৰি খেলুৱৈৰ এই সাফল্যত আনন্দিত তেওঁলোকৰ পিতৃ-মাতৃৰ লগতে স্থানীয় লোক। আজি বাসগৃহত উপস্থিত হোৱাৰ সময়তে বাগৰদিয়াত অগণন লোকে আদৰণি জনায় চাৰি খেলুৱৈক। তিতাবৰৰ ষ্টেছন তিনিআলিৰ পৰা সমদলেৰে আনন্দ-উল্লাস প্ৰদৰ্শন কৰি খেলুৱৈ কেইগৰাকীক আদৰি অনাৰ লগতে বাগৰদিয়া প্ৰাথমিক বিদ্যালয়ৰ চৌহদতে এক সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰে। স্থানীয় সচেতন যুৱকৰ্মী যদুমণি চুতীয়াই আঁতধৰা সম্বৰ্ধনা অনুষ্ঠানত সমাজকৰ্মী প্ৰবীণ কুৰ্মী, অনিল কছাৰী, এইট ফৰ্ড জুনিয়ৰ মহাবিদ্যালয়খনৰ সঞ্চালিকা সন্ধ্যা মাঅ' আদিৰ লগতে কে'বাজনো টাইকোৱান-ড' প্ৰশিক্ষকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত বহুকেইটা দল-সংগঠন আৰু অগণন লোকে খেলুৱৈ চাৰিগৰাকীক সম্বৰ্ধনা জনায়। উল্লেখ্য যে বাগৰিদয়া টাইকোৱান-ড' এছ'চিয়েছনৰ হৈ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল তেওঁলোকে।



## জয়েৰে বছৰ আৰম্ভ কৰিলে চিটীয়ে



**নিউজ ব্যুৰ'**
**লণ্ডন, ২ জানুৱাৰী ঃ** নতুন বছৰৰ প্ৰথম দিনটোতে জয়ৰ সোৱাদ পালে মানচেষ্টাৰ চিটীয়ে। কালি ইংলিছ প্ৰিমিয়াৰ লীগৰ খেলত চিটীয়ে আৰ্ছেনালক পাছ পৰি থকা সত্বেও ২-১ গ'লত পৰাজিত কৰে। ঘৰুৱা খেলপথাৰত আৰ্ছেনালে বুকায়' ছাকাৰ গ'লেৰে অগ্ৰগতি অৰ্জন কৰিছিল। অৱশ্যে পৰৱৰ্তী সময়ত তেওঁলোকে ঘৰুৱা পৰিৱেশৰ সুযোগ ল'ব নোৱাৰিলে। দ্বিতীয়াৰ্ধ্বত পেনাল্টিৰ জৰিয়তে চিটীৰ হৈ সমতা স্থাপন কৰে ৰিয়াড মাহৰেজে। আনহাতে, খেল সমাপ্তিলৈ কিছু সময় বাকী থকা অৱস্থাত মাৰ্কো অড্ৰিয়ে চিটীৰ হৈ জয়সূচক গ'লটো দিয়ে। এই জয়েৰে ২০খন খেলত ৩৫ পইণ্ট সংগ্ৰহ কৰি তালিকাত শীৰ্ষস্থান অক্ষুণ্ণ ৰাখিলে চিটীয়ে। আনহাতে, আৰ্ছেনাল আছে তালিকাৰ চতুৰ্থ স্থানত।

## বাংলাদেশৰ যোগ্য প্ৰত্যুত্তৰ

**নিউজ ব্যুৰ'**
**মাউণ্ট মাউণ্টগানুই, ২ জানুৱাৰী ঃ** শীৰ্ষ বেটাৰৰ দৃঢ়তাৰে ঘৰুৱা দল নিউজিলেণ্ডৰ বিপক্ষে প্ৰথম টেষ্টত যোগ্য প্ৰত্যুত্তৰ দিছে বাংলাদেশে। কিৱি দলটোৰ ৩২৮ ৰাণৰ প্ৰত্যুত্তৰত দ্বিতীয় দিনাৰ খেল সমাপ্তিলৈ বাংলাদেশে দুই উইকেটৰ বিনিময়ত ১৭৫ ৰাণ সংগ্ৰহ কৰিছে। অৱশ্যে দলটো এতিয়াও ১৫৩ ৰাণত পাছ পৰি আছে। অপেনাৰ শ্বাদমান ইছলাম (২২) আউট হোৱাৰ পাছত মাহমাদুল হাছান ৰয় আৰু নজমূল হুছেইন শ্বাণ্ট'ৰে দ্বিতীয় উইকেটত ১০৪ ৰাণ যোগ দিয়ে। নজমূলে ৬৪ ৰাণ কৰি আউট হ'লেও মাহমাদুলে ৭০ ৰাণত অপৰাজিত হৈ ৰয়। অপেনাৰজনে এই পৰ্যন্ত ২১১টা বল খেলিছে। দিনান্তলৈ অধিনায়ক মমিনুল হকে আঠ ৰাণ কৰি খেলি থাকে।



## ক'ভিডত আক্ৰান্ত হ'ল মেছি

**নিউজ ব্যুৰ'**
**পেৰিছ, ২ জানুৱাৰী ঃ** ক'ভিড-১৯ত আক্ৰান্ত হ'ল ফুটবলাৰ লিয়নেল মেছি। ফুটবল মহাতাৰকাজনৰ লগতে তেওঁৰ পেৰিছ ছেইণ্ট জাৰ্মেইন ক্লাবৰ আন তিনিজন সতীৰ্থও পজিটিভ হৈছে। আন তিনিজন ফুটবলাৰ হৈছে বেৰনাট, ছাৰ্জিঅ' ৰিক' আৰু নাথান বিটুমাজালা। ইয়াৰ উপৰি দলৰ এজন সহকাৰীও কৰ'নাৰ কবলত পৰিছে বুলি ক্লাবৰ তৰফৰ পৰা সদৰী কৰিছে।শনিবাৰে নিশাই তেওঁলোক কৰ'নাত আক্ৰান্ত হয় যদিও আজিহে সেই কথা ক্লাবে সদৰী কৰে। সম্প্ৰতি তেওঁলোকক নিভৃতবাসলৈ প্ৰেৰণ কৰা হৈছে।



## বিলাসনন্দন চ'ৰা




# ললিপপ্-গিফ্‌ট ধামাকা

**নতুন** বছৰত বহুতে বহু কিবাকিবি উপহাৰ পালে চাগে! বিয়া-বাৰুও ধুমধামেৰে গ'ল। তাতো বহু উপহাৰ দিয়া-নিয়া হ'ল। উপহাৰ দিয়াটো ভাল কথা। উপহাৰ লোৱাটো তাতকৈও বেছি ভাল কাম। বহুতে অৱশ্যে উপহাৰ দিয়াতকৈ উপহাৰ লৈ বেছি ভাল পায়। তাৰো অৱশ্যে যথেষ্ট সাৱলীল যুক্তি আছে। উপহাৰ দিব লাগিলে মুক্ত মনেৰে দিব নোৱাৰি। লোৱাজনৰ বা উপহাৰটো পছন্দ হয় নে নহয়? হয় নে নহয় সেয়া জনাৰো কোনো উপায় নাথাকে। পছন্দ নহ'লেওতো কোনেও আৰু মুখ খুলি নকয় যে উপহাৰটো তেওঁৰ ভাল লগা নাই। কিন্তু উপহাৰ এটা মুক্ত মনেৰে ল'ব পাৰি। 'এইটোহে দিব পাৰিলিনে' বুলি মনে মনে ভোৰভোৰালেও হাঁহি হাঁহি সাদৰেৰে উপহাৰটো গ্ৰহণ কৰিব পাৰি। সেই কাৰণে মেজ'ৰিটী আছে উপহাৰ লোৱাৰ পক্ষত আৰু মাইন'ৰিটী আছে উপহাৰ দিয়াৰ পক্ষত। আৰু এচাম আছে যে উপহাৰকেন্দ্ৰিক কন্ট্ৰোভাৰ্চীৰ পৰা ছ'চিয়েল ডিষ্টেন্সিং ৰক্ষা কৰি কেৱল শ্ৰাদ্ধ বা ভোজহে খাবলৈ যায়, য'ত উপহাৰ লেনা-দেনাৰ কোনো ধৰণৰ প্ৰশ্ন নাথাকে।

আজি-কালি অৱশ্যে উপহাৰবোৰ আগৰ দৰে হৈ থকা নাই। আগতে উপহাৰ উপহাৰেই আছিল, সৰু-ডাঙৰ বুলি কোনো কথা নাই; কিন্তু আজিৰ দিনত উপহাৰবোৰ বিভিন্ন প্ৰকাৰৰ হয়। সৰু উপহাৰ, ডাঙৰ উপহাৰ আৰু মজলীয়া উপহাৰ। সৰু উপহাৰবোৰক কোৱা হয় ললিপপ্। 'বাৰ্থডে'ত কি দিলে অ' বয়ফ্ৰেণ্ডে' বুলি সুধিলে গাৰ্লফ্ৰেণ্ডে আগলী ফেচ কৰি কয়, 'ললিপপ্ দিছে। পেন! এশ টকাৰ!' আৰু উপহাৰটো ডাঙৰ হ'লে তাক কোৱা হয় 'ধামাকা'। কেটৰিণাৰ বিয়াত যে চলমান খানে দুই নে তিনি কোটি টকাৰ গাড়ী দিছিল, সেইবোৰ হ'ল ধামাকা। এই ধামাকাবোৰ তেতিয়াহে দিয়া হয়, যেতিয়া ছিটুৱেছনটো নৰ্মেল নহয়। যেনে ধৰক— চলমানৰ ছিটুৱেছনটো। যাক বিয়া পাতিম বুলি ভাবি আছিল, তাইক বেলেগে বিয়া পাতি লৈ গুচি গ'ল। অন্তৰত বহু দুঃখ, সেয়া ঢাকিবলৈ বহু সুখী যেন দেখুৱাব লাগে। গতিকে দি দিলে ধামাকা। দিল্লীৰ বাদশ্বাহেও এই ধামাকা দি বৰ ভাল পায়। যেতিয়াই ছিটুৱেছনটো হিতে বিপৰীত যেন দেখে, লগালগ বাদশ্বাহে ধামাকা দি দিয়ে। লকডাউনত খোজ কাঢ়ি কাঢ়ি মজদুৰবোৰ মৰি গৈছে, দি দিলে ২০ লাখ কোটিৰ পেকেজ— ধামাকা। এই ২০ লাখ কোটিৰ এটকাও কোনেও কেতিয়াও নাপাব পাৰে, কিন্তু বোমাটো ফুটাই ধামাকাটো ঠিকেই ক্ৰিয়েট কৰা হ'ল। আৰু যিবোৰ উপহাৰ সৰুও নহয় ডাঙৰো নহয়, মজলীয়া ধৰণৰ, সেইবোৰক বোলা হয় গিফ্‌ট। এই গিফ্‌টবোৰ সাধাৰণতে সাধাৰণ মানুহে দিয়া-নিয়া কৰে। এই গিফ্‌টবোৰৰ বৈশিষ্ট্য এয়াই যে একেবোৰ ৰঙা-নীলা কাগজবোৰৰ আবেষ্টনীৰ মাজত থাকি একোটা গিফ্‌টে কে'বাখনো বিয়াত ঘূৰি-পকি আহিব পাৰে। অমুকে পালে, অমুকে পোৱা গিফ্‌টটো তমুকে পালে, তমুকে পোৱা গিফ্‌টটো আকৌ অমুকাই পালে। ঠিক আমাৰ এনুৱেল বাজেটখনৰ নিচিনা। বাজেট এখনেই। বছৰ বছৰ ঘূৰি থাকে। বৰ্তমান আকৌ উপহাৰ কিছুমানক লৈ বৰ কনফিউজনৰ সৃষ্টি হৈছে। ধৰি লোৱা হ'ল— দুটামান গুণ্ডাই ধৰি এজন দুৰ্বল নিৰীহক বৰকৈ পিটিলে। মাৰণত ভৰি-হাতৰ ছাল ছিগি গ'ল। পাছত এটা কাম কৰা হ'ল। গুণ্ডাকেইটাই ভাগৰ লগাত মাৰিবলৈ এৰি দিলে। যোৱাৰ পৰত হাত-ভৰিৰ ছাল ছিগা ঠাইবোৰত ঘঁহিবলৈ এটা মলম দি থৈ গ'ল। এতিয়া এই মলমটোক কি ধৰণৰ উপহাৰ বোলা যাব? যেনে ধৰক— তেলৰ দাম ৬৫ টকা আছিল। বঢ়াই বঢ়াই ৬৫ টকাৰ পৰা এশ টকা কৰা হ'ল। মাধমাৰ পৰিল ৰাইজৰ ওপৰত। বাদশ্বাহৰ বেয়া লাগিল। চিধাই ১০ টকা কমাই উপহাৰ দিলে। তেতিয়াও তেলৰ দাম ৯০ টকাই। তথাপি উপহাৰ উপহাৰেই, ঠিক মাৰি-পিটি উঠি দিয়া মলমটোৰ নিচিনা। ইয়াক কি উপহাৰ বোলা যাব?



ধৰি লওক চোৰে ঘৰখন লুটি নিলে। যোৱাৰ পৰত ঘৰখনৰ উদং অৱস্থা দেখি চোৰৰ বেয়া লাগিল আৰু দুটা ফুলদানি এৰি থৈ গ'ল। মানে গৃহস্থক উপহাৰ দি গ'ল। যেনে ধৰক— এইবাৰ জিএছটি বঢ়াই জোতা-কাপোৰৰ দাম তিনিগুণ কৰি দিয়া হ'ল। পাছত বাদশ্বাহৰ বেয়া লাগিল। কাপোৰক ৰেহাই দিলে। মানে নতুন বছৰৰ উপহাৰ দিলে। কিন্তু জোতাৰ দাম একেই থাকিল। তথাপি উপহাৰ উপহাৰেই, ঠিক ফুলদানি দুটাৰ দৰে।


এই ধৰণৰ উপহাৰক কি বোলাটো ভাল হ'ব বাৰু? চৰকাৰী উপহাৰ নে চৰকাৰী প্ৰহাৰ?

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## শেষ পৃষ্ঠাৰ প্ৰথম
### দৈনন্দিন

# নৰম শ্ৰেণীৰেই স্বাৱলম্বী হোৱাৰ সপোন দেখিছিল চিৰাজুদ্দিনে

**জীৱনৰ** গতিপথ কোন ফালে গতি কৰে সেয়া পূৰ্বানুমান কৰাটো অসম্ভৱ। মসৃণ অৱস্থাৰ পৰা প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা লোকৰ সংখ্যাও কম নহ'ব। এই লোকসকলৰ মাজৰেই এজন হ'ল চিৰাজুদ্দিন লস্কৰ। হাইলাকান্দি চহৰৰ সমীপৰ আফতাবুদ্দিন লস্কৰ আৰু ফুলনেচা লস্কৰৰ পুত্ৰ চিৰাজুদ্দিনে নৱম শ্ৰেণীত বি এম চৰকাৰী হাইস্কুলত পঢ়ি থাকোতেই আত্মনিৰ্ভৰশীল হোৱাৰ সপোন দেখিছিল। পিতৃয়ে ঠিকা কৰিছিল যদিও সহজ পথেৰে ঠিকা কৰি এটা পৰিয়ালক পোহপাল দিয়াটো সম্ভৱ নাছিল। বহু কষ্টৰে পিতৃয়ে পৰিয়ালক পোহপাল দিয়াৰ কষ্ট চিৰাজুদ্দিনে সহিব পৰা নাছিল। সেয়েহে ১৯৮৬ মানত তেওঁ কামৰ সন্ধানত গুৱাহাটীলৈ আহে। গুৱাহাটীত তেওঁৰ নিজৰ ককায়েক এজন থকা বাবে ইয়াতেই কিবা কৰিব পাৰি নেকি তাৰ বাবে অভিযান আৰম্ভ কৰে। নৱম শ্ৰেণীতেই অধ্যয়ন সমাপ্ত কৰি গুৱাহাটীলৈ আহিয়েই প্ৰত্যাহ্বানৰ সন্মুখীন হয়। তেওঁ প্ৰথমে মেকানিক হ'বলৈ কাম শিকিবলৈ লয়। ছাত্ৰীবাৰীৰ এটা ডাঙৰ গেৰেজত তেওঁ কাম শিকে। সেই সময়ত তেওঁ মাহিলি দুশ টকা লাভ কৰিছিল। সেই টকাৰে মাহটো চলাৰ উপৰি ৰাহি হোৱা ধন ঘৰলৈ পঠিয়াই দিছিল। চিৰাজুদ্দিনে পিতৃ-মাতৃয়ে কষ্টৰে জীৱন নিৰ্বাহ কৰাটো নিবিচাৰে। তাৰ পাছত আন এটা গেৰেজত তেওঁ কাম কৰিবলৈ লয়। পাঁচ-ছয় বছৰমান এনেদৰে কাম শিকাৰ পাছত পাকৈত মেকানিক হ'ল। পিছে নিজাকৈ গেৰেজ আদি খুলিবলৈ হাতত ধন নাই। কেইমাহমান অ'ত ত'ত কাম কৰি গেৰেজৰ আশা বাদ দি বিস্কুট কোম্পানী এটাত সোমায়। তেওঁ বিস্কুটৰ ব্যৱসায় তেজপুৰ আৰু গুৱাহাটীত আৰম্ভ কৰে।



বিস্কুট কোম্পানীটোৰ মতে হোৱা চুক্তি অনুসৰি বছৰত ১০ লাখ টকা সংগ্ৰহ কৰি দিব লাগিব। বিস্কুটৰ ব্যৱসায়েৰে এইখিনি ধন তেওঁ সংগ্ৰহ কৰিব পাৰিব বুলি ভাবিছিল। পিছে এবছৰত মাত্ৰ ছয় লাখ টকাহে সংগ্ৰহ হোৱাত বাকী চাৰি লাখ টকা কোম্পানীটোক ধাৰ কৰি দিবলগীয়া হ'ল। সেয়েহে এই ব্যৱসায়ৰ পৰা তেওঁ আঁতৰি যায়।

অকলে কিবা এটা কাম কৰাৰ চেষ্টা চলাওতে বিফল হোৱাত তেওঁ মানসিকভাৱে ভাগৰি পৰে। সেয়েহে তেওঁ গাড়ী চলাবলৈ শিকিলে। ভালদৰে গাড়ী চলোৱা শিকি প্ৰথমে গড়কাপ্তানী বিভাগৰ অভিযন্তা এজনৰ গাড়ী চলায়। মাহেকত আঠ হেজাৰ টকা লাভ কৰা চিৰাজুদ্দিনে ইয়াৰ মাজতেই বিবাহ পাশত আবদ্ধ হয়। কেইবছৰমান তেওঁৰ গাড়ী চলোৱাৰ পাছত শিল্পী দিলীপ শৰ্মাৰ স'তে পৰিচয় ঘটে। তাৰ পাছত তেওঁ শিল্পীজনৰ গাড়ী চলাবলৈ লয়। সেই সময়ত তেওঁ শিল্পীজনৰ পৰা বহু কথাই শিকিবলৈ সক্ষম হোৱা বুলি কয়। কেইবছৰমান তেওঁ গাড়ী চলোৱাৰ পাছত নিজাকৈ এখন চাৰিচকীয়া বাহন ক্ৰয়ৰ কথা ভাবে যদিও অৰ্থৰ অভাৱত তেওঁৰ সপোন আজিও বাস্তৱত ৰূপায়িত নহ'ল। এতিয়া তেওঁ বেংকৰ গাড়ী নিয়মীয়াকৈ চলাই আছে।

নিজৰ কামত কেতিয়াও গাফিলতি নকৰা চিৰাজুদ্দিনে কয় 'সৎ আৰু শুদ্ধ পথত থাকি জীৱনটো আগুৱাই নিয়াটো বৰ কষ্টকৰ। সুখৰ বাবে অৰ্থৰো প্ৰয়োজন। গাড়ী এখনৰ চকাৰ সমানেই গতি কৰে জীৱনৰ চক্ৰ। প্ৰয়োজনীয় ইন্ধন নহ'লে যিদৰে গাড়ী চলোৱাটো সম্ভৱ নহয়, তেনেদৰে হাতত ধন নাথাকিলেও জীৱনটো মসৃণ পথেৰে আগুৱাই নিয়াটো সম্ভৱ নহয়।

■ **নয়ন কুমাৰ শৰ্মা**



# প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিপূৰ্ণ কাৰ্বি আংলং জিলাৰ লাংভকু জলপ্ৰপাত

**বিশেষ সংবাদদাতা**
**বকলীয়াঘাট, ২ জানুৱাৰী ঃ** দেশৰ উত্তৰ-পূৰ্বাঞ্চল হৈছে প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ এক মনোৰম পৰিৱেশেৰে সাঙুৰি থকা অঞ্চল। উত্তৰ-পূৰ্বাঞ্চলৰে অসমৰ এখন পাহাৰীয়া জিলা কাৰ্বি আংলং। য'ত মনোৰম প্ৰাকৃতিক পৰিৱেশেৰে সমগ্ৰ জিলাখন সেউজেৰে ভৰি আছে।

এই কাৰ্বি আংলং জিলাৰে এক অঞ্চল লাংভকু। লাংভকু কাৰ্বি আংলং জিলাৰ বোকাজান মহকুমাৰ অন্তৰ্গত এক পাহাৰীয়া অঞ্চলৰ কোলাত অৱস্থিত। বোকাজানৰ পৰা সৰিয়হজান হৈ জিলাখনৰ সদৰ চহৰ ডিফুলৈ যোৱাৰ পথত মাঞ্জাৰ পৰা কেইকিলোমিটাৰমান দূৰত্বত এই জলপ্ৰপাত অৱস্থিত। যেতিয়া সেউজীয়া প্ৰাকৃতিক সৌন্দৰ্যৰ মাজেৰে পাৰ হৈ লাংভকুলৈ আগবাঢ়ি যায়, সেই যাত্ৰাৰ শিহৰণ শীৰ্ষত থাকে। আনকি লাংভকু জলপ্ৰপাত পোৱাৰ আগতে পথৰ দুয়োকাষৰ সেউজীয়া আৰু পাহাৰে আপোনাক এনে ধাৰণা তথা অনুভৱ দিয়ে যে প্ৰকৃতিয়ে ইয়াৰ সৌন্দৰ্য সকলো ফালেই বিয়পাই দিছে। তাৰ পাছত, প্ৰৱেশদ্বাৰেৰে গৈ লাংভকু জলপ্ৰপাতত উপস্থিত হ'ব পাৰি।

প্ৰতিদিনে, হেজাৰ হেজাৰ লোক প্ৰকৃতিৰ প্ৰাকৃতিক সৌন্দৰ্য চাবলৈ আৰু বনভোজৰ আনন্দ উপভোগ কৰিবলৈ তেওঁলোকৰ ব্যস্ততাপূৰ্ণ দৈনন্দিন কৰ্মৰাজিৰ পৰা আঁতৰি আহে এই লাংভকুলৈ। পাহাৰৰ শিলৰ ফাঁকেৰে বহু ফুট ওপৰৰ পৰা যেতিয়া নিৰ্মল পানী তললৈ পৰে তেতিয়া এই জলপ্ৰপাতৰ সৌন্দৰ্য উপভোগ কৰিবলগীয়া হয়। আৰু লাংভকুৰ পাহাৰীয়া অঞ্চলৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰি থকা লোকে এই জলপ্ৰপাতটোলৈ যেতিয়া দৃষ্টি নিক্ষেপ কৰে, তেতিয়া কেনেকৈ কোনোবাই ইয়াৰ পৰিষ্কাৰ পানীৰে নিজৰ শৰীৰ শাত পেলাব পাৰি তাৰ বাবে জলপ্ৰপাতৰ তলত ভিৰ কৰে।

এই জলপ্ৰপাতত গৈ উপনীত হ'বলৈ, বহুতো ডাঙৰ ডাঙৰ শিল বগাই পাৰ হ'ব লাগে। কিন্তু প্ৰকৃতিৰ সৌন্দৰ্য স্ব-চক্ষুৰে উপভোগ কৰাৰ নিচা হৈছে এনে এক অনুভৱ যাৰ বাবে মানুহে সৰু সৰু অসুবিধাৰ স'তে যুঁজিবলৈ কুণ্ঠাবোধ নকৰে। কে'বাশ ফুট ওপৰৰ পৰা তললৈ পৰা জলপ্ৰপাতৰ পানী যেতিয়া শিলৰ ওপৰেৰে বাগৰি আহে, তেতিয়া এনে অনুভৱ হয় যেন লাখ লাখ মুকুতামণিয়ে একে ঠাইতে জিলিকি সৌন্দৰ্য বিয়পাইছে আৰু এই দৃশ্যই মনটোক প্ৰকৃতিৰ অপূৰ্ব সৌন্দৰ্যৰ ওচৰত নতশিৰ হৈ আন যিকোনো সৌন্দৰ্যৰ ওচৰত হাৰ মানিবলৈ বাধ্য কৰে।

প্ৰাকৃতিক সৌন্দৰ্য আৰু পৰিষ্কাৰ পানীয়ে ডাঙৰ ডাঙৰ শিলত ঠেকা খাই যেতিয়া নিজৰ পথ নিজেই নিৰ্বাচিত কৰি লয় তেতিয়া পৰ্যটকসকলে ইয়াত বনভোজ উপভোগ কৰাত নিজকে বাধা দিব নোৱাৰে। সেয়েহে, এই লাংভকুৰ প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত বনভোজ উপভোগ কৰাৰ বাবে বিভিন্ন ঠাইৰ মানুহে ভিৰ কৰে। প্ৰকৃতিৰ এই সৌন্দৰ্যৰ সন্মুখত বয়সৰ বাধা আহি নপৰে, সকলোৰে প্ৰকৃতিৰ কোলাত শিশু হৈ পৰে আৰু ইয়াৰ স'তে খেলি নিজকে অভিভূত কৰে।



## ভৱিষ্যৎ প্ৰজন্মৰ বাবেই পুতি ৰখাৰ ধাৰণা

# আমেৰিকাত উদ্ধাৰ শতাব্দীপ্ৰাচীন 'টাইম কেপচুল'


**নিউজ ব্যুৰ'**
**ৰিচমণ্ড (আমেৰিকা), ২ জানুৱাৰী ঃ** মধ্যমীয়া আকাৰৰ এটা চাৰি চুকীয়া তামৰ বাকচ, যাৰ বয়স কমেও ১৩০ বছৰ। সেই বাকচটোক কেন্দ্ৰ কৰিয়ে এতিয়া চাঞ্চল্যৰ সৃষ্টি হৈছে আমেৰিকাৰ ভাৰ্জিনিয়া প্ৰদেশত। ভাৰ্জিনিয়া প্ৰদেশৰ গৱৰ্ণৰ ৰাল্ফ নৰ্থহেমে দাবী কৰিছে যে সেই তামৰ বাকচো কোনো সাধাৰণ বস্তু নহয়, বৰঞ্চ সেইটো আচলতে এটা 'টাইম কেপচুল'। সেই বাকচৰ ভিতৰত কি আছে, সেয়া অৱশ্যে এই পৰ্যন্ত জানিব পৰা হোৱা নাই। গৱৰ্ণৰ নৰ্থহেমে জনাইছে যে কিছু দিনৰ পাছত সংৰক্ষণবিদসকলে সেই বাকচটো খুলিব। তাৰ পাছতহে ইয়াৰ ৰহস্যভেদ হ'ব। জনা যাব কি কি প্ৰাচীন বস্তু আছে সেই 'টাইম কেপচুল'ৰ ভিতৰত।

'টাইম কেপচুল' হৈছে এনে এবিধ বাকচ, যিটো ইচ্ছাকৃতভাৱেই মাটিৰ গভীৰত পুতি ৰখা হয়। তাৰ ভিতৰত থাকে এনে কিছুমান বস্তু, যাৰ প্ৰত্নতাত্ত্বিক গুৰুত্ব আছে। যাতে কোনো পৰৱৰ্তী প্ৰজন্মই সেই বাকচটো উদ্ধাৰ কৰিলে তৎকালীন ইতিহাস আৰু মানৱ সভ্যতা সম্পৰ্কে আধুনিক যুগৰ মানুহে কিছু এক ধাৰণা কৰিব পাৰে। ভাৰ্জিনিয়া প্ৰদেশৰ ৰাজধানী ৰিচমণ্ডত থকা এজন কনফেডাৰেট জেনেৰেলৰ প্ৰতিমূৰ্তিৰ তলৰ অংশ খান্দি থকা অৱস্থাতে এই বাকচটো উদ্ধাৰ হয়। মূৰ্তিৰ তলৰ পৰা 'টাইম কেপচুল'টো উদ্ধাৰ কৰা হয়।

উল্লেখ্য যে শ্বেতাংগ আৰক্ষী বিষয়া এজনৰ অত্যাচাৰত কৃষ্ণাংগ যুৱক জৰ্জ ফ্লয়েডৰ মৃত্যুৰ পাছৰে পৰা আমেৰিকাত আৰম্ভ হৈছিল বৰ্ণবিদ্বেষ-বিৰোধী আন্দোলন 'ব্লেক লাইভ্‌ছ মেটাৰ'। তেতিয়াই দাসপ্ৰথা আৰু বৰ্ণবিদ্বেষৰ প্ৰতীকস্বৰূপ সেই কালৰ কনফেডাৰেট জেনেৰেলসমূহৰ মূৰ্তিবোৰ ভাঙি পেলোৱাৰ দাবী উঠিছিল। ইয়াৰ পাছৰ পৰাই আমেৰিকাৰ বিভিন্ন প্ৰদেশত থকা এই ধৰণৰ মূৰ্তিসমূহ ভাঙি পেলোৱাৰ সিদ্ধান্ত লৈছিল প্ৰদেশসমূহৰ প্ৰশাসনে ইয়াৰ ভিত্তিতেই বিগত কিছুদিন ধৰি ৰিচমণ্ডত থকা এটা মূৰ্তি ভাঙি থকা হৈছিল। তেতিয়াই মূৰ্তিৰ তলৰ অংশৰ পৰা 'টাইম কেপচুল'টো উদ্ধাৰ হোৱাত স্বাভাৱিকতে উৎসাহী হৈ পৰা নৰ্থহেমে বাকচটোৰ একাংশ ফটো টুইট কৰি লিখিছে, 'তেওঁলোকে এইটো বিচাৰি পাইছে। ধাৰণা হৈছে, এইটোৱেই সেই 'টাইম কেপচুল' যিটো ইমানদিনে বিচাৰি থকা হৈছিল।'

অৱশ্যে এইটোৱেই প্ৰথম নহয়। ভাৰ্জিনিয়াত যোৱা সপ্তাহতো মাটিৰ গভীৰত আন এটা 'টাইম কেপচুল'ৰ সন্ধান পোৱা গৈছিল। আনহাতে, ১৮৮৭ত প্ৰকাশিত এখন কাকতৰ প্ৰতিবেদনৰ মাধ্যমেৰে জনা গৈছে যে কনফেডাৰেট জেনেৰেল ৰবাৰ্ট ই লীৰ মূৰ্তিৰ তলত ঠিক এই ধৰণৰ এটা বাকচ আছিল। ১৮৬১-৬৫ৰ গৃহযুদ্ধৰ সময়ত উত্তৰ ভাৰ্জিনিয়া সেনাৰ কমাণ্ডাৰ আছিল জেনেৰেল লী। তেওঁৰ মূৰ্তিৰ তলত থকা বাকচত ৰখা হৈছিল সেই সময়ৰ মুদ্ৰা, কিছু বুটাম, কাৰ্টুজ আৰু গুলিবিদ্ধ আমেৰিকান ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনৰ কফিনত শুৱাই ৰখা এখন দুষ্প্ৰাপ্য চিত্ৰ। যোৱা ছেপ্টেম্বৰত লীৰ প্ৰতিমূৰ্তিটো ভাঙি পেলোৱা হয়। অৱশ্যে তেওঁৰ মূৰ্তিৰ তলৰ পৰা কোনো 'টাইম কেপচুল' উদ্ধাৰ হোৱা নাছিল।

# চিন্তাশক্তি ব্যৱহাৰ কৰি টুইট প্ৰেৰণ কৰিলে পক্ষাঘাতগ্ৰস্ত লোকে



**নিউজ ব্যুৰ'**
**ছিডনী, ২ জানুৱাৰী ঃ** কেৱল চিন্তাশক্তি ব্যৱহাৰ কৰিয়েই বিশ্ববাসীৰ দৰবাৰলৈ টুইট বাৰ্তা প্ৰেৰণ কৰিলে এজন পক্ষাঘাতগ্ৰস্ত লোকে। তেৱেঁই বিশ্বৰ প্ৰথম লোক, যিয়ে কেৱল চিন্তাশক্তিক ব্যৱহাৰ কৰি এই কৃতিত্ব স্থাপন কৰিছে। আচলতে দুৰাৰোগ্য 'মটৰ নিউৰন' ৰোগত আক্ৰান্ত অষ্ট্ৰেলিয়াৰ বাসিন্দা ফিলিপ অ'কীফৰ মস্তিষ্কত সংযোগ কৰা আছে এটা মাইক্ৰ'চিপ। সেই মাইক্ৰ'চিপেই তেওঁৰ মস্তিষ্কৰ সংকেত সংগ্ৰহ কৰি টুইটটো কৰাত সাহায্য কৰিছে।

মস্তিষ্কত মাইক্ৰ'চিপ ব্যৱহাৰ কৰি টুইটাৰত 'হেল্ল' ৱৰ্ল্ড' বুলি লেখাৰ পাছচে ইয়াক 'প্ৰথম চিন্তাশক্তি ব্যৱহাৰ কৰি কৰা টুইট'ৰূপে বৰ্ণনা কৰা হৈছে। মস্তিষ্কৰ মাইক্ৰ'চিপ প্ৰস্তুতকাৰী কোম্পানী ছিনক্ৰ'নৰ তৰফৰ পৰা যোৱা ২৩ ডিচেম্বৰত অ'কীফে টুইট কৰাৰ কথা ঘোষণা কৰে। পক্ষাঘাতগ্ৰস্ত অ'কীফৰ মস্তিষ্কত ছিনক্ৰ'নৰ ষ্টেনট্ৰ'ড মস্তিষ্ক কম্পিউটাৰ অৰ্থাৎ এটা মাইক্ৰ'চিপ বহুওৱা হৈছে, যি তেওঁৰ মস্তিষ্কৰ সংকেত বিশ্লেষণ কৰে আৰু আদেশ পালনত সহায় কৰে। ছিনক্ৰ'নে জনাইছে যে অ'কীফেই হ'ল প্ৰথম লোক যি পোনপটীয়াকৈ চিন্তাশক্তিৰ মাধ্যমেৰে সফলভাৱে নেট মাধ্যমলৈ বাৰ্তা প্ৰেৰণ কৰিছে। এই সন্দৰ্ভত স্বয়ং অ'কীফে কয়, 'মই যেতিয়া প্ৰথম এই প্ৰযুক্তিৰ বিষয়ে শুনিছিলো, তেতিয়া নাজানিছিলো যে ই মোক কিমান স্বাধীনতা ঘূৰাই দিব পাৰিব। প্ৰযুক্তিটো আশ্চৰ্যজনক। এই প্ৰযুক্তি বহু পৰিমাণে মটৰ চাইকেল চালনা শিকোৱাৰ দৰে। অনুশীলনৰ প্ৰয়োজন, কিন্তু অবাৰ অভ্যাস হৈ গ'লে স্বাভাৱিক হৈ পৰে। এতিয়া মই কেৱল চিন্তাশক্তি ব্যৱহাৰ কৰি ই-মেইল কৰিব পাৰো, বেংকৰ কাম কৰিব পাৰো, বস্তু কিনিব পাৰো আৰু টুইটাৰৰ মাধ্যমেৰে বিশ্বক বাৰ্তা দিব পাৰো।' এতিয়া বিশ্ববাসীৰ স'তে অভিজ্ঞতাৰ কথা ভাগ কৰি লোৱা আৰু অনুপ্ৰেৰণা যোগোৱাই তেওঁৰ লক্ষ্য বুলিও অ'কীফে কয়।

# নৱবৰ্ষ আদৰাৰ নামত নিশা সুৰামত্ত যুৱকৰ উদ্ভণ্ডালি

**বিশেষ সংবাদদাতা**
**নগাঁও, ২ জানুৱাৰী ঃ** ইংৰাজী নৱবৰ্ষ আদৰাৰ বাবে পাৰ্টি খোৱাৰ নামত যোৱা নিশা নগাঁও চহৰৰ চকীটুপ অঞ্চলত একাংশ সুৰামত্ত যুৱকে ৰাস্তাৰ কাষতে থকা দোকানৰ বেনাৰ, বাঁহ বেৰ আদি ভঙি লণ্ডভণ্ড কৰাৰ লগতে ৰাস্তাৰ মাজত জুই লগাই দিয়ে। আনকি মদৰ ৰাগিত মাতাল যুৱককেইজনে বিভিন্ন অশ্লীল উচ্চ ভাষ্যৰে এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। ঘটনাৰ খবৰ লাভ কৰি আৰক্ষীৰ এটা দল উপস্থিত হোৱাৰ লগে লগেই যুৱককেইজনে পলাই পত্ৰং দিয়ে। যি সময়ত মুখ্যমন্ত্ৰীৰ নিৰ্দেশত আৰক্ষীয়ে 'থাৰ্টি ফাষ্ট' পালনৰ নামত অবাঞ্ছিত পৰিৱেশ সৃষ্টি কৰা আৰু অসামাজিক কাৰ্যকলাপ সংঘটিত কৰা আদিৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিছে সেই সময়ত একাংশ যুৱকে চকীটুপৰ ৰাজপথত মদ্যপান কৰি হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰা ঘটনাই স্থানীয় ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চকীটুপ অঞ্চলৰ একাংশ যুৱকে প্ৰতি বছৰে থাৰ্টি ফাষ্ট পালনৰ নামত অবাঞ্ছিত পৰিৱেশ সৃষ্টি কৰি ৰাইজক অতিষ্ঠ কৰি আহিছে।



# প্ৰকৃতি প্ৰদত্ত সৌন্দৰ্যৰে ভৰপূৰ বিশ্বনাথৰ মৌজুলি গঢ়ি উঠিব পাৰে এক আকৰ্ষণীয় পৰ্যটন ক্ষেত্ৰ ৰূপে

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ২ জানুৱাৰীঃ** পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও ৰাজ্যৰ বহুসংখ্যক অঞ্চলত পৰ্যটনৰ আন্তঃগাঁথনি এই পৰ্যন্ত গঢ় লৈ উঠা নাই। অবিভক্ত শোণিতপুৰৰ তথা বৰ্তমান বিশ্বনাথ জিলাতো এনে বিভিন্ন অঞ্চল আছে যি সমূহত চৰকাৰী সুদৃষ্টি পৰিলে তথা সুপৰিকল্পিতভাৱে সজাই তুলিলে ৰাজ্যখনৰ একোটা জাকত জিলিকা পৰ্যটন ক্ষেত্ৰলৈ পৰিণত হ'ব। এইক্ষেত্ৰত বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৱৰ্তী বালিচাঙৰ নৈসৰ্গিক শোভা তথা নিৰ্মল জলপ্ৰৱাহেৰে সকলোকে মোহাচ্ছন্ন কৰা এক অঞ্চল হৈছে মৌজুলি। ইয়াত থকা প্ৰৱাহিত জলসিঞ্চন আঁচনিখনো পৰিকল্পিতভাৱে এক পৰ্যটন কেন্দ্ৰৰ ৰূপ দিব পৰাৰ প্ৰচুৰ সম্ভাৱনা আছে। বৰ্তমান বহু লোককে আকৰ্ষণ কৰে এই আঁচনিখনৰ লগতে কাষৰীয়া পৰিৱেশে। পাহাৰ আৰু সেউজীয়া মনোমোহা প্ৰাকৃতিক পৰিৱেশ এই স্থানৰ অন্যতম আকৰ্ষণ। বিভিন্ন স্থানৰ পৰা অহা আলোকচিত্ৰ শিল্পীসকলে এই প্ৰাকৃতিক সম্ভাৰৰ আলোকচিত্ৰ সংগ্ৰহ কৰাৰ উপৰি একাধিক অসমীয়া চলচ্চিত্ৰ আৰু ধাৰাবাহিকৰো দৃশ্যগ্ৰহণ হৈছে ইয়াত। চুবুৰীয়া ৰাজ্য অৰুণাচলৰ পাহাৰৰ বিভিন্ন উৎসৰ পৰা নিগৰি বৈ অহা ক্ষুদ্ৰ জলধাৰাৰে সৃষ্ট থেবাং নৈখন এই অঞ্চলৰ লগতে প্ৰাকৃতিক পৰিৱেশক স্বৰ্গীয় মাত্ৰা প্ৰদান কৰা মূল উপাদান। পাহাৰীয়া জুৰিৰ দৰে বৈ আহি ভৈয়ামত মৌজুলি নৈৰ নাম লৈ পৰৱৰ্তী সময়ত ঘিলাধাৰীৰ ৰূপত মহাবাহু ব্ৰহ্মপুত্ৰৰ বিশালতাত বিলীন হৈছে। চৌদিশে বিভিন্ন চিনাকি অচিনাকি গছ-গছনি তথা ফুলেৰে ভৰপূৰ প্ৰাকৃতিক পৰিৱেশত বিভিন্ন চৰাই চিৰিকটিৰ কাকলিয়ে সৃষ্টি কৰে মধুৰ পৰিৱেশ। ইয়াতে থকা মৌজুলি জলসিঞ্চন আঁচনিৰ তথা জলপ্ৰৱাহৰ সমীপতে আছে এক শিৱ মন্দিৰ। তদুপৰি ইয়াতে এটা পৰিদৰ্শন বঙলাও আছে। ১০-১২বিঘা ভূমি সামৰি আৰু বহু মাছ থকা দুটাকৈ জলাশয়ে অনন্য মাত্ৰা প্ৰদান কৰা অঞ্চলটোত পূৰ্বে এক বৃহৎ পুখুৰীও আছিল বুলি স্থানীয় লোকে প্ৰকাশ কৰিছে যদিও বৰ্তমান এই পুখুৰীৰ অস্তিত্ব নাই। সেউজীয়া আৰু বিশাল পৰিধিৰ চাহ বাগিচা তথা শীতকালত কুঁৱলী সনা পৰিৱেশে এক সজীৱ পৰিৱেশৰ সৃষ্টি কৰা মৌজুলিত পূৰ্বে নিৰ্মাণ হোৱা জলসিঞ্চন আঁচনিখন পৰৱৰ্তী সময়ত উন্নীতকৰণেৰে দুইখলপীয়াকৈ নিৰ্মাণ কৰা হয়। এই আঁচনিখনো বৰ্তমান বহুলোকৰ বাবে এক অন্যতম আকৰ্ষণ। ইয়াৰ পৰা কিছু নিলগৰ মহজুলি পথাৰত নতুনকৈ গঢ় লৈ উঠিছে এক ব্যৱসায়িক কেন্দ্ৰ। প্ৰতিবছৰে জানুৱাৰীত লানি নিছিগাকৈ বনভোজকাৰীৰ আগমন ঘটে এই প্ৰাকৃতিক পৰিৱেশৰ অঞ্চললৈ। গ্ৰীষ্মকালতো শীতল বতাহে মন-প্ৰাণ জুৰাই যোৱা অঞ্চলটোত একাধিক মন্দিৰ আছে। উল্লেখ্য যে জলসিঞ্চন আঁচনিখনৰ পৰিসৰৰ ভিতৰত পৰা বহু ভূমি পৰিত্যক্ত অৱস্থাত আছে। জলসিঞ্চন আঁচনিখনৰে জড়িত বিভাগীয় কৰ্মচাৰীসকলৰ বাবে থকা বহুকেইটা গৃহত কোনো কৰ্মচাৰী নাথাকে। এই প্ৰকৃতিপ্ৰদত্ত অঞ্চলটোক পৰিকল্পিতভাৱে আৰু প্ৰাকৃতিক পৰিৱেশ অক্ষুণ্ণ ৰাখি সজাই তুলিলে এক অন্যতম পৰ্যটন থলিৰূপে জনপ্ৰিয় হৈ উঠিব বুলি সৰ্বসাধাৰণে মত প্ৰকাশ কৰিছে। এইক্ষেত্ৰত চৰকাৰক উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈয়ো ৰাইজে আহ্বান জনাইছে।





# দহকাউনীয়াত জ্যেষ্ঠজনক সম্বৰ্ধনা জ্যেষ্ঠ নাগৰিক পৰিষদৰ পদক্ষেপ

**বৰমা, ২ জানুৱাৰী ঃ** পূব নামবৰভাগ আঞ্চলিক জ্যেষ্ঠ নাগৰিক পৰিষদৰ অন্তৰ্গত দহকাউনীয়া জ্যেষ্ঠ নাগৰিক পৰিষদৰ উদ্যোগত যোৱা পহিলা জানুৱাৰীত অনুষ্ঠিত এক সভাত গাঁওখনৰ ৮০ বছৰ গৰকা জ্যেষ্ঠসকলক সম্বৰ্ধনা জনায়। দহকাউনীয়া জ্যেষ্ঠ নাগৰিক পৰিষদৰ সভাপতি মহেন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক নৰেন পাটোৱাৰীয়ে। সভাত আদৰণি ভাষণ দিয়ে সমাজকৰ্মী প্ৰতাপ চন্দ্ৰ কলিতাই। সভাত নিৰ্দিষ্ট বক্তাৰূপে অৱসৰপ্ৰাপ্ত শিক্ষক ৰমেশ চন্দ্ৰ শৰ্মাই জ্যেষ্ঠ লোকসকলক বিভিন্ন সমস্যা সন্দৰ্ভত মত ব্যক্ত কৰে। সভাত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কমলা দেৱীয়ে নিজ স্বামী প্ৰয়াত শৰৎ চন্দ্ৰ শৰ্মাৰ নেতৃত্বত গঢ় লৈ উঠা জ্যেষ্ঠ নাগৰিক পৰিষদৰ বিষয়ে বক্তব্য ৰাখে। শতাধিক লোক উপস্থিত থকা সভাত দেৱেন্দ্ৰ নাথ শৰ্মা, অৰ্জুন শৰ্মা, ধৰণীধৰ গোস্বামী, যামিনী শৰ্মা, কান্তেশ্বৰ তালুকদাৰ, ধীৰেশ্বৰ ৰাজবংশী, ভবেন্দ্ৰ নাথ বৰ্মন, পুতুলী কলিতা, ৰেণু বৰ্মন, পাৰ্বতী কলিতা, সুমিত্ৰা কলিতা, লক্ষ্মী বৰ্মন, পদ্মা কলিতাক দহকাউনীয়া জ্যেষ্ঠ নাগৰিক পৰিষদে সম্বৰ্ধনা জ্ঞাপন কৰে। ইংৰাজী নতুন বৰ্ষৰ পহিলা জানুৱাৰীত সকলোৰে মিলি মত বিনিময় কৰা বুলি উদ্যোক্তাসকলে জানিব দিয়ে। সভাৰ পূৰ্বে শৰৎ চন্দ্ৰ শৰ্মাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কমলা দেৱীয়ে। স্মৃতি বেদীত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী সৰলা দেৱীয়ে। স্মৃতি তৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ভৱকান্ত কলিতাই।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com